to resilience and welfare. Floods and riverbank erosion have long been significant challenges for Assam. Through dedicated efforts and innovative measures, the government has made substantial progress in mitigating these issues and enhancing resilience. Over the years, over 16.5 lakh hectares of flood-prone land have been protected, and more than 4,500 kilometers of embankments, 1,280 anti-erosion works, and 667 sluice gates have been constructed. Recent projects between 2021 and 2024, costing about ?3400 crore, have strengthened over 440 kilometers of existing dykes, constructed 189 kilometers of new embankments, and implemented 217 kilometers of erosion protection works. In 2024, rapid response to embankment breaches across eight districts, using advanced Geo-tubetechnology, minimized flood damage. Additionally, the procurement of vital flood-fighting materials worth 44 crore improved preparedness and reduced vulnerabilities. Major initiatives like the World BankfundedAssam Integrated River Basin Management Programme (?4000 crore)and the Climate Resilient Brahmaputra Project (?3000 crore) target long-term solutions for flood and erosion management, focusing on critical rivers and districts. Advanced systems like real-time flood forecasting and asset management are being developed for proactive responses. For 2024-25, 35 new schemes worth ?319 crore have been proposed, including 212 kilometers of new embankments, reflecting the government's commitment to safeguarding Assam from natural calamities. The Chief Minister'sRelief Fund provides financial assistance at the discretion of the Hon'ble Chief Minister to support individuals and institutions affected by natural calamities, medical emergencies, poverty, and other deserving cases. From May 2021 to January 2024, approximately 330 crore was disbursed to around 2.8 lakh beneficiaries, including ?35 crore to about 31,500 beneficiaries in 2024-25. The Chief Minister's Scheme for Public Emergency, launched in 2022-23, supports victims of calamities, accidents, or conflicts and promotes cultural, academic, and sports achievements. So far, around 38 crore has been distributed to approximately 3,100 beneficiaries under this scheme. Welfare of Bodoland Territorial Region (BTR), Karbi Anglong Autonomous Council(KAAC)&North Cachar Hills Autonomous Council (NCHAC) The Bodoland Territorial Region (BTR) has made significant strides in infrastructure development and welfare initiatives. Under the Goodwill Mission, BTR has completed more than 700 km of all-weather roads, and 400 km of roads under the Mukhya Mantri Path Nabikaran Achani (MMPNA) scheme since 2022-23. The completion of the Dhansiri Irrigation Project, ongoing for 46 years, has benefited 75 villages and 32,000 farmer families, providing irrigation to an additional 16,000+ hectares of

agricultural land. The region received more than Rs 260 crore out of Rs. 750 crore under the Special Development Package, with the remaining amount in advanced approval stages. Asper BTR Accord, more than 6600 Ex NDFB Cadres have been provided Socio-Economic Rehabilitation through Grants, more than 274 cases have been withdrawn against cadres. Ex-Gratia granted to Martyr Families from time to time. For Karbi Anglong Autonomous Council, in 2024-25, Rs 600 Cr has been allocated for initiatives like four lane road from Gandhi Park to Assam University, a cancer hospital in partnership with TATA Trust, and an interstate bus terminus. Upcoming projects include a ginger and turmeric processing plant, rural libraries, and water supply schemes for Adarsha Vidyalayas. For North Cachar Hills Autonomous Council (NCHAC), key road projects, such as Lanka to Umrangso and Mahur to Tamenglong, are aimed at improving connectivity. Development initiatives include recreation centres, school buildings, and healthcare improvements. Innovative schemes like free bus services, skill development centres, and financial aid for medical cases have been introduced.Tea Tribes, Adviasi, and Tribal Welfare The Tea Tribes and Adivasi communities comprising about 17% of the population of Assam are an integral part of the greater Assamese society and have contributed enormously to the social mosaic of the State. My Government has vigorously pursued welfare schemes for physical, intellectual and socio-economic development of the Tea Tribes and Adivasi community. To encourage and improve the education scenario among the Tea Tribes and Adivasi community, the State Government. has been issuing scholarships to students studying at various schools and colleges ranging from a minimum of Rs. 3,000/- to a maximum of Rs. 35,000/-, depending upon the courses being pursued. During the financial year 2024-25, a total of 67,570 nos. of applications have been received for various scholarship schemes viz. Pre/Post-Matric scholarship, Simon Sing Horo Special Post-Matric Scholarship etc. During the current financial year 2024-25, 55 (fifty five) students have been selected for undergoing various coaching programmes for various competitive examinations. To preserve and promote the cultural heritage of the Tea Tribes and Adivasi community, my Government has proposed the construction of the “Assam Chah Janagustiya Samannay Kalakshetra” at Kaziranga. Additionally, an ambitious scheme is underway to establish 500 “Mahaprabhu Jagannath Community Hall cum Skill Centres” across tea gardens at a total cost of Rs. 750 crores. These centres, costing Rs. 1.5 crore each, will serve as venues for cultural events, skill development, and community activities. Construction is progressing under the Public Works Department. Promoting sports among Tea Tribes and Adivasi youth remains a priority. Football academies for boys are being

built at Rangapara (Sonitpur) and Chota Tingrai (Tinsukia), while an archery academy for girls is coming up in Sonari (Charaideo). In 2023-24, the Chief Minister's Tea Tribes and Adivasi U-19 Football Tournament was organized to nurture young talent. Medical seats reserved for the community have increased from 27 to 30, and 3% job reservation within the OBC quota has been secured for Class-III and Class-IV state government posts. Social Justice and Minority affairs Ensuring inclusive development and social empowerment is at the core of the government's mission. Numerous welfare initiatives have been undertaken to support persons with disabilities, senior citizens, the transgender community, and marginalized sections of society, while addressing critical issues such as substance abuse and economic inequality. In the financial year 2024-25, key initiatives include financial incentives for meritorious SC and OBC students, scholarships for SC students from Class I to VIII with parental incomes below 2.5 lakh, and support for SC and OBC students qualifying the UPSC preliminary exam with parental incomes below ?5 lakh. To promote income generation, 168 Graphic Design Units, 1,000 Sewing Machines, and 32 Pick-up Vans have been distributed to SC unemployed youth, SC women, and youths formerly engaged in manual scavenging. The government has constituted 24 Development Councils to foster socio-economic, educational, cultural, and ethnic advancements for various communities. Funds earmarked for these councils are utilized effectively to achieve their objectives. Skill-based training is being provided to persons with disabilities, with an allocation of about ?3 crore to improve their standard of living. Scholarships are being offered to students with disabilities pursuing medical, technical, and higher education courses. Grants-in-aid are provided to 46 homes for the mentally ill and differently-abled individuals, along with 3 government special schools and 19 voluntary organizations running special schools for differentlyabled students. The Government. Braille Press continues to supply Braille textbooks to visually impaired students across the Northeast, with more than 2 lakhs Unique Disability ID cards issued in Assam to date. For combating drug abuse, the government supports six de-addiction and rehabilitation centres in Kamrup Metropolitan, Barpeta, Tinsukia, Dibrugarh, Sonitpur, and Golaghat districts. Additionally, the Senior Citizen Welfare Council and the Government. Old Age Home at Sonapur work toward the welfare of senior citizens. For the transgender community, a shelter home and skill development center in Guwahati, accommodating 40 individuals above 18 years, provides training in tailoring, beautician courses, and more. Culture and Faith- Indigenous & Tribal: As the state forges ahead in modern development, it remains deeply rooted in celebrating its rich heritage. I spoke about Chariadeo Maidoms.

The prestigious recognition, awarded during the 46th session of the UNESCO World Heritage Committee in New Delhi, marks the first cultural World Heritage Site in Northeast India and the 43rd in the country. In addition, excavations at the Gupteswar DevalayaArchaeological Site in Sonitpur have uncovered significant enriching pre-Ahom temple remains, further Assam’s historical narrative. The government is alsoexpanding its network of museums. The Museums at Dakhinpat Sattra, Majuli, and the Patharughat Memorial Museum in Darrang are nearing completion. Additionally, the site development for the Barpeta District Museum is advancing, and construction of the building is planned for FY 2025-26. Progress on the second campus of the Assam State Museum at Swargadeo Chaolung Siu Ka Pha Samanway Kshetra, Jorhat, is underway, with its launch expected in early 2025. Under the leadership of the Hon’ble Chief Minister, Assam has witnessed remarkable strides in preserving and promoting its cultural heritage. Financial assistance of ?1.5 lakh each was extended to 2,300 Bihu celebration committees, ?25,000 to 2,063 Raas committees, and 10,000 to approx. 8000 Durga Puja committees during 2024-25. A significant MoU was signed for producing a 52-episode series on Bir Lachit Barphukan. The film Chanchisoa was screened at the International Film Festival in Goa, showcasing Assam's cinematic talent. Efforts are underway to establish 2,597 libraries across panchayats and municipal wards to enhance access to knowledge. Notable cultural events, such as Bishnu Rabha Divas and Mamoni Roisom Goswami Jayanti, celebrated Assam's artistic and literary heritage. The construction of Sri Sri Madhabdev Kalakshetra at Narayanpur in Lakhimpur, the birthplace of Mahapurush Sri Sri Madhabdev as a socio-cultural venture, also as a “must-visit tourist destination” was completed and inaugurated on 10th May’2023. Development of Batadrava Than as a Cultural and tourist destination at Batadrava, Nagaon is scheduled to be completed shortly. The Beautification of Rang Ghar at Sivasagar and Maa Kamakhya Temple Access Corridor project has been taken up this year and will be completed by 2026. Construction of Jagannath Community and Skill Centre in 500 tea estates of Assam for tea tribe community are targeted to be completed within Dec’2025. The Lachit Borphukan Statue at Lahdoigarh has been completed and the remaining works of Museum, Auditorium etc. will be completed by July, 2025. One 100 feet tall “Heng-dang” at the historic Alaboi Ranakhetra at Pacharia in Kamrup is ongoing and the project will be completed within 2025. In a move to preserve cultural heritage, Karimganj District and Town have been renamed as Sribhumi District and Sribhumi Town, while the headquarters of Hojai District has been

renamed Srimanta Sankardev Nagar. Sports and youth welfare Sector My Government's commitment to fostering sports culture and infrastructure across the state is underscored by various initiatives in sports sector. Khel Maharan is a path breaking initiative of the Government of Assam with the objective of identifying sports talent at the grassroots level that was launched in November 2023 and ended in February 2024. The Khel Maharan initiative in Assam promoted grassroots sports with competitions held across 2,845 Gaon Panchayats, ULBs, MACs, and VCDCs. Approximately 53 lakh people registered, with around 31 lakh participating. Over 3,000 playgrounds were developed, enabling mass participation, including from remote areas. Around 1.4 lakh players were identified, with 612 shortlisted for advanced training. These players attended a three-week residential coaching camp in Guwahati, guided by renowned coaches, leading to selections for national platforms like the Baichung Bhutia Football Academy and National School Games. To address infrastructure challenges, designated Youth Clubs were established in each Legislative Assembly Constituency, supported with 15 lakh each, with ?5 lakh disbursed initially to 57 clubs. The state excelled at the 2024 National Games, securing 56 medals, and provided jobs and incentives to medallists. Assam also hosted the 4th Khelo India University Games and established two HighPerformance Centres. Preparations for Khel Maharan 2.0 and 3.0 are underway with budget of over 55 crore. A major project for the construction of a cricket stadium with a seating capacity of 20,000 at Amingaon, Guwahati, is progressing steadily and is slated for completion by 2026. Additionally, the construction of 11 District Stadiums at District Headquarters and 41 Mini Stadiums across various Legislative Assembly Constituencies is underway. The development of four small to medium sports facilities at Nagshankar, Chamata, Ghahigaon, and Sorbhog. In the Bodoland Territorial Area Districts (BTAD), a state-of-the-art sports stadium is being built in Kokrajhar, along with the Chilarai District Stadium in Bongaigaon and a 100-bedded Sports Hostel at Amingaon Sports Complex in Kamrup under the North Eastern Council (NEC). Other key initiatives include the augmentation of seating capacity from 5,000 to 15,000 at the Multi Disciplinary Sports Complex in Khanikar, a Mini Stadium at Moulhoi in Dima Hasao District, a Hockey Stadium at Naharkatia, a District Sports Complex at Sildubi in Silchar, a stadium at Udalguri, and various sports projects in Tinsukia.Respect to Assam Agitation Martyrs and Implementation of Clause-6of Assam Accord Swahid Smarak Khetra at Pachim Boragaon, Guwahati, will be completed shortly. This is being developed as a befitting tribute to the martyrs of Assam, Assam Agitation. The Assam Accord continues to be honoured through initiatives such as the Assam

Agitation Victims Welfare Trust, which supports education, medical care, and employment for affected families. Our Government is committed to implement all the recommendations of Justice Biplab Sarma Committee that are falling under the domain of the State Government. State Cabinet held in Lakhimpur deliberated each recommendation and resolved to implement the recommendations in time bound manner in coordination with AASU and all stakeholders in the State. Strengthening Judiciary and Enforcement of Law & Order Peace and security are fundamental to progress, and Assam has achieved significant milestones in this regard. The state's police force has intensified operations against narcotics, recovering substantial quantities of illegal substances, registering nearly 2,900 cases under the NDPS Act, and arresting over 4,500 individuals in 2024. Efforts against child marriage and corruption have also shown impactful results, with 70 arrests made through vigilance operations. Under the MOITRI initiative, 103 police stations have been modernized, with 162 more projects underway. Assam Police has introduced innovative systems such as the tamper-proof blockchain-based Evidence Management System and launched mobile applications like "Drug-Free Assam" and "Assam COP" to improve policing efficiency. Conviction rates have increased significantly, while crimes against women, children, and cybercrimes have reduced. Public engagement initiatives, including the formation of over 300 Nagarik Committees, have strengthened police-community relations. The Fire and Emergency Services Department has responded to over 3,700 fire incidents and 1,000 special calls, saving lives and property worth over Rs. 250 crore. Mock drills and awareness campaigns have been conducted state-wide, enhancing disaster preparedness. Forensic capabilities have expanded with regional laboratories and mobile units. The Directorate has received over 8,300 cases in 2024 and continues to play a crucial role in crime investigation and training. Speedy justice is an indispensable part of democratic set up. E-filing of petitions has already been introduced in the Hon'ble Gauhati High Court and District Courts. New District and Sub-Divisional Judicial court buildings have been inaugurated in the district of Sivasagar, Golaghat and Cachar last year. Besides, some other ongoing projects like court complex and residential buildings at Goalpara, Tinsukia, Gohpur, Dhubri, Goalpara and Darrang are on the verge of completion etc. In order to reduce pendency of cases in courts and reduce congestions of jails, this Government has approved withdrawal of petty/minor cases by invoking Section 321 of CrPC, 1973. Under this policy till March 2024, 81,000 (approx.) petty/minor cases have been withdrawn in the State of Assam. My Government is untiringly striving to eradicate poverty, reduce regional disparities and gender differences through various pro people ini-

tiatives. It will continue to prioritize the delivery of essential services, creation of livelihood opportunities and development of key and basic infrastructure. This includes the connectivity, provision of safe drinking water, power supply, supporting agriculture with irrigation and other facilities and taking healthcare and education to the next level.

Governance Closer to the People-Institutional Reforms Balanced regional growth and development in Assam has been a top priority for my government. To bring governance closer to the people, we have granted Dibrugarh the status of a second capital, with the Chief Minister's Office already functioning there, covering nine districts in Upper Assam. Building on this, steps will be taken to develop infrastructure for select sessions of the Assam Legislative Assembly in Dibrugarh. Additionally, MLA hostels, office spaces, and temporary residences for Ministers will be set up, ensuring senior officials and ministers spend more time on the ground, making Dibrugarh a key hub for Upper Assam. In a similar effort to strengthen governance in Barak Valley, we have recently created the Barak Valley Development Department, a significant step towards addressing the region's unique needs. This will now help revitalize the Mini-Secretariat in Silchar, ensuring it functions as an effective administrative center. With its integration into the Assam Secretariat in Dispur, the Mini-Secretariat will serve as a focal point for governance in Barak Valley, improving administrative efficiency and responsiveness. Through these initiatives, along with the pioneering creation of Co-Districts, we reaffirm our commitment to inclusive growth, ensuring all regions of Assam receive the attention and resources they deserve. Our transparent ways of governance have made us responsible and responsive to the ever-changing needs of our times. People's participation and partnering in the process of growth, development and progress of the state and its people has been the hallmark of this wonderful journey. Allow me to conclude with a quote from the "Taittiriya
Upanishad" (Chapter 1, Verse 11).

"Sarva Hitaya Sarva Sukhaya. Sarva Kemaya
Sarva Magalaya."

Translation: "Everything is for the welfare and
happiness of all. Everything is for the well-being and
auspiciousness of all."

I would like to reiterate in unequivocal terms that my Government is firmly committed to develop all regions of the state and empower all section of the people. I now leave it to your deliberations and wish you all success.

Jai Ai Axom! Jai Hind!

**মাননীয় অধ্যক্ষ ঃ** মাননীয় ৰাজ্যপাল ডাঙৰীয়া, আপোনাৰ ভাষণৰ বাবে ধন্যবাদ জনালো।

**( সদনত পুনৰ ৰাষ্ট্ৰীয় সংগীত বাজি উঠে)**

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই মহামান্য ৰাজ্যপাল ডাঙৰীয়াক ইয়াৰ পৰা বিদায় দিছো। আমাৰ প্ৰধান সচিব ডাঙৰীয়াই তেখেতক লৈ যাব। মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ প্ৰতিলিপি লবিত ৰখা হৈছে আৰু তাৰ পৰা সকলোৰে পাব। আমি মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ লগত ফটো চেচনৰ লগতে Hi-Tea অনুষ্ঠিত কৰিছো আৰু সেয়েহে সদন এতিয়া ১.৩০ মিনিটৰ কাৰণে স্থগিত ৰখা হ'ল।

**ইংৰাজী ১৭-২-২০২৫ তাৰিখে সদন ১.৩০ ঘন্টা সময় বিৰতিৰ পিছত দিনৰ ০২.০৫ বজাত মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত পুনৰ সদনৰ কাম-কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ** ঃ এটা Announcement আছে Honorable Members,

Since the sitting of the house for today is being held in the Bodoland Territorial Legislative Assembly, I, under Rule 2(n) of the Rules of Procedure and Conduct of business in Assam Legislative Assmebly direct that the precincts of the House for today's sitting would include the chamber, the Lobbies, the Galleries of the Bodoland Territorial council Legislative Assembly as well as the whole building till the conclusion of the today's sitting.

এতিয়া আছে মৃত্যু প্ৰসংঙ্গ।

<u>মৃত্যু প্ৰসঙ্গ</u>

বিগত সময়ছোৱাত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা কেইবাগৰাকীও বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে ।

সেইসকলৰ ভিতৰত অন্যতম আছিল -

**ভাৰতৰ ভূতপূৰ্ব প্ৰধান মন্ত্ৰী, বিশিষ্ট অৰ্থনীতিবিদ** - ড° মনমোহন সিং

**অসম বিধান সভাৰ প্ৰাক্তন উপাধ্যক্ষ** - বলোভদ্ৰ তামুলী

**প্ৰাক্তন বিধায়ক ক্ৰমে**- দেৰহাগ্ৰা মুছাহাৰী, মুস্তাফা শ্বহীদুল ইছলাম আৰু মছিৰ উদ্দিন শ্বেখ

**ভাৰতীয় শিল্প-বাণিজ্য ক্ষেত্ৰৰ মহীৰূহ, বিশিষ্ট উদ্যোগপতি তথা 'অসম বৈভৱ'**- ৰতন নাভাল টাটা

**ড° মনমোহন সিং**

ভাৰতৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী ড° মনমোহন সিং ডাঙৰীয়াই যোৱা ইংৰাজী ২৬ ডিচেম্বৰ, ২০২৪ তাৰিখে ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯২ বছৰ ।

অবিভক্ত ভাৰতবৰ্ষৰ বৰ্তমান পাকিস্তানত অৱস্থিত পঞ্জাৱ প্ৰদেশৰ গেহত ১৯৩২ চনত গুৰমুখ সিঙৰ ঔৰসত আৰু অমৃত কৌৰৰ গৰ্ভত ড° মনমোহন সিং ডাঙৰীয়াই জন্মগ্ৰহণ কৰে। বাল্যকালৰে পৰা মেধাশক্তিৰ পৰিচয় দাঙি ধৰি অতি সাধাৰণ শিক্ষানুষ্ঠানত প্ৰাথমিক তথা মাধ্যমিক

শিক্ষা সাং কৰা ড° সিং ডাঙৰীয়াই নিজৰ দক্ষতাৰ বলত কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ দৰে অতি উচ্চমান বিশিষ্ট শিক্ষানুষ্ঠানৰ পৰা অৰ্থনীতিত সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়।

আমাৰ ৰাজ্যখনক প্ৰতিনিধিত্ব কৰি একেৰাহে পাঁচবাৰলৈ ৰাজ্যসভালৈ নিৰ্বাচিত হোৱা ড° সিং ডাঙৰীয়াই ১৯৯১ চনত কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ আসন অলংকৃত কৰি তেখেতৰ ৰাজনৈতিক জীৱনৰ আৰম্ভণি কৰে । ২০০৪ চনৰ পৰা ২০১৪ চনলৈ একেৰাহে দুটাকৈ কাৰ্য্যকালৰ বাবে প্ৰধানমন্ত্ৰীৰ আসন অলংকৃত কৰি আমাৰ ৰাজ্যখনক গৰ্বিত কৰা ড° সিং ডাঙৰীয়া এগৰাকী বিশ্বপ্ৰসিদ্ধ অৰ্থনীতিবিদ আৰু কুটনীতিবিদ হিচাপেও মান্যতা লাভ কৰিছিল । ভাৰত চৰকাৰৰ বাণিজ্য মন্ত্ৰালয়ৰ অৰ্থনৈতিক উপদেষ্টা আৰু বিত্ত মন্ত্ৰালয়ৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা হিচাপে কাৰ্য্যনিৰ্বাহ কৰা এইগৰাকী প্ৰখ্যাত অৰ্থনীতিবিদে ১৯৮২ চনৰ পৰা ১৯৮৫ চনলৈ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভৰ্ণৰ আৰু ১৯৮৫ চনৰ পৰা ১৯৮৭ চনলৈ ভাৰতৰ পৰিকল্পনা আয়োগৰ উপাধ্যক্ষ হিচাপে গুৰুদায়িত্ব পালন কৰিছিল। এইগৰাকী বিশিষ্ট শিক্ষাবিদ, অৰ্থনীতিবিদ, ৰাজনীতিক তথা দেশৰ মুক্ত অৰ্থনীতিৰ বাটকটীয়া মহান পণ্ডিতৰ ভাৰতীয় সমাজ জীৱনলৈ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব ।

ড° মনমোহন সিং ডাঙৰীয়াৰ বিয়োগ আমাৰ দেশ তথা সমগ্ৰ ভূ-মণ্ডলৰ বাবে এক অপূৰণীয় ক্ষতি ।

**বলোভদ্ৰ তামুলী**

অসম বিধান সভাৰ প্ৰাক্তন উপাধ্যক্ষ তথা প্ৰবীণ ৰাজনীতিবিদবলোভদ্ৰ তামুলী ডাঙৰীয়াৰ যোৱা ১২ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে বৈকুণ্ঠ প্ৰয়াণ ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৭ বছৰ ।

১৯৩৮ চনত জন্মগ্ৰহণ কৰা তামুলী ডাঙৰীয়াই ১৯৮৫ চনত অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীৰূপে বোকাখাত বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত সেৱা আগবঢ়োৱাৰ লগতে ১৯৯০ চনৰ ২২ অক্টোবৰৰ পৰা ১৯৯১ চনৰ ৮ জানুৱাৰীলৈ অসম বিধান সভাৰ উপাধ্যক্ষৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। শিক্ষকতাৰ দৰে পৱিত্ৰ বৃত্তিত জড়িত থকা তামুলী ডাঙৰীয়াই ঐতিহাসিক অসম আন্দোলনত অপৰিসীম ত্যাগেৰে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল । অসম বীজ নিগমৰ অধ্যক্ষ হিচাপেও সেৱা আগবঢ়োৱা তামুলী ডাঙৰীয়াই দেশখনৰ বিভিন্ন সামাজিক আৰু ক্ৰীড়া অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি দেশমাতৃৰ সেৱাত নিজকে উৎসৰ্গা কৰিছিল ।

এইগৰাকী সৰলচিতীয়া বিশিষ্ট ৰাজনৈতিক নেতাৰ বিয়োগত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল ।

**দেৰহাগ্ৰা মুছাহাৰী**

তামুলপুৰ বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক দেৰহাগ্ৰা মুছাহাৰী ডাঙৰীয়াৰ যোৱা ২৮ ছেপ্তেম্বৰ, ২০২৪ তাৰিখে দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮১ বছৰ।

১৯৪৩ চনত জন্মগ্ৰহণ কৰা মুছাহাৰী ডাঙৰীয়াই বড়ো আন্দোলনৰ পটভূমিত জন্ম লোৱা বিপিএচি, এবছু আদিৰ আহ্বানত নিৰ্দলীয়ভাৱে প্ৰতিদ্বন্দ্বিতা কৰি ১৯৯১ চনত প্ৰথমবাৰৰ বাবে

অসম বিধান সভালৈ নিৰ্বাচিত হয় । পৰৱৰ্তী সময়ত একে ধৰণৰ উদ্দেশ্যৰে নিৰ্দলীয়ভাৱে প্ৰতিদ্বন্দ্বিতা কৰি বিধান সভালৈ নিৰ্বাচিত হোৱা সদস্যসকলে একগোট হৈ বড়োলেণ্ড মুভমেণ্ট লেজিছলেছাৰ পাৰ্টী গঠন কৰে আৰু অঞ্চলটোৰ উন্নতিৰ বাবে সেৱা আগবঢ়ায় । তেখেতে ১৯৯৬ চনত পিপল্‌চ ডেমক্ৰেটিক ফ্ৰন্টৰ প্ৰাৰ্থীৰূপে একেৰাহে পুনৰবাৰ অসম বিধান সভালৈ নিৰ্বাচিত হয় । মুছাহাৰী ডাঙৰীয়াই পিটিচিএ (PTCA), ইউটিএনএলএফ (UTNLF), ইউবিএনএলএফ (UBNLF) আদি সংগঠনৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত জনজাতি ৰাজ্য দাবীৰে সঞ্চালিত হোৱা উদয়াচল আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি অগ্ৰণী ভূমিকা পালন কৰিছিল ।

অতি সহজ-সৰল জীৱন যাপন কৰা মুছাহাৰী ডাঙৰীয়াই বড়ো জনগোষ্ঠীৰ ৰোমান লিপিৰ আন্দোলনতো উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল । তদুপৰি তেখেতে আজীৱন বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সামাজিক দায়বদ্ধতাৰে বহু গুৰুদায়িত্ব পালন কৰি আছিল।

এইগৰাকী প্ৰাক্তন বিধায়ক তথা বিশিষ্ট সমাজসেৱকৰ মৃত্যুত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল ।

**মুস্তাফা শ্বহীদুল ইছলাম**

ধিং সমষ্টিৰ প্ৰাক্তন বিধায়ক মুস্তাফা শ্বহীদুল ইছলাম ডাঙৰীয়াৰ যোৱা ১৬ ডিচেম্বৰ, ২০২৪ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭০ বছৰ।

১৯৫৫ চনত জন্মগ্ৰহণ কৰা ইছলাম ডাঙৰীয়াই ১৯৮৫ চনত ইউনাইটেড মাইন'ৰিটী ফ্ৰণ্টৰ (United Minority Front) প্ৰাৰ্থী, ১৯৯৬ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ (ই) দলৰ প্ৰাৰ্থীৰূপে দুবাৰকৈ অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যখনৰ আৰ্থ-সামাজিক ক্ষেত্ৰখনলৈ সেৱা আগবঢ়োৱাৰ লগতে সমষ্টিটোৰ উন্নয়নৰ বাবেও উল্লেখনীয় অৱদান আগবঢ়াইছিল। তেখেতে আজীৱন বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ গুৰুদায়িত্ব বহন কৰি ৰাজনৈতিক ক্ষেত্ৰখনৰ সমান্তৰালকৈ সামাজিক দিশতো বিশেষ অৱদান আগবঢ়াইছিল।

নেতৃত্বসুলভ ব্যক্তিত্বৰে পৰিচালিত এইগৰাকী প্ৰাক্তন বিধায়কৰ বিয়োগত ৰাজ্যখনৰ জাতীয় জীৱনত এক পূৰাব নোৱাৰা ক্ষতি হ'ল ।

**মছিৰ উদ্দিন শ্বেখ**

ধুবুৰী বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক মছিৰ উদ্দিন শ্বেখ ডাঙৰীয়াৰ যোৱা ১৬ জানুৱাৰী, ২০২৫ তাৰিখে দেহাৱসান ঘটে।

১৯৪৫ চনত জন্ম গ্ৰহণ কৰা মছিৰ উদ্দিন শ্বেখ ডাঙৰীয়াই ১৯৮৫ চনত ধুবুৰী বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যখনৰ ৰাজনৈতিক ক্ষেত্ৰখনলৈ উল্লেখনীয় সেৱা আগবঢ়াই থৈ গৈছে । এগৰাকী অধিবক্তাৰূপে কৰ্মজীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ গুৰু দায়িত্ব বহন কৰাৰ লগতে ৰাজনৈতিক ক্ষেত্ৰখনতো অনবদ্য অৱদান আগবঢ়াইছিল।

এইগৰাকী প্ৰাক্তন বিধায়ক তথা জ্যেষ্ঠ অধিবক্তাৰ বিয়োগত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**ৰতন নাভাল টাটা**

বিশিষ্ট উদ্যোগপতি 'অসম বৈভৱ' ৰতন নাভাল টাটাৰ যোৱা ৯অক্টোবৰ, ২০২৪ তাৰিখে

পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৬ বছৰ।

১৯৩৭ চনত জন্মগ্ৰহণ কৰা ৰতন টাটা ডাঙৰীয়াই ১৯৭০ ৰ দশকত টাটা গ্ৰুপৰ এগৰাকী পৰিচালক হিচাপে কৰ্মজীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত দেশৰ এগৰাকী প্ৰসিদ্ধ উদ্যোগপতিৰূপে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত এক সুকীয়া পৰিচয় দিবলৈ সক্ষম হৈছিল। ৰতন টাটা ডাঙৰীয়াই নিজৰ কৰ্ম আৰু জীৱন দৰ্শনেৰে আন্তঃৰাষ্ট্ৰীয় উদ্যোগিক ক্ষেত্ৰখনত এক উল্লেখনীয় নিদৰ্শন থৈ গ'ল।

দেশৰ প্ৰতিটো প্ৰান্তলৈ টাটা গ্ৰুপৰ ব্যৱসায়িক সম্প্ৰসাৰণ ঘটোৱাৰ লগতে অসমৰ সৈতেও তেখেতৰ আছিল এক অনন্য সম্পৰ্ক। এইগৰাকী মহান ব্যক্তিৰ উদ্যোগত মৰিগাঁও জিলাৰ জাগীৰোডত সাতাইশ হাজাৰ (২৭,০০০) কোটি টকা বিনিয়োগেৰে প্ৰতিষ্ঠিত হোৱা ছেমি কণ্ডাক্টৰ প্ৰকল্পই আমাৰ ৰাজ্যখনক বিশ্বৰ আধুনিক উদ্যোগ জগতৰ মানচিত্ৰত এক সুকীয়া স্থান প্ৰদান কৰিলে। তেখেতৰ বদন্যতাত অসমত কেইবাখনো অত্যাধুনিক কেন্সাৰ হস্পিতালে প্ৰতিষ্ঠা লাভ কৰিলে । আমাৰ ৰাজ্যখনৰ সমাজ জীৱনলৈ ৰতন টাটা ডাঙৰীয়াৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব।

৪৫ বছৰীয়া সপ্ৰতিভ উদ্যমতাৰে টাটা নেতৃত্বাধীন প্ৰতিষ্ঠানসমূহক সন্মুখৰ পৰা নেতৃত্ব দি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰি ভাৰতবৰ্ষক আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত এক উদ্যোগপ্ৰধান তথা ব্যৱসায়িকভাৱে সমৃদ্ধিশালী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠিত কৰোৱাত টাটা ডাঙৰীয়াই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। দেশ ঘাইকৈ আমাৰ ৰাজ্যখনলৈ আগবঢ়োৱা উল্লেখনীয় বৰঙণিৰ স্বীকৃতিস্বৰূপে অসম চৰকাৰে ৰতন টাটা ডাঙৰীয়াক ২০২৩ বৰ্ষত ৰাজ্যৰ শ্ৰেষ্ঠ অসামৰিক সন্মান 'অসম বৈভৱ'ৰে সন্মানিত কৰিছিল ।

এইগৰাকী প্ৰসিদ্ধ উদ্যোগপতি তথা ভাৰত মাতৃৰ সুযোগ্য সন্তানৰ বিয়োগত দেশখনৰ ঘাইকৈ ভাৰতীয় উদ্যোগ প্ৰতিষ্ঠানৰ ক্ষেত্ৰখনত এক পূৰাব নোৱাৰা ক্ষতি হ'ল ।

**ইয়াৰ লগতে দেশ তথা ৰাজ্যখনলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভালে কেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটিছে। তেখেত সকল হ'ল ক্ৰমে** ----------

প্ৰবীণ মুক্তিযোদ্ধা ক্ৰমে — **সত্যলতা গগৈ** আৰু **খগেন্দ্ৰ নাথ তালুকদাৰ**

কাৰ্বি আংলং স্বায়ত্ত্ব শাসিত পৰিষদৰ উপাধ্যক্ষ — **অজিত কুমাৰ দে'**

চিংফৌ ৰজা — **বিচা লাড নং চিংফৌ**

অৱসৰপ্ৰাপ্ত আৰক্ষী সঞ্চালকপ্ৰধান তথা বিশিষ্ট লেখক — **নিশিনাথ চাংকাকতি**

প্ৰখ্যাত শিল্পী তথা বিশিষ্ট সমাজকৰ্মী — **সূৰ্য দাস**

বিশিষ্ট গণিতজ্ঞ — **ড° বুদ্ধ প্ৰসাদ চেতিয়া**

বিশিষ্ট ভূ-বিজ্ঞানী — **ড° গকুলেশ্বৰ গোস্বামী**

বিশিষ্ট বিজ্ঞানী — **ড° গৌৰাংগধৰ বৰুৱা**

বিশিষ্ট চাহ বিজ্ঞানী — **তৰুণ চন্দ্ৰ বৰুৱা**

তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য তথা বিশিষ্ট বিজ্ঞানী — **মিহিৰকান্তী চৌধুৰী**

কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ — **ড° অনিল গোস্বামী**

বিশিষ্ট চলচ্চিত্ৰ পৰিচালক, প্ৰযোজক — **সমৰেন্দ্ৰ নাৰায়ণ দেৱ**

বিশিষ্টা কবি, সমালোচক — **মীৰা ঠাকুৰ**

বিশিষ্ট অভিনেতা, ছবি পৰিচালক — **কুলদা কুমাৰ ভট্টাচাৰ্য**

আছাম ট্ৰিবিউন কাকতৰ সঞ্চালক — **সুৰজিৎ গোবিন্দ বৰুৱা**
অসমীয়া বোলছবি জগতৰ প্ৰবীণ অভিনেত্ৰী — **জ্ঞানদা কাকতি**
বিশিষ্ট সংগীত পৰিচালক — **মাণিক বৰা**
বিশিষ্ট সাহিত্যিক ও সমাজকৰ্মী — **সতীশ চন্দ্ৰ চৌধুৰী**
বিশিষ্ট উদ্যোগপতি, চলচ্চিত্ৰ নিৰ্মাতা —**পৰাণ বৰবৰুৱা**
বিশিষ্ট সাহিত্যিক — **শশী ফুকন**
প্ৰসিদ্ধ সাহিত্য সমালোচক — **উপেন্দ্ৰনাথ শৰ্মা**
প্ৰসিদ্ধ প্ৰাচ্যতত্ববিদ তথা সংস্কৃত পণ্ডিত — **ড° অশোক কুমাৰ গোস্বামী**
বিশিষ্ট শিক্ষাবিদ তথা প্ৰসিদ্ধ সংস্কৃত পণ্ডিত — **তিলক চন্দ্ৰ শাস্ত্ৰী**
বিশিষ্টা কণ্ঠশিল্পী — **বীনা ভাগৱতী**

অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পবিত্ৰ মজিয়াত বৰেণ্য ব্যক্তিসকলৰ বিয়োগত শোক প্ৰকাশ কৰিছো ।

প্ৰয়াত লোক সকলৰ বিদেহ আত্মাৰ সদ্গতি তথা চিৰশান্তিকামনা কৰি থিয় হৈ ক্ষন্তেক সময় মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালো ।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা অনুৰোধ কৰিব খুজিছো যে সন্মানীয় বিধায়ক শ্ৰী ভাস্কৰ বৰুৱাৰ মাতৃৰ বিয়োগ, কুম্ভমেলালৈ যোৱা অসমৰ নীতিৰঞ্জন ৰায় নামৰ ব্যক্তিজন দিল্লীত এক দুৰ্ঘটনাত মৃত্যু হৈছিল আৰু অসমৰ এজন গণশিল্পী ৰাজীৱ শদিয়াৰ বিয়োগ, এই তিনিগৰাকীৰ বিয়োগৰ বিষয়টো অসম বিধান সভাৰ মৃত্যু প্ৰসঙ্গত আনিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, আপুনি লিখিত দিব, বিষয়টো অনা হ'ব।

(ইয়াৰ পিছত প্ৰায়ত লোক সকলৰ বিদেহ আত্মাৰ সদ্গতি তথা চিৰশান্তি কামনা কৰি সদনত ১মিনিট সময় সকলোৱে থিয় হয়)

**( শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ অসম বিধান সভাৰ সচিব ডাঙৰীয়াই এই শোক প্ৰস্তাৱৰ প্ৰতিলিপি প্ৰেৰণ কৰিব )**

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্যসকল, এইখিনিতে মই বিগত কিছুদিনত দেশ তথা ৰাজ্যক গৌৰৱান্বিত কৰা কিছু প্ৰসঙ্গ উল্লেখ কৰিব বিচাৰিছোঁ।

মাননীয় সদস্যসকল অৱগত যে ২০২৪ চনৰ ৩ অক্টোবৰ তাৰিখে প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে অসমীয়া ভাষাৰ লগতে দেশখনৰ সৰ্বমুঠ পাঁচটা ভাষাক নতুনকৈ 'ধ্ৰুপদী ভাষা'ৰ স্বীকৃতি প্ৰদান কৰা সন্দৰ্ভত চূড়ান্ত অনুমোদন প্ৰদান কৰে। এই স্বীকৃতি আমাৰ প্ৰাচীনতম সমৃদ্ধ সাহিত্য আৰু ঐতিহ্যৰ যথোপযুক্ত স্বীকৃতি যিটোৱে আমাৰ ভাষাটোক বিশ্ব দৰবাৰত সগৌৰৱেৰে প্ৰতিষ্ঠিত কৰিলে।

ধ্ৰুপদী ভাষাৰ পটভূমি বিচাৰ কৰিলে দেখা যায় যে ভাৰত চৰকাৰে ২০০৪ বৰ্ষত প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষত 'ধ্ৰুপদী ভাষা'ৰ স্বীকৃতি প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল । বৰ্তমান সময়ত ১৫০০ৰ পৰা ২০০০ বছৰীয়া ঐতিহাসিক সমলৰ অৱস্থিতি; লিখিত তথ্য আৰু পুৰুষাণুক্ৰমে চলি অহা ভাষাটোৰ ওপৰত ইয়াৰ প্ৰভাৱ; ভাষাটোৰ স্বকীয়তা তথা অক্ষুণ্ণ ধাৰাবাহিকতা ৰক্ষাৰ স্বাক্ষৰ আদিৰ দৰে কেইবাটাও কঠিন চৰ্ত পূৰণ কৰাৰ অন্ততহে এটা ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰে । ২০০৪ খ্ৰীষ্টাব্দৰ পৰা আজিপৰ্যন্ত সৰ্বমুঠ ১১ টা ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰিছে

। সাহিত্য অকাডেমীৰ অন্তৰ্গত ভাষা বিশেষজ্ঞ সমিতিৰ এটা দলে এই কঠিনতম চৰ্তসমূহৰ পূৰ্ণতা সূক্ষ্মভাৱে নিৰীক্ষণ কৰি এটা ভাষাক ধ্ৰুপদী ভাষা হিচাপে মান্যতা দিয়াৰ পোষকতা কৰে ।

অসমীয়া ভাষাৰ ডেৰ হাজাৰ বছৰৰো অধিক পুৰণি ঐতিহ্য আছে । প্ৰথিতযশা সাহিত্যিক, বুৰঞ্জীবিদ ড° সত্যেন্দ্ৰনাথ নাথ শৰ্মা ডাঙৰীয়াই তেখেতৰ গ্ৰন্থ ‘অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত’ শীৰ্ষক গ্ৰন্থত প্ৰায় ১৫০০ বছৰ আগতেই অৰ্থাৎ ষষ্ঠ-সপ্তম শতিকাত অসমীয়া ভাষাই স্বকীয়তা লাভ কৰা বুলি অতি যুক্তিনিষ্ঠাৰে বলিষ্ঠভাৱে উল্লেখ কৰি থৈ গৈছে । পঞ্চম শতিকাতে অসমীয়া ভাষাৰ অস্তিত্বতাৰ চানেকি দাঙি ধৰি লিপিবদ্ধ হোৱা নগাজুৰি খনিকৰ গাঁও শিলালিপি, উমাচল শিলালিপি আদিৰ শিলালেখ সমূহে অসমীয়া ভাষাৰ ডেৰ সহস্ৰাধিক পৰিক্ৰমাৰ স্থিতি স্পষ্ট কৰে । চতুৰ্দশ-পঞ্চদশ শতিকাতে মাধৱ কন্দলী ডাঙৰীয়াই অসমীয়ালৈ অনুবাদ কৰা ‘সপ্তকাণ্ড ৰামায়ণ’ ভাৰতীয় সভ্যতাৰ প্ৰথমখন প্ৰান্তীয় ভাষালৈ অনুবাদিত ৰামায়ণ হিচাপে বিবেচনা কৰা হয় আৰু ইয়াৰ জৰিয়তে অসমীয়া ভাষাৰ এক স্বতন্ত্ৰ আৰু উচ্চ পৰ্য্যায়ৰ সাহিত্যৰ ধাৰা প্ৰতিষ্ঠিত হয় ।

অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ ধাৰা অক্ষুণ্ণ ৰাখি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰসাৰৰ আহিলাৰে ভাষাটোৰ সাংস্কৃতিক তথা সাহিত্যৰ বিকাশৰ দিশত এক চিৰযুগমীয়া অৱদান আগবঢ়ায় । মহাপুৰুষজনাই ভক্তিৰসৰ ধাৰা নিগৰাই অসমীয়া আৰু ব্ৰজাৱলী ভাষাৰ সংমিশ্ৰণেৰে সৃষ্টি কৰা ৰচনাসমূহে ভাষাটোৰ স্বকীয়তাৰ দিশত এক নতুন মাত্ৰা প্ৰদান কৰে । মহাপুৰুষ শংকৰদেৱৰ পৰৱৰ্তী কালছোৱাত ভট্টদেৱে গদ্যত লিখা কথা-ভাগৱত, কথা গীতা আৰু কথা-ৰত্নাৱলীয়ে অসমীয়া ভাষাত গদ্য সাহিত্যক প্ৰতিষ্ঠা কৰাৰ লগতে অসমীয়া ভাষাক উচ্চ আসনত প্ৰতিষ্ঠিত কৰে ।

এনে এক গৌৰৱময়ী ভাষাটোও ভাৰতবৰ্ষত ঔপনিবেশিক শাসনৰ সময়ত এক ভয়াবহ অস্তিত্বৰ সংকটৰ সন্মুখীন হৈছিল । অৱশ্যে চিৰনমস্য অসম সন্তান হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন আদিৰ অবিৰত প্ৰচেষ্টাত অসমীয়া ভাষা সংকটৰ গৰাহৰ পৰা উদ্ধাৰ হ’ল আৰু ‘অৰুণোদয়’ যুগৰ সূচনা হ’ল । অসমীয়া ভাষাৰ প্ৰতিকুলতাৰ জোৱাৰ নেওচি অসমী আইৰ সু-সন্তান সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আদিৰ দৰে চিৰস্মৰণীয় ব্যক্তিৰ প্ৰচেষ্টাত অসমীয়া ভাষাই পুনৰ্জীৱন লাভ কৰে । ‘জোনাকী’ আলোচনী প্ৰকাশৰ যোগেদি তেখেতসকলে ভাষাটোক এক সুকীয়া মাত্ৰা প্ৰদান কৰি ইয়াৰ প্ৰচাৰ, প্ৰসাৰ তথা উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰে। এইসকল মহান ব্যক্তিৰ অপৰিসীম প্ৰচেষ্টা তথা ত্যাগ চিৰস্মৰণীয় হৈ ৰ’ব । ‘অৰুণোদয়’ আৰু ‘জোনাকী’ যুগৰ পৃষ্ঠপোষকসকলৰ লগতে ‘বাঁহী’, ‘আৱাহন’ আৰু ‘ৰামধেনু’ যুগৰ অসমীয়া ভাষা-সাহিত্যৰ পুৰোধা সকলৰ ত্যাগ আৰু বৰঙণিৰ কথা অসমীয়া ভাষাৰ এই সোণসেৰীয়া ক্ষণত শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ ।

‘ধ্ৰুপদী ভাষা’ৰ এই মান্যতাই আমাৰ জাতীয় সত্বা, সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব । এই স্বীকৃতিয়ে অসমীয়া ভাষাৰ অধ্যয়ন, গৱেষণা আৰু প্ৰচাৰৰ ক্ষেত্ৰখনত নতুন সুযোগ সৃষ্টি কৰিব । বিশ্ববিদ্যালয়সমূহত অসমীয়া ভাষাৰ ক্লাচিকেল বিভাগ স্থাপন, ভাষাটোৰ সংৰক্ষণ আৰু বিকাশৰ বাবে বিশেষ চৰকাৰী সুবিধা, অনুদান আদি লাভ কৰাৰ সম্ভাৱনীয়তা উজ্জ্বল কৰি তুলিলে । আমি আশাবাদী, এই সুযোগ-সুবিধাসমূহে আমাৰ মাতৃভাষাৰ গৌৰৱ আৰু ঐতিহ্য সংৰক্ষণৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব ।

সন্মানীয় সদন, অসমীয়া ভাষালৈ ‘ধ্ৰুপদী ভাষা’ৰ স্বীকৃতিয়ে মাতৃভাষাটোৰ গৌৰৱ বৃদ্ধি

কৰিছে যদিও তাৰ সমান্তৰালকৈ আমাৰ দায়িত্বও যথেষ্টখিনি বৃদ্ধি পাইছে ।

মই নিশ্চিত যে আমাৰ প্রজন্মই অসমীয়া ভাষাৰ উত্তৰণৰ দিশত অধিক মনোনিৱেশ কৰি পাঠ্যপুথিৰ বিকাশ, নতুন সাহিত্য সৃষ্টিৰ উদ্যোগ, গৱেষণা, ডিজিটেল প্লেটফৰ্ম ইত্যাদিৰ জৰিয়তে ভাষাটোক বিশ্ব দৰবাৰত ঐতিহ্যমণ্ডিত ভাষা হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত যুগান্তকাৰী ভূমিকা পালন কৰিব ।

অসমীয়া ভাষাৰ মৰ্যাদাপ্ৰাপ্তিৰ এই দীৰ্ঘকালীন যাত্ৰাত যিসকল ব্যক্তি তথা অনুষ্ঠানে নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়ালে তেখেতসকলৰ প্ৰতি আমি কৃতজ্ঞতা তথা শ্ৰদ্ধা নিবেদিছোঁ । এই ঐতিহাসিক মান্যতাৰ বাবে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু কেন্দ্ৰীয় মন্ত্ৰী পৰিষদলৈ আমাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ । লগতে, এইক্ষেত্ৰত বিশেষ উদ্যোগ লোৱা অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দীৰ্ঘদিনীয়া আশাশুধীয়া প্ৰচেষ্টাৰ বাবে আমি তেখেতৰ প্ৰতি বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

মাননীয় সদস্যসকল, নৱবৰ্ষৰ আৰম্ভণিতে অসমৰ পাঁচগৰাকীকৈ সুযোগ্য সন্তানে ৰাজ্যখনক গৌৰৱান্বিত কৰিলে । সত্ৰীয়া সংস্কৃতিৰ সাধক, নৃত্যাচাৰ্য্য শ্ৰী যতীন গোস্বামী ডাঙৰীয়া 'পদ্মভূষণ' সন্মানেৰে বিভূষিত হ'ল । সত্ৰীয়া নৃত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাত গোস্বামীদেৱৰ অপৰিসীম ভূমিকা আছে । গোস্বামী ডাঙৰীয়াক অসম বিধান সভাৰ হৈ আমাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ । ইয়াৰ লগতে আন চাৰিগৰাকীকৈ সুযোগ্য অসম সন্তান ক্ৰমে ডিমাচা লোক সংস্কৃতিৰ সাধক জয়নাচৰণ বাথাৰী; বিশিষ্ট শিক্ষাবিদ তথা বড়ো লোক-সাহিত্যৰ গৱেষক শ্ৰী অনিল কুমাৰ বড়ো; বিশিষ্টা শিক্ষাবিদ, অসমীয়া তথা নেপালী ভাষাৰ বৰ্ষীয়ান সাহিত্যিক শ্ৰীমতী গীতা উপাধ্যায় আৰু সত্ৰীয়া সংস্কৃতিৰ সাধক, মুখাশিল্পৰ সংৰক্ষক শ্ৰী হেৰকান্ত মহন্ত ডাঙৰীয়া 'পদ্মশ্ৰী' সন্মানেৰে সন্মানিত হয় । এইকেইগৰাকী বৰেণ্য ব্যক্তিলৈ অসম বিধান সভাৰ ফালৰ পৰা মই অভিনন্দন জ্ঞাপন কৰিলোঁ ।

মাননীয় সদন, আমি গৌৰৱান্বিত যে অসমৰ তিনিগৰাকীকৈ বিশিষ্ট লেখকলৈ 'সাহিত্য অকাডেমী' বঁটা আগবঢ়োৱা হৈছে । বিশিষ্ট কবি শ্ৰী সমীৰ তাঁতী ডাঙৰীয়াক তেখেতৰ কবিতা সংকলন 'ফৰিংবোৰে বাটৰ কথা জানে'ৰ বাবে, শ্ৰী অৰণ ৰাজাক বড়ো ভাষাৰ উপন্যাস 'স্বৰ্ণি থাখাই'ৰ বাবে আৰু ড° দীপক কুমাৰ শৰ্মাক তেখেতৰ সংস্কৃত ভাষাৰ কাব্যগ্ৰন্থ 'ভাস্কৰ চৰিতম্'ৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে । অসম বিধান সভাৰ হৈ মই তিনিওগৰাকী অসম সন্তানলৈ অভিনন্দন জ্ঞাপন কৰিলোঁ ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম লোক সেৱা আয়োগে অনুষ্ঠিত কৰা সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা CCE-2013 [Vol-I] আৰু সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা CCE-2014 [Vol-I] ৰ লগত জড়িত অভিযোগ আৰু দুৰ্নীতিৰ সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ (অৱসৰপ্ৰাপ্ত) শ্ৰী বি. কে. শৰ্মাৰ নেতৃত্বত গঠিত এজনীয়া তদন্ত আয়োগৰ দুখন প্ৰতিবেদন দাখিল কৰা হৈছে ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং -৫

## কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন

**১৭ ফেব্ৰুৱাৰী , ২০২৫**

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম **২৩০** ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক নতুন বিধান সভা ভৱনৰ অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভাকক্ষত যোৱা **১৮** জানুৱাৰী, **২০২৫** তাৰিখে আবেলি ৪ঃ০০ বজাত অনুষ্ঠিত কৰা হয় আৰু বৈঠকত আজি **১৭ ফেব্ৰুৱাৰী, ২০২৫** তাৰিখৰ পৰা আৰম্ভ হোৱা অসম বিধান সভাৰ বাজেট অধিবেশনৰ দিনপঞ্জীখন আৰু বিধান সভাৰ বাজেট অধিবেশনৰ প্ৰশ্নসমূহৰ বাবে বিভিন্ন বিভাগৰ দিনসমূহৰ ক্ৰমানুসাৰ আৱণ্টনৰ লগতে বেলটৰ তাৰিখ, প্ৰশ্ন সমূহৰ জাননী পোৱাৰ শেষ তাৰিখ দেখুওৱা তালিকাখনো সমিতিয়ে পুংখানুপুংখভাবে চালিজাৰি চোৱাৰ অন্তত সৰ্বসন্মতিক্ৰমে অনুমোদন জনায় ।

অধিবেশনৰ মুঠ **২২** দিনীয়া কাৰ্য্যসূচীৰ ভিতৰত দুদিন বে-চৰকাৰী সদস্যৰ কাৰ্য্যসূচী (৪ আৰু ৭ মাৰ্চ, ২০২৫ ) **১২** দিন চৰকাৰী কাৰ্য্যসূচী আৰু **৮** দিন বিভাগীয় ভাবে সম্পৰ্কীয় স্থায়ী সমিতি সমূহৰ বৈঠকৰ বাবে নিৰ্দ্ধাৰণ কৰা হয় ।

সভাই আজি **১৭** ফেব্ৰুৱাৰী, **২০২৫** তাৰিখে অধ্যক্ষৰ উদ্যোগ শিতানৰ অধীনত "ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চল সমূহৰ আৰ্থ-সামাজিক আৰু সামগ্ৰিক উন্নয়ন" সম্পৰ্কত আলোচনা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয় আৰু **১৯** ফেব্ৰুৱাৰী, **২০২৫** তাৰিখৰ পৰা দিশপুৰস্থিত নতুন অসম বিধান সভা ভৱনত অধিবেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয় ।

সভাই অহা **১৯** ফেব্ৰুৱাৰী, **২০২৫** তাৰিখে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত আলোচনা আৰু **২০** ফেব্ৰুৱাৰী, **২০২৫** তাৰিখৰ আলোচনাৰ অন্তত মুখ্যমন্ত্ৰীয়ে উত্তৰ দিয়াৰ সিদ্ধান্ত লয় । ৰাজ্যপালৰ ভাষণৰ ওপৰত সংশোধনী প্ৰস্তাৱ গ্ৰহণ কৰাৰ ক্ষেত্ৰত কিছু সালসলনি কৰা হৈছে সেয়েহে সংশোধনী প্ৰস্তাৱ দাখিল কৰাৰ বা বে মাননীয় সদস্য /সদস্যা সকলৰ মাজত এখন আৰ্হি/নমুনা বিতৰণ কৰা হৈছে ।

সভাই **২০** ফেব্ৰুৱাৰী, **২০২৫** তাৰিখ **২০২৪-২০২৫** চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ ওপৰত ভোটদান আৰু আলোচনাৰ উপৰিও মঞ্জুৰী সমূহৰ বাকী থকা পৰিপূৰক দাবী সমূহ সদনত ভোটদানৰ বাবে দাখিল কৰা তথা **২০২৫** বৰ্ষৰ অসম বিনিয়োজন (নং - **I**) বিধেয়কখন উপস্থাপন, বিবেচনা আৰু পাৰিত কৰাৰ সিদ্ধান্ত লয় ।

সভাত **১০** মাৰ্চ, **২০২৫** তাৰিখে অসম চৰকাৰৰ **২০২৫-২০২৬** বৰ্ষৰ বাৰ্ষিক বিত্তীয় প্ৰ-বিৱৰণি (প্ৰাক্কলিত বাজেট) উত্থাপন কৰিব আৰু বাজেটৰ ওপৰত **১১** মাৰ্চ তাৰিখে সাধাৰণ আলোচনা আৰু **১২** মাৰ্চ, **২০২৫** তাৰিখে অধিক আলোচনা কৰিবলৈ সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে আৰু **১৩** মাৰ্চৰ পৰা **২০** মাৰ্চ, **২০২৫** তাৰিখলৈ বিভাগীয় ভাৱে সম্পৰ্কীয় স্থায়ী সমিতি সমূহৰ বৈঠকৰ বাবে সদন স্থগিত ৰখাৰ লগতে সমিতি সমূহৰ বৈঠকৰ প্ৰতিবেদন সমূহ **২১** মাৰ্চ, **২০২৫**তাৰিখে সদনত দাখিল কৰাৰ সিদ্ধান্ত লয় । সভাত **২৪** মাৰ্চ, **২০২৫** তাৰিখে দাবী মঞ্জুৰী সমূহৰ ওপৰত আলোচনা আৰু ভোটদানৰ উপৰিও **২০২৫-২০২৬** বৰ্ষৰ মঞ্জুৰী সমূহৰ বাকী থকা দাবী সমূহ সদনত ভোটদানৰ বাবে দাখিল কৰাৰ সিদ্ধান্ত লয় তথা **২০২৫** বৰ্ষৰ অসম বিনিয়োজন বিধেয়ক ( নং - **II**) খন উপস্থাপন, বিবেচনা আৰু পাৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় ।

অধিবেশনৰ কৰ্মদিন বঢ়োৱা সম্পৰ্কত আজি অনুষ্ঠিত হ'বলগীয়া কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব ।

ইতিমধ্যে চলিত বাজেট অধিবেশনৰ দিনপঞ্জীখন সদনৰ মাননীয় সকলো সদস্য/সদস্যাৰ মাজত বিতৰণ কৰা হৈছে ।

আশাকৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওগ** (মন্ত্ৰী, বিত্ত ইত্যাদি) য়ে **২০২৪-২০২৫** বৰ্ষৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজন সমূহ দাখিল কৰিব ।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই **২০২৪-২০২৫** বৰ্ষৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজন সমূহ সদনত উপস্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং -**৭** । আজি আমি অধ্যক্ষৰ উদ্যোগ শিতানত অসমত ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চল সমূহত আৰ্থ-সামাজিক আৰু সামগ্ৰিক উন্নয়ণৰ কাৰণে যিটো আলোচনা হৈছে সেইটোৰ বিষয়ে আলোচনা কৰিম। প্ৰথমতে লৰেঞ্চ ইছলাৰী ডাঙৰীয়া ।

**শ্ৰী লৰেঞ্চ ইছলাৰী, (পশ্চিম কোকৰাঝাৰ) ঃ** -मानगोनां आसाम आयेन आफादनि गेदेमा बुथिगिरि गिबियाबनो आं नोंथांखौ बे समाब साबायखर बावो आसाम आयेन आफादनि जारिमिनाव बेयो गिबि दिनै आसाम आयेन आफादनि जे जथुमा बे जथुमाखौ आसाम आयेन आफादनि जाफ्लेबाय थाग्रा दिसपुरनिफ्रायवायहेरायाव लाबोनानै खुंनाय जे जथुमा दिनै बि.टि.आर. नि जे एसेमब्लि कक्राक्षाराव बे जथुमाखौ खुंफैनायनि थाखाय गिबियावनो आं नोंथांखौ साबायखर बावो। बि.टि.आर. ओनसोल एबा 6th Schedule नि नोगोरारि हिसाबै आं नोंथांखौ साबायखर बावो। लोगोसे आसामनि मानगोनां गिबि मन्थ्रि मानिजाथाव Dr. Himanta Biswa Sarma बिथांखौबो आं समाव साबायखर बावो आरो आसाम सरखारखौ बे बादि हाबाफारि लानायनि थाखाय, मानगोनां बुंथिगिरि (অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই আপোনাক ধন্যবাদ জনাইছো যে, অসম বিধান সভাৰ ইতিহাসত এইটো প্ৰথম। আজি অসম বিধান সভাৰ এই অধিবেশনখন অসম বিধান সভা দিছপুৰৰ বাহিৰত প্ৰথমবাৰৰ বাবে কোকৰাঝাৰত থকা বিটিআৰ বিধান সভাত আয়োজন কৰাৰ বাবে মই আপোনক ধন্যবাদ জনাইছো। বিটিআৰ অঞ্চল বা ষষ্ঠ অনুসূচীৰ নাগৰিক হিচাপে মই আপোনাক ধন্যবাদ জনাইছো। মই এই উপলক্ষে অসমৰ মুখ্যমন্ত্ৰী মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জনাইছো আৰু অসম চৰকাৰক এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে মাননীয় অধ্যক্ষ মহোদয়)

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য আমাৰ ইয়াত আজি টেকনিকেল প্ৰব্লেম আছে, ইন্টাৰপ্ৰিটাৰ নাই গতিকে আপুন অসমীয়াত ক'লে ভাল হ'ব ।

**শ্ৰী লৰেঞ্চ ইছলাৰী, (পশ্চিম কোকৰাঝাৰ) ঃ** - আজি আমাৰ বাজেট অধিবেশন ইয়াত আৰম্ভ হৈছে আৰু কিছু কথা বড়োত ক'বলৈ পাই সুখী অনুভৱ কৰিছো।

**এই** Speaker Initiative **ত আপুনি যিটো বিষয় আলোচনা কৰাৰ বাবে সুযোগ দিলে মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। অসমৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চল সমূহৰ আৰ্থ-সামাজিক আৰু সামগ্ৰিক যি উন্নয়ণ এই বিষয়ে আজি সদনত মুকলিকৈ আলোচনা কৰাৰ কাৰণে যি কাৰ্য্যসূচী লোৱা হ'ল তাৰবাবে সচাঁকৈ ধন্যবাদ জ্ঞাপন কৰিছো।** Sixth Schedule **ৰ** develop-

ment ৰ কথা ক'বলৈ যাওঁতে কিছু কথা মই কৈ ল'ব বিচাৰিছো। কেনেকৈ আমাৰ অসমত বা North East ত Sixth Schedule আৰম্ভ হ'ল, সেই কিছু কথা মই সদনত ক'ব বিচাৰিছো। ১৯২৯ চনত শ্ৰী মত গুৰুদেৱ কালিচৰণ ব্ৰহ্মই বৃটীছৰ সময়তে ১৯২৯ চনত চাইমন কমিচিনক লগ কৰিছিল স্বাধীনতাৰ আগত শ্বিলঙত আৰু সেই সময়ত তেখেতে memorandum submit কৰিছিল। তেখেতে সেই সময়ত দাবী জনাইছিল যে সেই সময়ত undivided গোৱালপাৰা জিলাত আৰু বেঙ্গল province ৰ কোচবিহাৰ, তাত থকা যি বড়ো সকলৰ পৃথককৈ census কৰিব লাগে বুলি তেতিয়াই সেই চাইমন কমিচনক লগ কৰি শ্বিলঙত memorandum আৰম্ভ কৰিছিল আৰু তাত কোৱা হৈছিল যে seperate representatives of the local bodies, যেনেকুৱা আজি বিভিন্ন নিকায় নিগম বিলাককো বিভিন্ন সুযোগ সুবিধা দিয়া হয়। সেই সময়ত তেখেতে অনুভৱ কৰিছিল যে local bodies বিলাকো আমাৰ মানুহ বিলাকক যাতে তাত represent কৰা হয়।

সেই দাবীটো তেখেতে সেই সময়ত উত্থাপন কৰিছিল। ইয়াৰ পিছত যদি চোৱা যায় ১৯৩৩ চনত ভীমবৰ দেউৰী তেখেত সকলৰ নেতৃত্বত ১৯৩৩ চনত সেই সময়ত Tribal League অসম ভৈয়াম ট্ৰাইবেল লীগৰ জন্ম হৈছিল। ট্ৰাইবেল সকলৰ অধিকাৰৰ কাৰণে কথা কোৱা হৈছিল ট্ৰাইবেল সকলৰ বিভিন্ন সমস্যাক লৈ ভীমবৰ দেউৰী ডাঙৰীয়া সকলৰ নেতৃত্বত তেওঁ একেৰাহে ১৩ বাৰ Tribal League তসাধাৰণ সম্পাদক হৈছিল। অসমত থকা বিভিন্ন ট্ৰাইবেল সকলৰ বিভিন্ন সমস্যা বিলাক লৈ সেই সময়তো তেনেকুৱা ধৰণৰ কিছু সংগ্ৰাম তেনেকুৱা দাবী আমি দেখিবলৈ পাওঁ।

ইয়াৰ পিছত আমি সকলোৱে জানো যে ১৯৪৬ চনৰ পিছত যেতিয়া সংবিধান ঘোষণা কৰা হয়, drafting কৰা হয়, সেই সময়ত অসমৰ সন্মানীয় লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু তেওঁৰ লগত ৫ জন সদস্যক লৈ Ciatus Sub-Committee গঠন কৰা হৈছিল আৰু Sub-Committee য়ে ৰিপোৰ্ট দাখিল কৰাৰ পাছত ১৯৪৯ চনত এই কথাটো লৈ তৰ্ক বিতৰ্ক হৈছিল আৰু ১৯৪৯ চনত ২৬ নৱেম্বৰত এইটো আইনত পৰিণত হ'ল আৰু ইয়াৰ পাছত মই দেখিবলৈ পাওঁ ১৯৫০ চনৰ পৰা আমাৰ North East ত Sixth Schedule Council বনোৱাই দিয়া হৈছিল, যেনেকৈ আমাৰ অসমত কাৰ্বি আংলঙৰ কথা আমি জানো, ডিমা হাচাও সেই সময়ৰ নৰ্থ কাচাৰ জিলা সেই দুটা জিলাত কাউন্সিল বানোৱাই দিয়া হৈছিল। ইয়াৰ পাছত আমি দেখিবলৈ পাওঁ যে Plains Tribal Council of Assam (PTCA) ১৯৬৭ চনৰ পৰা অসমত থকা ভৈয়াম জনজাতি সকলক লৈ Plains Tribal Council of Assam গঠন কৰি উদয় অচলৰ ডিমাণ্ড দিয়া হৈছিল। অকল ইয়াত এটা জনগোষ্ঠীয়ে নাছিল বিভিন্ন পাহাৰ ভৈয়ামত থকা যিবিলাক জনজাতি আছিল সেই জনজাতি সকলক লৈ PTCA সেই দাবীটো উত্থাপন কৰিছে।

তাৰ পিছত দেখা যায় অসম আন্দোলন হ'ল, অসম চুক্তি হ'ল সেই অসম চুক্তি হোৱাৰ পিছত হয়তো আমাৰ জনজাতি সকলৰ মাজত ক'ৰবাত নহয় ক'ৰবাত দুখ থাকি গ'ল, ভোক থাকি গ'ল। অসম চুক্তিৰ পিছত আমি দেখিবলৈ পাওঁ অসমত আমাৰ বিভিন্ন জনজাতি সংগঠনবিলাক ছাত্ৰ সংগঠনে হওক বা বিভিন্ন সংগঠনে হওক অসম চুক্তিৰ পিছত আন্দোলন কৰিবলৈ বাধ্য হোৱাৰ নিচিনা পৰিৱেশ সৃষ্টি হৈছিল। যাৰফলত নিখিল বড়ো ছাত্ৰ সন্থাই ১৯৮৭ চনৰ পৰা Divide Assam fifty-fifty's slogan ৰে সোনকোচৰ পৰা শদিয়ালৈ বড়োলেণ্ডৰ ৰাজ্যৰ আন্দোলন কৰিলে। এই কথাবিলাক আমি সকলোৱে জানো। আজিৰ কথাত কিছু কথা মই টানি আনিব

বিচাৰিছো ইতিহাসৰ, কেনেকৈ BTC হ'ল, কেনেকৈ Sixth Schedule হ'ল, কেনেকৈ BTR হ'ল, এই কথাবিলাক ক'বলৈ যাওঁতে কিছু কথা মই ইতিহাসৰ পৰা আনি সদনত ক'ব বিচাৰিছো।

সন্মানীয় অধ্যক্ষ মহোদয়, আমি এই কথাবিলাক সকলোৱে জানো যে বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নেতৃত্বত নিখিল বড়ো ছাত্ৰ সন্থাই বিভিন্ন বড়োলেণ্ডৰ আন্দোলন কৰিলে। বডোফাৰ মৃত্যুৰ পিছত সেই নেতৃত্বৰ বেলেগকৈ দায়িত্ব ল'লে তাৰ পিছত এটা চুক্তি হ'ল ১৯৯৩ চনত Bodoland Autonomous Council(BAC)State ৰ under ত আছিল BAC চুক্তিটো। কিন্তু এই BAC চুক্তিটো unconstitutional, Safe-guard নথকা, ৰক্ষা কবচ নথকা কাৰণে সেই সময়ত নিখিল বড়ো ছাত্ৰ সন্থাই সেইটো reject কৰাৰ পিছত পুনৰ এটা আন্দোলন হ'ল। ৰক্ষা কবচ বিচাৰিছিল , যেনেকৈ আজি আমি শুনিবলৈ পাই আছো। বিভিন্ন আমাৰ Autonomous Council বিলাকেও কৈ আছে যে আমাক constitutional, Safe-guard লাগে, নাম ক'লে হয়তো বেয়া নহ'ব চাগে। আজি আমাৰ মিছিং Autonomous Council, ৰাভা Autonomous Council বিভিন্ন Autonomous Council বিলাকেও কৈ আছে যে আমাৰ Council বিলাকত Safe-guard লাগে, constitutional, Safe-guard লাগে, সাংবিধানিক ৰক্ষা কবচ লাগে বুলি তেওঁলোকেও আজি কৈ আছে । সেই কথাটো নিখিল বড়ো ছাত্ৰ সন্থাই ১৯৯৩ চনত এইটো উপলব্ধি হৈছিল BAC চুক্তি কৰাৰ পাছত উপলব্ধি কৰিছিল যে সেইদৰে নহ'ব আমাৰ ট্ৰাইবেল সকলৰ উন্নতি যদি হ'ব লাগে। আমি যদি সাংবিধানিক অধিকাৰ পাব লাগে এই অঞ্চলত বসবাস কৰা লোকসকলৰ উন্নয়ণৰ যদি কাম কৰিব লাগে তেতিয়াহ'লে Autonomous Council State ৰ under Autonomous Council যথেষ্ঠ নহয় আৰু Sixth Schedule লাগিব বুলি এটা অনুভৱ হৈছিল। আন্দোলন হ'ল ইয়াৰ পিছত ২০০৩ চনত BLT ৰ লগত চুক্তি কৰিলে, বহুতো ইয়াত দল-সংগঠন হ'ল। BLT অসম চৰকাৰ, ভাৰত চৰকাৰৰ লগত বুজাপৰাত আহিল আৰু ২০০৩ চনত BTC চুক্তি হ'ল। যি BTC Sixth Schedule কাৰ্বি আংলঙৰ নিচিনাকৈ, ডিমা হাচাওৰ নিচিনাকৈ এটা Sixth Schedule হয়, তথাপিও কিছুমান amendment আছে। আমি সকলোৱে জানো Sixth Schedule ভৈয়ামৰ কাৰণে নাছিল, পাহাৰৰ কাৰণে আছিল। এইটোৰ অলপ amendment কৰি Sixth Schedule টো বনোৱা হ'ল। Sixth Schedule বুলি ক'লে ট্ৰাইবেলবোৰৰ protction ৰ কথা আহে আৰু সেইটোকে লৈ কিছুমানে misintrepetation কৰিব বিচাৰে যে Sixth Schedule মানে অকল Tribal সকলৰ কাৰণে ইয়াত অনা ট্ৰাইবেল বিলাকৰ কাৰণে কোনো ধৰণৰ protction বা ব্যৱস্থা নাই বা কোনো মৌলিক অধিকাৰ নাই, তেনেকুৱা misintrepetation কৰাটো আমি প্ৰায় দেখা পাওঁ আৰু শুনিবলৈ পাওঁ বা এনেকুৱা কথাবোৰ চৰ্চা চলি থাকে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে ভাৰত এটা সংবিধানৰ ভিতৰত এখন ৰাজ্যৰ তলত থকা Sixth Schedule হয়। ইয়াত আমাৰ জনাজাতিসকলক , ট্ৰাইবেল সকলক ইয়াত সম্পূৰ্ণৰূপে protection দিয়া হৈছে, তাৰ এইটো অৰ্থ নহয়, ইয়াৰ misintrepetation হয় য়ে non- tribal বিলাকৰ কাৰণে কোনো সুবিধা নাই, কোনো মাটিৰ protection নাই, এনেকুৱা কথা আমি চৰ্চা কৰা শুনা পাই থাকো কিন্তু বাস্তৱত এইটো নহয়। যিমান Bonafide Citizen আছে, তেওঁবিলাকক অধিকাৰ দিয়া হৈছে।

সন্মানীয় উপাধ্যক্ষ মহোদয়, আমাৰ যি Sixth Schedule, এই Sixth Schedule ৰ all round development যদি হ'ব লাগে, তেতিয়াহ'লে Sixth Schedule council, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত যদি মধুৰ সম্পৰ্ক থাকে, তেতিয়াহ'লেহে Sixth Schedule ৰ all round development সম্ভৱ হয়। যদি এটা Sixth Schedule council ৰাজ্য চৰকাৰৰ লগত ভাল নহয়, কেন্দ্ৰীয় চৰকাৰৰ লগত ভাল সম্পৰ্ক নহয় তেতিয়া ইয়াৰ all round development টো আমি নিশ্চয়কৈ আশা কৰিব নোৱাৰো।

আমি দেখিছো যে ১৯৫০ চনৰ পৰাই আমাৰ কাউন্সিল আছে Sixth Schedule ৰ Chronologically যদি আমি সেইটো study কৰি চাওঁ কাৰ দিনত কি হৈছে, কি হোৱা নাই, কাৰ দিনত কি পাইছে কি পোৱা নাই, এইবিলাক যদি আমি study কৰিবলৈ যাওঁ তেতিয়া এই কথাবিলাক আমি উপলব্ধি নিশ্চয় কৰিব পাৰিম। এই সেই কাউন্সিল বিলাক, Sixth Schedule বিলাক ৰাজ্য চৰকাৰৰ লগত যদি ভাল হয়, কেন্দ্ৰীয় চৰকাৰৰ লগত ভাল নহয়, তেতিয়াহ'লে all round development কৰাটো সম্ভৱ নহয়। আমি ভাগ্যবান বুলি ভাবিছো যে বৰ্তমানৰ অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী হিচাপে পাতিছো, এয়া আমি দেখিছো যে এই চাৰে তিনি বছৰ তেখেতে কোকৰাঝাৰত চাৰিটা নিশা দিন কটাই গৈছিল। অহাটো বহুত বাৰ আহিছে। কিন্তু চাৰি নিশা তেখেতে কোকৰাঝাৰত থাকিব যেতিয়া কাউন্সিল আৰু ৰাজ্য চৰকাৰক মধুৰ এটা সম্পৰ্ক হ'ব তেতিয়া এই কাউন্সিল বিলাক, এই Sixth Schedule বিলাক উন্নতি কৰিব পাৰিম। Sixth Schedule ত transfer subject যেনেকুৱা আমাৰ চুক্তিত ৪০ টা আছিল যদিও ৩৯ টা বিষয় ইয়াত transfer ৰ subject. এটাতো এতিয়ালৈকে দিয়া হোৱা নাই, ৪৫ টা subject Department আমাৰ Transfer Subject. কেতিয়াবা আমি শুনো কাউন্সিলৰ পৰা, যিহেতু কাউন্সিলত Assembly আছে। কাউন্সিলৰ পৰা বিল পাচ কৰি দিয়া হ'ল কিন্তু বিলটো পাচ নহ'ল Governor ৰ অফিচত আছে। এনেকুৱা আমি শুনিবলৈ পাওঁ। কাউন্সিলে নিজাকৈ এটা সিদ্ধান্ত লৈছিল কিন্তু ৰাজ্য চৰকাৰৰ অনুমোদন পোৱা নাই। মই positively কথাটো কৈ আছো। সেইকাৰণে মোৰ কথাটো হ'ল যে এটা Sixth Schedule যদি all round develop হ'ব লাগে তেতিয়াহ'লে ৰাজ্য চৰকাৰ কেন্দ্ৰীয় চৰকাৰৰ লগত ভাল মধুৰ সম্পৰ্ক যদি থাকে তেতিয়া কাউন্সিলত যিমান Department subject, সেই Department বা subject বিলাক এতিয়া আমি আৰামত কৰি যাব পাৰো। উদাহৰণ বহুতো আছে বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া কৈ আছে যে suppose আমাৰ BTR record ত স্কুল, কলেজ provincialization ৰ কথা আছিলে, তেখেতে কৈছে যে তোমালোকে লোৱা আমি fincially সহায় দিম, সেইখিনি অধিকাৰ তোমালোকৰ আছে। যিহেতু Education Transfer Subject, এইটো আপোনালোকে কৰিব পাৰে। এনেধৰণৰ progressive চিন্তাধাৰাৰে সংবিধানৰ গণ্ডীৰ ভিতৰত এখন ৰাজ্যৰ ওপৰত থকা Sixth Schedule. হয় ইয়াত আমাৰ জনজাতি সকলক সম্পূৰ্ণৰূপে protection দিয়া হৈছে। ইয়াৰ অৰ্থ এইটো নহয়। Wrong interpretation হয় মাজে মাজে। ইয়াত only for tribal, non tribal বিলাকৰ বাবে কোনো সা-সুবিধা নাই, non tribal বিলাকৰ কাৰণে কোনো ৰক্ষা কৱচ নাই, মাটিৰ কোনো অধিকাৰ নাই এই ধৰণৰ কথা বিলাক আমি দেখিবলৈ পাওঁ। কিন্তু বাস্তৱত এইটো নহয়। Bonafide যিবিলাক citizen, এই bonafied citizen বিলাকক তাত অধিকাৰ দিয়া হৈছে। এই কথাখিনি আমি জানো বা এই কথাবিলাক আমাৰ আলোচনা হ'লে আমি সকলো লাভৱান হ'ম। আমাৰ যি Sixth

Schedule, এই Sixth Schedule ৰ all round যদি development হ'ব লাগে তেতিয়াহ'লে Sixth Schedule কাউঞ্চিল, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত যদি মধুৰ সম্পৰ্ক থাকিব লাগিব। যদি এখন Sixth Schedule কাউঞ্চিলৰ ৰাজ্য চৰকাৰৰ লগত সম্পৰ্ক ভাল নহয়, কেন্দ্ৰীয় চৰকাৰৰ লগত যদি সম্পৰ্ক ভাল নহয় তেতিয়া ইয়াৰ all round development টো আমি নিশ্চয় আশা কৰিব নোৱাৰো। আমি দেখিছো যে ১৯৫০ চনৰ পৰাই আমাৰ অসমত Sixth Schedule ৰ কাউঞ্চিল আছিল। কাৰ দিনত কি পাইছে কি পোৱা নাই এইটো যদি আমি Chronologically অধ্যয়ণ কৰিবলৈ যাওঁ তেতিয়া আমি নিশ্চয় উপলব্ধি কৰিব পাৰিম যে এই Sixth Schedule বিলাক ৰাজ্য চৰকাৰৰ লগত যদি ভাল হয় কেন্দ্ৰীয় চৰকাৰৰ লগত ভাল নহয় তেতিয়াহ'লে all round development হোৱাতো সম্ভৱ নহয়। আমি ভাগ্যবান বুলি ভাৱিছো যে আমাৰ অসমৰ মাননীয় জনপ্ৰিয় মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক আমি আমাৰ মুখ্যমন্ত্ৰী হিচাবে পাইছো। আমি দেখিছো যে এই চাৰে তিনি বছৰত তেখেতে চাৰিটা নিশা কোকৰাঝাৰত কটাই গৈছে। বহুত বাৰ আহিছে কিন্তু চাৰি নিশা কটাই গৈছে। যেতিয়া কাউঞ্চিল আৰু ৰাজ্য চৰকাৰৰ মাজত  মধুৰ সম্পৰ্ক হ'ব তেতিয়া এই Sixth Schedule বিলাকে উন্নতি কৰিব পাৰিব। Sixth Schedule ত transfer subject যেনে আমাৰ চুক্তিত ৪০ টা আছিল যদিও ৩৯ টা subject ইয়াত transfer subject. এটা এতিয়ালৈকে দিয়া হোৱা নাই। ৪৫ টা subject আমাৰ transfer subject. যিহেতু কাউঞ্চিলত Assembly আছে, কাউঞ্চিলৰ পৰা বিল পাচ কৰি দিয়া হ'ল। কিন্তু সেই বিলখন পাচ নহ'ল। Governor ৰ অফিচত আছে বুলি আমি শুনিবলৈ পাওঁ। কাউঞ্চিলে নিজাকৈ কিবা এটা সিদ্ধান্ত লৈছিল কিন্তু ৰাজ্য চৰকাৰৰ অনুমোদন পোৱা নাই।

**শ্ৰী অখিল গগৈ ঃ** এইটো important. এনেকৈ ৰখাই দিয়ে চাৰ।

**শ্ৰী লৰেন্স ইছলাৰী ঃ** আপুনি নিজৰ সময়ত কথাটো ক'ব। মই পজিটিভলী কথাটো কৈ আছো যে Sixth Schedule ত যদি all round development হ'ব লাগে তেতিয়াহ'লে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত ভাল সম্পৰ্ক থাকে তেতিয়া কাউঞ্চিলৰ যিবিলাক Department বা Subject বিলাক আমি নিয়াৰীকৈ কৰি যাব পাৰে। বহুতো উদাহৰণ আছে। যেনে বৰ্তমান আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈ আছে যে suppose আমাৰ BTR accord ত স্কুল-কলেজ provicialisation ৰ কথা আছিল তেতিয়া তেখেতে কৈছে যে কলেজ তোমালোকে লোৱা আমি বিত্তীয় ভাৱে সহায় কৰিম। এই অধিকাৰটো আপোনালোকৰ আছে। যিহেতু Education transfer subject, এইটো আপোনালোকে কৰি ল'ব পাৰে। এনেকুৱা এটা progressive চিন্তাধাৰাৰে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ Sixth Schedule বিলাকক চলাবলৈ দি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য ডাঙৰীয়া,  আপোনাৰ ভাষণৰ পিছত আৰু ২৫ গৰাকী সদস্যৰ ভাষণ আছে। গতিকে আপুনি আপোনাৰ ভাষণ চমু কৰক।

**শ্ৰী লৰেন্স ইছলাৰী, পূব কোকৰাঝাৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিহেতু মোৰ সমষ্টিত Sixth Schedule ৰ ওপৰত আলোচনাৰ বাবে লোৱা হৈছে সেয়েহে মই অলপ সুযোগ লৈ আৰু দুটামান কথা ক'ব বিচাৰিছো। আৰু দুটামান কথা কৈ মই মোৰ সামৰিম। আমি সকলোৱে Sixth Schedule বিলাকক আৰু অধিক  ক্ষমতা দিয়াৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা লৈ আছে। 125th যি Amendment Bill, এই বিলটো চলিত যি

Parliament Session ত উত্থাপন হ'বলৈ গৈ আছে তাৰ বাবে মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাক অনুৰোধ কৰিব বিচাৰিছো যে আমি আজিৰ যি বিধান সভা, এই বিধান সভাত যাতে আমি ও 125th Amendment Bill, সদনত উত্থাপন হ'বলৈ গৈ আছে , যাতে এই বিলখন আমাৰ বিধান সভাত পাচ কৰিবৰ বাবে সদনত এটা প্ৰস্তাৱ লোৱা হয়।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰী দৰসিং ৰংহাং।

**Shri Darsing Ranghang :** Sir, "It is a great honor to speak on a historic occasion like this when for the first time the Assam State Assembly is holding its session in a Sixth Schedule Area. I myself come from the Sixth Schedule Area of Karbi Anglong and I am proud to say that the Karbi people have had the experience of the great journey of the Sixth Schedule Councils from the modest beginning with simple tasks of preserving and promf`oting tribald interstes to tbhe present nation building tasks involving all development departments to the State.

Sir, "We all know that at the dawn of our Independence, the Constituent Assembly was constituted to draft our present Constitution. It had a Sub-Committee called The North-East Frontier(Assam) Tribal and excluded areas Sub-Committee headed by the first Chief Minister of Assam Late Gopinath Bordoloi, that is why it was also called Bordoloi Committee. It's members included luminaries from the North-East like Rev JJM Nicholes Roy )Khasi), Rupnath Brahma (Bodo) and Aliba Imti (Naga). Khorsing Terang and Samosonsing Engti were also co-opted members of the Committee. This Committee had come to meet the Karbi people at Lumding on the 18th May 1947 to ask them what the Karbis wanted. Our leaders, particularly Samsonging Engti, Sotrosing Teron and Chandrasing Teron (Langkung Habe) interacted with them and pleaded for a separate administrative district with a tribal council for the Karbis so that they may self-determine their affairs and that only tribal people should be allowed to contest the Council election. The other demands were (a) tribal land should be protected by law and that it should be inalienable (b) to give importance to education of the tribal people. All customs and traditions of the tribal people should be protected by law. That was the beginning of the Sixth Schedule concept in Karbi Anglong and the Bordoloi Committee had drafted the Sixth Schedule with similar provisions for all the hill tribal people. Sixth Scheduled was designed

to be our safety net while being a part of the Great Nation of India, that this provision will ensure the safety and security of the tribal people as far as their land, forest, language, culture and traditions are concerned. These are the core subjects over which the $6^{th}$ Schedule tribal councils have full power and the laws passed by the State Assembly and the Parliament on these subjects cannot supersede the laws passed by the tribal councils.

But sir, during the first two decades of the $6^{th}$ Schedule regime, that is the 1950s and 1960s, it was discovered that the tribal people needed to develop at par and in equal pace with the rest of the people of the State and the Country. The Sixth Schedule Council could not deliver that because it had limited financial resources and could not in sync with the line departments which are the organs for development purposes and controlled by the State Government. The leaders of the plain districts which were at the helms of the Government had their own priority and the hill tribal people felt neglected. $6^{th}$ Scheduled could not resolve development issues without the Administrative power of the State. They felt separation was the only solution and to ensure self-determination of the hill tribal people on matters of development, Meghalaya and Mizoram were carved out from Assam. In 1969, the Parliament also offered us the option to separate from Assam along with Meghalaya and Mizoram. But that would have meant separation of not only the entire hill areas, but also the Barak Valley. TheState leadership felt that it was necessary to prevent further disintegration of the State, so a meeting was held with the hill leaders on 3rd February, 1970 at Haflong where it was decided that the Sixth Schedule councils would also look after all development departments in the respective areas and the necessary funds would be provided by the State Government. That was the birth of the concept of the Transferred Departments in $6^{th}$ Schedule Councils. The territorial integrity of Assam with the Barak Valley was saved and Karbi and Dimasa leaders were the heroes.

**Hon'ble Dy. Speaker :** Please Conclude, you may lay out your memorandum.

**Shri Darsing Ronghang , MLA :-** Sir "The concept of transferred Department in the 6th Schedule Council is also not an easy option . This system demands a complex coordination strategy in program implementation, delivery of service and release of necessary funds. It requires a lot of patience, tenacity and goodwill on the part of the Sate leadership which our Hon'ble Chief Minister Dr Himanta Biswa Sarma is demonstrating. With other Chief Ministers, it may not be the same that is why the hill areas have been facing political unrest during the past 30 years. Under the leadership of our Hon'ble Chief Minister and after signing of several accords, peace has returned in hills, so it is now time to pluck the lacunae in the working of the 6$^{th}$ schedule so that no scope is open for future unrest in the hills.

Sir, the first issue to uphold the legislative competence of the Sixth Schedule Councils. In the past when the hill people lacked education, it might have been necessary for the State Government to monitor the legislative process of the Council, but today the hill people are no less educated than the people of the plain areas. The subjects reserved in the 6$^{th}$ schedule for the legislative function of the Autonomous Councils are sacrosanct and the State Government must respect the legislative competence of the councils on those subjects, but the legislative bills continue to be lost in the labyrinthine corridors of the Secretariat unduly delaying the approval of the Governor in the legislative process of the council. Important legislative bills are delayed for years together in process. I, urge the present Chief Minister to resolve the issue permanently by allowing the Governor to exercise his discretion without having to consult with the Government. It will require the amendment of PARA 20BA of the Sixth Schedule of the Constitution which we have been pursuing. "The second important issue is the uncertainty related with the manner and quantum of funding". "The third important issue is the upholding of the rights of the indigenous people in relation to land and economic opportunities. The hill area is facing acute threat of negative demographic changes against the indigenous people, as our border is perennially open.

Sir, as in the past, we are still committed to the preservation of the territorial integrity of Assam which will permanently happen if and when the 6$^{th}$ schedule council is upgraded to Article 244(A) of

the Constitution of India. This measure will ensure solutions to the issue presently considered unresolvable under the 6th schedule without harming the territorial integrity of the State namely, the legislative competence of the Councils without State intervention, equitable allocation of funds between the State and the Councils area at par with other tribal areas of the North –East States and the preservation on indigenous right in line with Article 25, 26 and 27 of the United Nations Declaration on the Human Rights of Indigenous Peoples which was adopted on 13th September, 2007. Thank you.

**Hon'ble Deputy Speaker:** Hon'ble Member Smti Nandita Gorlosa.

**Smti Nandita Gorlosa, Minister:-** Hon'ble Speaker Sir, First day of the Session, that the topic has been given on the socio economic and overall development of the 6th schedule areas.I will speak on the positive aspect of the 6th schedule, At the outset I would like to extend my heartfelt thanks and gratitude to the Hon Speaker as well as Hon'ble Chief Minister for taking the initiative to discuss these problems and issues related to the Sixth Scheduled areas.And I consider a timely intervention that the majority of us outside the sixth schedule areas hardly understand the sixth schedule and problems related to it. It is worth citing here that the sixth schedule of the constitution had been deviced to have a separate administrative mechanism for the hill people considering differences in their culture and world views. I would like to thank Late Gopinath Bordoloi and others for working towards the institution of this Schedule in the Constitution and ensuring cultural rights of these communities. Though, initially confined to the hill communities, this has been later extended in the plains, that paved the way for creation of BTR, for all the good reasons. This has already been mentioned by our earlier speaker, Lorance had mentioned it how it had come to paved away for the BTR, But what I do find in 6th schedule areas, my personnel experiences, I do see that the schedule does provide for separate administrative apparatus considering their distinct cultural habits. But this administrative mechanism is not outside the purview of this August House. For instance, even though the Autonomous Council has certain administrative, legislative and judicial power on their

own, it is the responsibility of this house I feel to ensure fiscal accountability. The Autonomous Councils are answerable to this House through the PAC, which have been constituted by this August house. And it will be more preferable, if the PACs which have been formed that looked after by the August House into the Autonomous councils."In the recent time, our government under the leadership of Honble Chief Minister has accorded Cabinet Status to he CEMs of the Autonomous Councils which was not earlier. In continuation of this recognition, a long way in cementing the ties of the Government with the Autonomous Councils and political fraternity of these communities may happen. However, such uplifting acts must be reciprocal in terms accountability on their part. "The state government must continue to support these Autonomous Councils for thriving of their traditional culture and social system. And I strongly support the new department that has been created by this Government in tearms of ITFC which is very important as the world today faces global climate crisis and it has been recognised by the scientific community that there may be many cultural practices and traditional knowledge of these communities which are sustainable. And through the department which we have come across, we had seen that more incentives which have been provided to the religious ways had also been done. And Assam can take this leadership in promoting cultural practices of these communities which in return promotes fight against climate crisis. "Such supports to these communities will empower them culturally and economically. As they live closer to the nature, such support will open up niche for culture and nature tourism. This will directly impact the economy of these communities and the state at same time. "Most importantly such acts of support will help cementing further the age old harmonious ties with these communities. We know that only in an ecosystem of mutual trust and respect can ensure peace and prosperity. I consider this initiative as first step towards this long journey of mutual coexistence and respect as because we had seen these three Autonomous Councils of the 6th schedule areas functioned in the different separate ways. We speak of the North Kachar Hills Autonomous Council we have been one Principal Secretary, The Council with the Karbi Anglong has two Principal Secretaries and the BTR has one. If we see the administrative

part in three six schedule areas are functioning differently. But the main concern is how is six schedule areas and how the Government is giving this particular Governemnt is giving a help to the 6th schedule areas had never been taken into account earlier. So, I think in near future, as the accountability is been taken on there will definitely be a more positive aspects from the 6th schedule areas residing over there towards the Government in the State of Assam. Thank you.

**माननीय উপাধ্যক্ষ ঃ** Thank you. এতিয়া শ্ৰী চৰণ বড়ো। চৰণ বড়ো অনুপস্থিত। এতিয়া শ্ৰী ভূৰন পেগু ডাঙৰীয়া।

**শ্ৰী ভূৰন পেগু, (জোনাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এটা ঐতিহাসিক দিন। বিধান সভা আমি দিশপুৰৰ পৰা বাহিৰলৈ ওলাই আহি আৰু এটা important বিষয় যে Sixth Schedule areas হেডকোৱাটাৰত এই বিধান সভা অনুষ্ঠিত হৈ আছে। আজি Sixth Schedule areas ৰ বিষয়ে আলোচনা কৰাৰ বাবে মই অলপ আগতে ভাবি আছিলো যে Sixth Schedule areas আৰম্ভ হোৱা মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৫২ চনত। ১৯৫২ চনৰ পাছত আজি যদি চাওঁ ৭৩ বছৰ পাৰ হৈ গৈছে। কিন্তু why is it still build them? খুব important বিষয় এটা । ১৯৫২ চনত কাৰ্বি আংলং,তেতিয়া মিকিৰ হিলচ্ বুলি কৈছিল, এন চি হিলচ autonomous council এতিয়া ডিমা হাচাওঁ ১৯৫২ চনত দিয়াৰ পাছতো সেই বি টি আৰৰ জনগনে ৪০ বছৰ সংগ্ৰাম কৰিলে। সেই ৪০ বছৰ সংগ্ৰাম কৰি ২০০৩ চনত Sixth Schedule area ত পৰিনত হ'ল আৰু এতিয়াও যদি লক্ষ্য কৰে মিচিং, ৰাভা, তিৱা autonomous council area ৰ মানুহে Sixth Schedule সংবিধানত স্বীকৃতি পাব লাগে বুলি ডিমাণ্ড কৰি অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। এই ডিমাণ্ডটো এতিয়াও relivent বুলি ভাবি কেন্দ্ৰীয় চৰকাৰলৈ অসম চৰকাৰৰ ট্ৰাইবেল এফেয়াৰচ মিনিষ্ট্ৰিয়ে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে। তাৰ বাবে এই সাংবিধানিক স্বীকৃতিৰ কাৰণে অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। য'ত আজি ৭৩ বছৰ হৈ why is it still relivent? মই সেই দিনা, যিদিনা constitute Assembly ত যেতিয়া আলোচনা হৈ আছিল আৰু এই আইডিয়াটো Sixth Schedule ৰ আইডিয়াটো ক'ৰ পৰা আহিল? কোনে দিলে? অসমৰ জনগনে নিজে নিজে ট্ৰাইবেল সকলে নিজে নিজে বনাই লোৱা Sixth Schedule নে কোনে পাতিছে? স্বাধীনতাৰ আগতেই এই আইডিয়াটো হৈছে । what was this idea? and why it is still relivent? উপাধ্যক্ষ মহোদয়, মই ভাৰত ৰত্ন বি আৰ আম্বেডকাৰ আৰু সংবিধানৰ সৃষ্টি কৰ্তা তেখেতৰ কমেন্ট এটা পালো। তেখেতে কৈছিল উত্তৰ পূৰ্ব্বাঞ্চলৰ tribal সম্পৰ্কে এটা কথা কৈছিল যেতিয়া ড্ৰাফটিং কমিটি চলি আছিল। সংবিধানৰ যেতিয়া ড্ৰাফ্ট চলি আছিল, বি আৰ আম্বেডকাৰৰ মতে The Tribal people of Assam differed from the tribals of other areas. He felt that the position of the tribals of Assam was somewhat enormous to the that of the Red Indians in hte United States who are republic by themselves in that country and were regarded as separated indipendent people. মাননীয় উপাধ্যক্ষ মহোদয়,এতিয়া আমেৰিকাৰ ৰেড ইণ্ডিয়ানৰ বিষয়ে যেতিয়া ক'লে, মই আমেৰিকাৰ ৰেড

ইণ্ডিয়ানৰ বিষয়ে অলপ অধ্যয়ন কৰিলো। আজি ড'নাল্ড ট্ৰাম্প এমাহৰ আগত শপত গ্ৰহণ কৰিছিল। পৃথিবীৰ ভিতৰত এক নং ৰাষ্ট্ৰ বুলি কয়, তাত থকা ৰেড ইণ্ডিয়ান সকলৰ অৱস্থা কেনেকুৱা বুলি যদি আজিৰ তাৰিখত সোধে উপাধ্যক্ষ মহোদয়, the Red Indians more accurately reffered as Native Americans or indeginous people of the United States faced centuries of displacement, violance, cultural supression following the arrival of European settlers in America. আজি systematically disemminate কৰা হ'ল,আজি কি অৱস্থা বুলি ক'লে, আজিৰ তাৰিখত ৰিপোৰ্ট টো হ'ল today the native americans continue to preserve their culture, tradition while facing the challenges like poverty, health disparities, land dispute, many types of achive political and economic autonomy চৰকাৰৰ ভিতৰতে পাইছে কিন্তু however, historical injustice still impacts indigenous community leading to ongoing struggling for rights and recognition আজিও আমেৰিকা পৃথিবীৰ ভিতৰত ১ নংত আছে বুলি কোৱা দেশত tribal মানুহৰ এই অৱস্থা হৈ আছে। কিন্তু এই যে Red Indian সকল যে নাইকীয়া হৈ গ'ল আমেৰিকাৰ ছবিখনৰ পৰা, এই নৰ্থ ইষ্টৰ tribal সকলৰো হ'ল হেতেন কিন্তু নৰ্ত ইষ্টৰ tribal সকলক এই আমেৰিকাৰ ৰেড ইণ্ডিয়ানৰ নিচিনা কিন্তু ইয়াক বাধা প্ৰদান কৰি আমাক প্ৰটেকশ্যন প্ৰদান কৰা মুল ব্যক্তি কোন বুলি কয় কোনে Sixth Schedule ৰ আইডিয়াটো প্ৰথম উৎভাৱন কৰিলে বুলি যদি কয়, সংবিধান ড্ৰাফটিং কমিটিৰ মুল সৃষ্টি কৰ্ত্তা ড০ বি আৰ আম্বেডকাৰ ভাৰতৰত্ন আৰু ভাৰত ৰত্ন গোপীনাথ বৰদলৈ আমাৰ প্ৰথমজন মুখ্য মন্ত্ৰী। তেখেত সেই কমিটিৰ চেয়াৰমেন আছিল। আৰু তেখেত দুজনৰ নেতৃত্বত Sixth Schedule এৰিয়াটো উৎভাৱন হ'ল। স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো সেই আইডিয়াটো, it is still relevent. Why it is still relivent?কিয়নো যি দুজন ব্যক্তিয়ে এই আইডিয়াটো সৃষ্টি কৰিলে , মই মাজতে অলপ অধ্যয়ণ কৰি আছিলো ভাৰতৰ ১৩০ কোটি জন সাধাৰণৰ মাজত কেইজন মানেহে ভাৰত ৰত্ন পাইছিল। হিচাপ কৰোতে ওলাইছিল কেৱল ৫৩ জন মানুহে ১৯৫৪ চনৰ পৰা ভাৰত ৰত্ন পাইছে। আজিলৈকে প্ৰায় ৭০ বছৰত ৫৩ জন বিশিষ্ট ব্যক্তিয়ে ভাৰত ৰত্ন পাইছিল। তাৰে ভাৰত ৰত্ন পোৱা দুজন ব্যক্তিয়ে এই আইডিয়াটো সৃষ্টি কৰিছে। উপাধ্যক্ষ মহোদয়, সেয়েহে মই আজি উত্তৰ পূৰ্বাঞ্চলৰ ট্ৰাইবেল, খাচীয়া, জয়ন্তীয়া, কাৰ্বি, ডিমাচা, আৰু মনিপুৰৰ ট্ৰাইবেলৰ সকলৰ হৈ ত্ৰিপুৰাৰ ট্ৰাইবেলৰ সকলৰ হৈ মিজোৰ হৈ মই ভাৰত ৰত্ন গোপীনাথ বৰদলৈ আৰু ভাৰত ৰত্ন ড০ বি আৰ আম্বেদকাৰ ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো। এই বিষয়টো মই আজি উত্থাপন কৰিব বিচাৰিছো historical injustice হৈ গ'ল তেতিয়া। অসমৰ প্লেইনচৰ জনগন বাদ পৰি গ'ল তেতিয়া। প্লেইনচৰ ট্ৰাইবেল বাদ পৰি যোৱাৰ কাৰণে প্লেইনচৰ ট্ৰাইবেলৰ ওপৰত আগ্ৰাসন যোৱা বিধান সভাৰ মজিয়াত illegal imigrance আমাৰ মাটি দখল কৰি আপুনি অসমৰ বুৰঞ্জী যদি পঢ়ে highest illegal imigrance কাৰ লগত হৈছিল অসমৰ ট্ৰাইবেলৰ লগত হৈছিল। অধ্যক্ষ মহোদয় এই historical injustice টোক ৰেক্টিফাই কৰাৰ কাৰণে ২০০৩ চনত বি টি আৰৰ বড়ো জনগনক six schedule দিয়া হ'ল। আজিও মই অনুৰোধ জনাও অধ্যক্ষ মহোদয় উজনি অসমৰ চৰ অঞ্চল এতিয়াও বাকি আছে। য'ত আগ্ৰাসন চলি আছে কিন্তু ট্ৰাইবেল সকলে যুজি আছে। মাটি

নিজে প্ৰটেক্ট কৰি আছে। তাত থকা TBAC আৰু মিচিং অটোনমাচ কাউন্সিল আৰু গোৱালপাৰা ৰাভা অটোনমাচ কাউন্সিল আৰু তিঞা কাউন্সিলৰ মাটি যদি বচাব লাগে আৰু তেওলোকক যদি অস্তিত্ব হেৰুৱাৰ পৰা বচাব লাগে তেখেত সকলক যদি ৰক্ষা কৰি ৰাখিব লাগে তেনেহলে সোনকালে এই প্ৰভিজনটো যিটো ঠাইত administrate কৰি আছে মই বেলেগ ঠাইৰ কথা কোৱা নাই। তাত দুবাৰ দুবাৰ নিৰ্বাচন হৈ গ'ল, নিৰ্বাচিত এৰিয়াত বেলেগ ঠাইত নহয় তাত অতি সোনকালে অসম চৰকাৰে যেনেকৈ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছে সাংবিধানিক স্বীকৃতিৰ কাৰণে, এই সাংবিধান টোক আমাৰ গোপীনাথ বৰদলৈ আৰু আমাৰ সংবিধান সৃষ্টিকৰ্তা বি আৰ আম্বেদকাৰৰ সপোনটো ট্ৰাইবেল এৰিয়াত বাস্তৱ কৰাৰ কাৰণে আজিয়ে বিধান সভাই প্ৰস্তাৱ এটা গ্ৰহণ কৰক আৰু এইটোক লৈ কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি এই তিনিটা অঞ্চলৰ মাটি বচাবলৈ, তেখেতৰ সংস্কৃতিক বচাবলৈ, অস্তৃত্বক বচাবলৈ পদক্ষেপ লব বুলি মই আহ্বান জনাই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী অজন্তা নেওঁগ।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্তমন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ দিনটো আমাৰ গণতান্ত্ৰিক যি ইতিহাস সেই ইতিহাস ৰাজ্য খনৰ কাৰণে এটা উল্লেখনীয়। মই বিত্তমন্ত্ৰী হিচাপে কওঁ যে কেন্দ্ৰীয় চৰকাৰে যেনেধৰণে পুঁজি ৰাজ্য চৰকাৰক দিয়ে একে নিয়মেৰে আমি sixth schedule ত আমি সেই পুঁজিখিনি ধাৰ্য্য কৰিব লাগে। আজি এই গৌৰৱৰ মুহূৰ্তত মই গৌৰবেৰে আপোনাক বা হাউচত কৈ ভাল পাইছো যে দুটা বছৰ আগতে আমি প্ৰথমখন চৰকাৰৰ দিনত যেতিয়া আমি দ্বিতীয় খন বাজেট দিছিলো আৰু সেই বাজেটত আমি দিখিছো যে sixth schedule এৰিয়াৰ যিটো অৰ্থনৈতিক ক্ষমতা সেই যোৱা চৰকাৰ খনে দিবলৈ সক্ষম হৈছে। তাৰ কাৰণে অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি ধন্যবাদ দিব লাগিব। কাৰণ কেন্দ্ৰীয় চৰকাৰে যেনেধৰণে অসমক পুঁজি দিয়ে আমি যিধৰণে পুঁজিখিনি গ্ৰহণ কৰো, এতিয়া ধৰণে যোৱা দুটা বছৰৰ পৰা বি টি চিত sixth schedule ৰ পইচাখিনি আমি দুটা কিস্তিত দিও। তেওঁলোকে বিধান সভাৰ জৰিয়তে পইচা খিনি গ্ৰহণ কৰে। স্বাধীনতাৰ ইমান বছৰৰ পিছত মাত্ৰ ২ টা বছৰ আগতেহে sixth schedule এৰিয়াই প্ৰকৃততে অৰ্থনৈতিক স্বাধীনতা পাবলৈ সক্ষম হ'ল। আগতে কি আছিল আমি sixth schedule এৰিয়াৰ কাৰণে যিখিনি পুঁজি ধাৰ্য্য কৰিছিলো সেই লিমিটেড পুঁজিখিনিহে দিয়া হৈছিল। এতিয়া আমি যোৱা ৪ টা বছৰত বাজেট বহিঃভূত ধন তেওঁলোকক বহুতখিনি দিয়া হৈছে। sixth schedule এৰিয়াত আপোনালোকে দেখিব যে এটা সময়ত বিধায়ক সকলে তেওঁলোকৰ যিখিনি প্ৰাপ্য, জেনেৰেল এৰিয়াত যি সকলে যিখিনি পুঁজি পাইছিল কিন্তু sixth schedule এৰিয়াত অহা নাছিল। যোৱা সময়ছোৱাত তেওঁলোকক সেইখিনি অতিৰিক্ত ভাৱে দিছিলো। কবলৈ পাই ভাল পালো। যোৱা ৪ টা বছৰত অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই sixth schedule এৰিয়াত তেওঁলোকৰ যিখিনি প্ৰাপ্য ধন তাতকৈ অতিৰিক্ত ভাৱে আমি জেনেৰেল এৰিয়া যেনেদৰে ধন পাও তেনেধৰণে দিবলৈ চেষ্টা কৰিছো। গতিকে আশা কৰিছো যে আগন্তুক সময়ছোৱাত এই sixth schedule এৰিয়াৰ উন্নয়নৰ কাৰণে আমি অতিৰিক্ত ভাৱে পুঁজি আমি ধাৰ্য্য কৰিছো আৰু কেন্দ্ৰীয় চৰকাৰকো আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই sixth schedule এৰিতয়াত ধন আৱন্টনৰ কাৰণে সদায় অনুৰোধ জনাই আহিছে আৰু আশা কৰিছো যে সচা অৰ্থত এই sixth schedule এৰিয়া বিলাকত নতুন এটা যাত্ৰা আৰম্ভ হৈছে। পুনৰবাৰ সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো যে আশা কৰিছো যে উন্নয়নৰ ক্ষেত্ৰত এই sixth schedule এৰিয়া আৰু আগবাঢ়ি যাব লাগে। তাৰ কাৰণে আমি যোৱা

সময়ছোৱাত আন্তৰিকতাৰে প্ৰচেষ্ঠা গ্ৰহণ কৰিছিলো আৰু প্ৰথম পদক্ষেপ হিচাপে sixth schedule এৰিয়াত যিখিনি পুঁজি পাব লাগে সেই পুঁজিকিনি যাতে কোনো অসুবিধা নোহোৱাকৈ পাই আৰু পোৱাৰ পিছত আজি বিভিন্ন ধৰণৰ আঁচনিবিলাকৰ ধন অতি ভাল ভাৱে এই sixth schedule এৰিয়াত খৰচ হৈছে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, sixth schedule এৰিয়াৰ জনগনে মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব লাগে যোৱা ৯ টা বছৰত যি উন্নয়ন হৈছে আপোনালোকৰ ফাণ্ডৰ কাৰণে ইয়াত পৰিলক্ষিত হৈছে। সচাঁকৈ আমি sixth schedule এৰিয়া হোৱাৰ পৰা আমি গম পাইছো যে ২৫০ কোটি টকাৰ বাজেটৰ পৰা আজি কাৰ্বিআংলঙত ৪৫০ কোটি টকা হ'ল। আপোনালোকক মই ধন্যবাদ দিছো কাৰ্বিআংলংৰ ৰাইজৰ হৈ। ইয়াৰ পিছত মাননীয় সদস্য আমিনুল ইছলাম (কনিষ্ঠ্য) কবলৈ অনুৰোধ কৰিলো।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, sixth schedule এৰিয়া যিহেতু এটা সংবিধানিক ব্যৱস্থা আৰু ১৯৫২ ৰ পৰা চলি আছে, প্ৰত্যেকবাৰে আমি লক্ষ্য কৰিছো যে বিটিচিৰ যিটো ২০২৩ বৰ্ষত sixth schedule আহিল গোটেইখিনি বুৰঞ্জী আমাৰ চকুৰ আগত। আমি গোটেই অসমৰ বেলেগ বেলেগ মানুহৰ লগত যদি sixth schedule ৰ মানুহ খিনিৰ লগত আত্মসামাজিক উন্নয়ন বিচাৰো, All round development ৰ কথা বিচাৰো বহুত কথাই ইয়াত আহি যাব। Socio-development ৰ কথা আমি কবলৈ গ'লে আমি নিশ্চয় লক্ষ্য কৰিব লাগিবৰ যে আমাৰ বৰ্তমান যিখিনি বিষয় ইয়াত আছে সেই বিষয়ৰ ভিতৰত কিছু মডিফিকেচনৰ প্ৰয়োজন আছে বুলি মই অনুভৱ কৰিছো। ৭৩ তম আৰু ৭৪তম এমেণ্ডমেন্ট হ'ল, সেই constitute Amendment ত আমি লক্ষ্য ৰাখি আমি দেখা পাওঁ যে আজিৰ দিনতো sixth schedule এৰিয়াত যি নিৰ্বাচন হ'ল বা হৈ আছে বিটিচি ৰ ইলেক্টচনে হওক বা সেই ফালৰ হিল্‌চ বা ডিমাহাচাও য়ে হওঁক ইয়াত ওমেন ৰিজাৰ্ভেচনৰ ব্যৱস্থা লোৱা নাই। ওমেন ৰিজাৰভেচনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ যদি বিটিচিৰ ক্ষেত্ৰত তাত গভাৰ্নৰ ৰিপ্ৰেজেনটেচন যি চজন থাকিব সেই চজনৰ ভিতৰত ওমেন থাকিব লাগিব, যিটো আছেই কিন্তু আমি দেখিছো যে ওমেন ৰিজাৰভেচনটোক যিহেতু ইণ্ডিয়ান পাৰ্লিয়ামেন্টত ৩৩ শতাংশ ৰিজাৰ্ভেচন পাছ কৰিছে সেইটো ৰিচেন্টলি ২০২৬ ত দেৰিবেৰিচনত কৃষ্টি আৰম্ভ কৰিব বুলি কথা এটা আছে। অসমৰ পঞ্চায়তত আমি ৫৫ শতাংশ ৰিজাৰ্ভেচন দিছো কিন্তু কাউন্সিলত কিয় আমি মহিলা সকলক ঠগি আছো। আৰ্থসামাজিক কথাটোত আমি আহিব লাগিব যে আজি যদি আমি লক্ষ্য কৰোএই ভাৰত বৰ্ষত আজিৰ দিনটোত ১৪.৭ শতাংশ ৰিজাৰ্ভেচন পাৰ্লিয়ামেন্টত আছে। Woman Reservation ৰ ব্যৱস্থাটো হোৱা নাই। Woman Reservation ৰ ক্ষেত্ৰত গুৰুত্ব অভিযোগ বা ৰাজ্যপালৰ representation যিসকল থাকিব, সেইসকলৰ ভিতৰত দুইজন মহিলা থাকিব লাগিব যিটো আছে। কিন্তু আমি দেখিছো যে Woman Reservation টো যিহেতু Indian Parliament ত 15% reservation পাছ কৰিছে, ২০২৬ চনত আৰম্ভ কৰিব জনা গৈছে। অকল পঞ্চায়তত 50% reservation দিয়া হৈছে। আৰ্থনৈতিক সামাজিক উন্নয়ন আহিব লাগে বুলি কৈছে। আজি যদি লক্ষ্য কৰা যায়, ভাৰতবৰ্ষত আজিৰ দিনত 40.7% parliament ত আছে, পাকিস্তানত 17%, চৌদিআৰৱত 50% reservation, এই reservation টো আমাৰ 6th Schedule area বিলাকতো আনিব লাগে, তাত মহিলাৰ অংশগ্ৰহণটো থাকিব লাগে।

দ্বিতীয়তে, এটা কথা লক্ষ্য কৰিছো যে BTC ৰ নিৰ্বাচনত, যেনেকৈ parliament

schedule 7th ত article 102 and article 191.2, তাত স্পষ্টকৈ কোৱা হৈছে যে parliament ৰ assembly ত যেনেকুৱাকৈ anti defection law টো implement হৈছে, আজি ইয়াত 6th Schedule ত যিখিনি নিৰ্বাচিত হৈ যায়, পিছদিনাখনে এটা বেলেগভাৱে বেচা-কিনা মুক্ত ভাৱে বজাৰ হৈ যায়, আমি দলৰ ফালৰ পৰা এবাৰ অংশগ্ৰহণ কৰা হৈছিল আৰু ৪ জনে জিকিছিল, এজন খৃষ্টান, এজন হিন্দু আৰু দুজন মুছলমান, কিন্তু জিকাৰ পিছতে দেখিছো যে আমাৰ লগত কোনো নথাকে, তেতিয়া আমি অনুভৱ কৰিছিলো যে Anti Defection Law is very must essential. Anti Defection Law Parliament ত হৈ গ'ল, Assembly ত হৈ গ'ল, গতিকে ২০২৪ চনত সংশোধনী আনি পঞ্চায়তী ব্যৱস্থাত anti defection টো আনিছো। গতিকে পৰিষদৰ নিৰ্বাচন সমূহতো anti defection ৰ প্ৰয়োজন আছে বুলি মই অনুভৱ কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ most probably ডিমা হাছাওত anti defection law implement কৰিছে।

হ'ব, আপোনাৰ সময় শেষ হ'ল, আপুনি বহক।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু দুটা point কবলৈ বিচাৰিছো।

VCDC, TCLC ৰ যিখিনি BTR area ত যিটো আছে, এই area নিৰ্বাচন আজিলৈকে হোৱা নাই। Fund টো সকলো জনগোষ্ঠীৰ লোকে যাতে পাই, সকলো জনগোষ্ঠীৰ উন্নয়নৰ যিটো ব্যৱস্থা, তেখেতসকলৰ village level ত যিটো representation আজিলৈকে এজন সচিবলৈকে নিৰ্বাচন কৰা হোৱা নাই।

ইয়াৰ লগতে আৰু এটা কথা ক'বলৈ খুজিছো যে বায়ন সমিতিৰ যিটো hearing হ'ল, hearing হোৱাৰ পিছত হাইকোৰ্টত যিখিনি কেছ pending আছিল, সেই হাইকোৰ্টৰ যিটো order হ'ল আজিলৈকে কিন্তু ফলবতী হোৱা নাই যে সীমামূৰীয়া অঞ্চলৰ যিখিনি ৫০ শতাংশতকৈ অধিক অনা-বড়ো মানুহ আছে, সেই মানুহখিনিক কৰ্তন কৰাৰ যিটো হাইকোৰ্টৰ নিৰ্দেশ বায়ন সমিতিৰ পৰামৰ্শমতে, সেইটো আজিলৈকে নহ'ল।

আৰু এটা কথা ক'ব বিচাৰিছো যে বিটিচি এৰিয়াত এটা সময়ত বিভিন্ন conflict আছিল, এটা misunderstanding হওঁক বা যিয়ে নহওঁক, সেইটো আমি এটা সম্প্ৰাদয়ক target কৰাটো উচিত নহ'ব। misunderstanding টো আমি দেখিছো আৰু অনুভৱ কৰিছো। সেই miscommunication টো হৈ আছে, যিটো divided assam 50-50, যিবিলাক কথা আছিল, সদৌ শেষত কিন্তু আজি এটা permanent peace restoration হৈছে, এইটো সঁচা। কিন্তু BTR চুক্তিটো সম্পূৰ্ণৰূপে যাতে হয়, য'. ৩৯ টা বিভাগ দিয়া হৈছে, এটা বিভাগ দিয়া হোৱা নাই, এইটোও সঁচা।

লগতে মই কথাত মোৰ contradiction আছে যে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে যদি আমাৰ ওপৰত সন্তুষ্ট থাকে, তেতিয়াহে আমাৰ কাম হ'ব। কোনোবাই আমাৰ ওপৰত সন্তুষ্ট হ'ব, কোনোবাই নহয়, তাৰ কাৰণে আমাৰ উন্নয়ন হ'ব, এইকথাবোৰ মানি ল'ব নোৱাৰি। আমাৰ কথাটো স্পষ্ট, এইটো সংবিধানৰ প্ৰদত্ত কৰাৰ অধিকাৰ। এইবোৰ সাবস্ত হ'ব লাগে । Peaceful Co-existence, land ৰ ক্ষেত্ৰতে হওঁক, বা বেলেগ বেলেগ ক্ষেত্ৰতে হওঁক, সকলোতে যাতে এটা good goveranance হয়, সেইটো আমি আশা কৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰী দুৰ্গাদাস বড়ো।

**শ্ৰী দুৰ্গাদাস বড়ো, (কলাইগাঁও)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, কেইবাজনো সতীৰ্থই ইতিমধ্যে কৈছে, discrimination ৰ কাৰণে ভাৰতবৰ্ষত বুলি নহয়, পৃথিৱীত নিজকে উন্নত দেশ বুলি ভৱা যিবিলাক ৰাষ্ট্ৰ আছে, সেইবিলাকতো discrimination আছে। মোৰ আগৰ সতীৰ্থই কৈছিল যে ভাৰতবৰ্ষৰ স্বাধীনতাৰ আগৰ পৰাই discrimination ৰ উপলব্ধি কৰিছিল আৰু সেই discrimination আহি ভাৰতবৰ্ষত কেইবাখনো নতুন নতুন ৰাজ্য হৈছে, যিটো বহুতো জনগোষ্ঠীয়ে discrimination হৈছে বুলি ভাৰিছে। আমাৰ discriminate কৰিছে, গতিকে সুকীয়া হলে বা বেলেগ ৰাজ্য হলে আমি স্বা-শাসন কৰি পেলাই discrimination ৰ পৰা ৰক্ষা কৰিম। কিন্তু সেই discrimination বুলি ভৱা সকলৰ মাজত, তাৰ মাজতে আকৌ কোনোবাই state within the state, 6th schedule, modified 6th schedule, আমাৰ BTC যেনেকৈ এখন modified 6th schedule আমিও ভাৰিছো যে আমাৰ discrimination কৰিছে। আপুনি আচৰিত হ'ব যিবিলাক stakeholder ৰে সেইদিনাৰ বৈঠকত উপস্থিত আছিল, মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিৰ লগতে কাৰ্বি আংলং আৰু ডিমা হাছাও জিলাৰ পৰা যিবিলাক stakeholder আহিছিল, তেওঁলোকৰ বক্তব্যৰ পৰা গম পালো যে সেই অঞ্চলত যিটো জনগোষ্ঠীৰ সংখ্যা কম, তেওঁলোকে কোনো কাৰণতে তাত বেছিকৈ সদস্য জিকি আহিব নোৱাৰে। তেওঁলোকে বাৰে বাৰে কৈছে, তেওঁলোকে তাত তেওঁলোকৰ ওপৰত discrimination হোৱা বুলি ভাৰিছে। discrimination টো উপলব্ধিৰ ওপৰত গোটেই পৃথিৱীতে হৈ আছে আৰু হৈ থাকিব। কিন্তু তাৰ ভিতৰত আমি যিহেতু মাননীয় অধ্যক্ষ মহোদয়ক আমি ধন্যবাদ জ্ঞাপন কৰিছো যে যোৱা চাৰিটা বছৰত তেওঁ চাৰিটা special Speaker Initiativ উত্থাপন কৰিছে। আজি আমি ভাল পাইছো যে কোকৰাঝাৰত 6th schedule ৰ ওপৰত অবড়ো সকলৰ উন্নয়নৰ কথা আলোচনা কৰিবলৈ ওলাইছো, যিটো এই BTC ৰ বিধান পৰিষদৰ সভা কক্ষত আমি আলোচনা কৰিবলৈ পাৰিছো। গতিকে মই ক'ব বিচাৰিছো যে discrimination টো আছিল কাৰণে কিছুমান চুক্তি হৈছে। উপাধ্যক্ষ মহোদয়, মোৰ বক্তব্যৰ বিষয়টো বেলেগ, ডিমা হাছাওত কেইবাটাও গ্ৰুপৰ লগত কেইবাখনো চুক্তি হৈছে, কাৰ্বি আংলঙত দীঘলীয়া দিন ধৰি কেইবাখনো চক্তি হৈছে। আজি বি টি চিটো আমাৰ সতীৰ্থ বিধায়ক এগৰাকীয়ে কলে যে ৩ খন চুক্তি বি টি চিটো ইতিমধ্যে ভৰত চৰকাৰৰ লগত, তাৰ যদিও এখন ৯৯ শতাংশ বিষয় বস্তু অসম চৰকাৰৰ লগত জৰিত আছে। তাৰ পিছতো এই অঞ্চলত উন্নয়নৰ ওপৰত আমি আলোচনা কৰিব লগীয়া হৈছে, কাৰণটো কি? কাৰণটো হৈছে, এইটোৱে যে যিবিলাক দফা তাত অন্তৰ্ভূক্ত আছে, সেইবিলাক পালন কৰা হোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, মই একেবাৰে সৰু কথা এটা কৈছো, আজি যিসকল স্বাক্ষৰকাৰী আছিল, আমাৰ ইয়াৰ NDFB এটা স্বাক্ষৰকাৰী এশ শতাংশ ৰিহেবিলেশ্যন হ'ব বুলি ভবা নাই । ইতিমধ্যে অসমৰ ক্ষেত্ৰতো তেনেকুৱা ধৰণৰ কথা বিলাক আছে । গতিকে মই চুক্তি কেইখন আখৰে আখৰে যদি ৰূপায়ন কৰে, যি চুক্তিত অসম চৰকাৰৰ স্বাক্ষৰ আছে, সংগ্ৰামি সকলৰ স্বাক্ষৰ আছে লগত ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ স্বাক্ষৰ আছে, সেই চুক্তিখন যদি বিচৰা মতে ৰূপায়ণ হয় মই ভাবে বৈষম্য কৰা বুলি ভবা সকলক মানি ল'ব পাৰিব। এতিয়া মই দুটামান কথা ক'ব বিচাৰিছো । যদিও এ আই ইউ ডি এফৰ বিধায়ক তেখেতে এটা কথা কৈছে যে দুখ লাগে এন্টি ডিফেকশ্যন

আমাৰ ইয়াত নাই। এন্টি ডিফেকশ্যন থকাৰ পিছতো বিভিন্ন ঠাইত ইটো দলৰ পৰা সিটো দললৈ গুছি যায় বিধায়ক সকল। আজি আমাৰ যি কেইটা ষষ্ঠ অনুসূচী এলেকা আছে তাতো এন্টি ডিফেকশ্যনৰ প্ৰয়োজন উপলব্ধি কৰিছে আৰু ষ্টেক হল্ডাৰ বিলাকে যেতিয়া বক্তব্য ৰাখে তেখেত সকলে কিন্তু এইটো খুব কঠোৰ ভাবে কৈছে । ষ্টেক হল্ডাৰ বিলাক যিহেতু ক্ষমতাত থকা সংগঠন নহয় তেওঁলোকে জাতীয় সংগঠনৰ স্বাৰ্থ ৰক্ষাৰ কাৰণেহে কথা কৈছে বুলি মই উপলব্ধি কৰা নাই । মই দুটামান কথা উল্লেখ কৰিব বিচাৰিছে যে আমি বিচৰা ধৰণে যিবিলাক ভি চি ডি চি আছে বিশেষকৈ বিটিচি ত যদিও ডিমা হাচাও আৰু কাৰ্বি আলং ত আমাৰ যিটো ভিচিডিচি প্ৰক্ৰিয়াটো তাত নাই । আমাৰ ইয়াত যিটো আছে এইটো বহুত বিষয়ত বহু ধন কেন্দ্ৰীয় চৰকাৰৰ পৰা অহাটো বঞ্চিত হৈ আছে, ইলেক্টেড নোহোৱাৰ কাৰণে । বৰ্তমানৰ সংসদীয়া পৰিক্ৰমা মন্ত্ৰী শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰী তেখেতে সৰ্বানন্দ সোণোৱাল চৰকাৰৰ দিনত যেতিয়া মন্ত্ৰী আছিল তেওঁৰ নেতৃত্বত এখন কেবিনেট কমিটি হৈছিল। বিটিচি ৰ পৰাও দুই তিনি গৰাকী ই.এম, ক তাৰ সদস্য কৰা হৈছিল আৰু ভিচিডিচি ইলেকশ্যনৰ প্ৰায় আলোচনা শেষ কৰি এই বিবিটচি চৰকাৰে সন্মতি প্ৰকাশ কৰাৰ পিছতো আজিলৈকে ভিচিডিচি ইলেকশ্যন নহ'ল যাৰ কাৰণে উপাধ্যক্ষ মহোদয় ভিচিডিচি লেভেলত যথেষ্ট ক'ৰাপশ্যন হোৱাৰ কথা হোৱা শুনা যায়। যি চৰকাৰে নাথাকক দায়বদ্ধতা যিহেতু নাথাকে তেওঁলোকে যিহেতু ইলেক্টেড নহয় এই পাচ বছৰৰ পিছত আমি আৰু নাই তেওঁলোকৰৰ যিটো বেপেৰূৱা ধৰণৰ চিন্তা এই বেপেৰূ ৱা চিন্তা চৰ্চাটোৱে তৃণমুল পৰ্যায়ত বিশেষকৈ বিটিচি অঞ্চলত উন্নয়নৰ ক্ষতি হৈছে বুলি মই ভাবো । ইয়াৰ উপৰিও ভাৰত চৰকাৰৰ প্ৰতিশ্ৰুতি আছিল যে আন্তঃৰাষ্ট্ৰীয় যিটো ভাৰত-ভুটানৰ সীমান্ত তাত এক হাজাৰ কোটি টকাৰ ৰাস্তা এটা বনোৱাৰ কথা কৈছিল সেইটো আছিল ভৈৰৱকুণ্ডৰ পৰা জমদুৱাৰলৈকে । এক হাজাৰ কোটি টকা তেতিয়া প্ৰস্তাৱিত আছিল । যিহেতু আজি কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আছে উপস্থিত আছে এই সুযোগোতে সামগ্ৰীক উন্নয়নৰ বাবে গোটেই অসমৰ কাৰণে এটা বিকল্প ৰাস্তা হ'ব । এই ৰাস্তাটো এটা এক্সপ্ৰেছ হাইৱে কওঁক বা ফ'ৰ লেণ্ড যুক্ত যিয়েই নকওঁক ইয়াক আসাম মালাৰ পৰা হ'লেও এই ৰাস্তাটো বনাবলৈ মই অনুৰোধ জনাইছো । মাননীয় মুখ্যমন্ত্ৰীয়ে খুব সুন্দৰকৈ প্ৰেছ কনফাৰেঞ্চত উল্লেখ কৰিছে যে অসমৰ প্ৰতিখন জিলাত মেডিকেল কলেজ বনাম বুলি আমি আদৰণি জনাইছো মুখ্যমন্ত্ৰী ডাঙৰীয়াক গতিকে বিটিচি ত যিকেইখন জিলা আছে এই জিলা কেইখনকো সনিবিষ্ট কৰক যাতে বিটিচি ৰ জিলা কেইখনতো মেডিকেল কলেজ হয় । অধ্যক্ষ মহোদয় মই এটা কথা কবলৈ বিচাৰিছো যে গাওঁ সমোৱা আৰু ওলোৱা এখন ক'টেশ্যন বনাই দিছিল বিটিআৰ ৰ অধীনত । এই বিটিআৰৰ অধীনত যিখন চুক্তি হৈছিল বিটিআৰ চুক্তি সেই বিটিআৰ চুক্তিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰ ৰাজ্য চৰকাৰ আৰু সংগ্ৰামী সকলৰ মাজত চুক্তি হৈছিল । সেইখিনি অতিসোনকালে ৰূপায়ণ হ'ব লাগে যিবিলাক সামগ্ৰীক উন্নয়নৰ কাৰণে লাগে আৰু ইয়াৰে অধিকাংশ বিষয় ইয়াত ৰূপায়িত হোৱা নাই। আজি অলপ আগতে ক'লৈ চৰকাৰীকৰণৰ সম্পৰ্কে বক্তব্য ৰখা হৈছে। মই মাত্ৰ তিনিদিন আগতে এখন আৰ টি আই কাগজ পালো, টিভিত পালো, মোবাইলত পালো যে দহ খন কলেজ চৰকাৰীকৰণ হৈছে । সেই দহখন কলেজৰ কোনো খা-খবৰ নাই । যদি তেওঁলোকে চৰকাৰীকৰণ কৰিছিল ৰাজ্য চৰকাৰৰ লগত অতি সোনকালে যোগাযোগ কৰি জনাব লাগে । ২৬ খন কলেজৰ ভিতৰত আৰু নতুনকৈ দহখন কলেজ লোৱা বুলি কৈছে তাৰমানে ছয়খন বাকী থাকিব আৰু যদি সেইটো হয় বিটিচিৰ শিক্ষা বিভাগৰ কাৰণে এটা মাইলৰ খুটি হ'ব । কিন্তু আৰ টি আই ত পোৱাৰ দৰে এই কলেজ বিলাক নামমাত্ৰ লৈ থৈ দিলে নহ'ব ,যাতে সামগ্ৰীক উন্নয়নৰ কাৰণে

ছিক্স ছিডিলৰ কাৰণে এই শিক্ষা বিভাগটো হায়াৰ ইডুকেশ্যনটো সহায় কৰিব বুলি মই আশা কৰিছো। মই শেষত এটা কথা ক'ব বিচাৰিম আমাৰ বিটিচি ত যি বিলাক ফৰেষ্ট এৰিয়া আছে, কাৰিগাওঁৰ পৰা এইখিনি আহোটে তাত এশ শতাংশ ফৰেষ্ট আছিল এতিয়া তাত এশ শতাংশ মানুহ হৈ গল। বিটিচিত যি চৰকাৰেই নাথাকক এই বিষয়টো যদি অসম চৰকাৰৰ ফৰেষ্টৰ ওপৰত যিটো অধিকাৰ আছে বিটিচি চৰকাৰৰো সেই অধিকাৰ থকাটো মই বিচাৰো উপাধ্যক্ষ মহোদয়। আমি এই বিষয়টো সামগ্ৰীক উন্নয়নৰ বাবে আলোচনা কৰিছো। সামগ্ৰীক উন্নয়ন মানে বিটিএডি ত যিখন চুক্তি হৈছিল ২০০৩ চনত আৰু বিটিআৰ চুক্তি এই দুখন আখৰে আখৰে পালন কৰিলে বিটিচি ৰ সমস্যাটো যথেষ্ট কম হ'ব আৰু ঠিক একেদৰে ডিমা হাচাওৰ সমস্যাটো সমাধান হ'ব, কাৰ্বি আংলংৰ সমস্যাটো সমাধান হ'ব ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়া।

**শ্ৰী মৃণাল শইকীয়া, (খুমটাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ যিটো বিষয় Socio economic all round development of the sixth schedule areas of Assam. Subject টোৰ ওপৰত আমাৰ মাননীয় অধ্যক্ষ মহোদয়ে যোৱা ১১ ফেব্ৰুৱাৰীত এটা আলোচনা আৰম্ভ কৰিছিল ঠিক আজিৰ দিনটোৰ preparation ৰ কাৰণে আৰু তাত আমাৰ কেইজনমান বিধায়ক উপস্থিত আছিলো লগতে আমাৰ stake holder সকল আছিল। আমি sixth schedule areas মানে তিনিটা অঞ্চলকে বুজো-Bodoland, কাৰ্বি আংলং আৰু ডিমা হাচাও। যিমান কথা আলোচনা হৈছে তাৰ ভিতৰত মই সৰু সুৰা কথা ক'বলৈ যাম আৰু যিখিনি কথা মই ক'বলৈ যাম সেই stake holder খিনিয়ে যিখিনি কথা কৈছিল তাৰ আঁত ধৰি কথাটো ক'বলৈ যাম। সেইদিনাখন দুজন stake holder ৰ কথা মোক অলপ চুই গৈছিল আৰু জীমূেগমতে কথা যেন তেওঁলোকৰ কথাবিলাক লাগিছে। এজন PhD researcher Dersang Musahari আৰু Daniel Langthasa.Dersang Musahari কোকৰাঝাৰৰ পৰা গৈছিল আৰু Daniel Langthasa social activist, ডিমা হাচাওৰ পৰা আহিছিল আৰু তেওঁলোকৰ কথাবিলাক শুনি ভাল লাগিছিল। তেওঁলোকে local economy ৰ কথা কৈছিল। তেওঁলোকে কৈছিলে -যে আমাৰ Sixth Schedule areas বিলাক মই বড়োলেণ্ড বাদ দি ডিমা হাচাও আৰু কাৰ্বি আংলং সকলোফালে ঘুৰিছো আৰু তাতে দেখিছো যে কি প্ৰকৃতিৰ কিমান সৌন্দৰ্য্য। এখেতসকলে কৈছিল যে আমাৰ যি ecology, সেই ecology টো destroy নকৰাকৈ development হয় আৰু তেওঁলোকে কৈছিল যে কাৰ্বি আংলং আৰু ডিমা হাচাও অসমৰ হাওঁফাও, তাত গছগছনিৰে ভৰা এটা এৰিয়া। সেইকাৰণে তেওঁলোকে সেইটো বস্তু ধ্বংশ নকৰাকৈ তেওঁলোকে development কৰিবলৈ গৈছে। আমাৰ বড়োলেণ্ড এৰিয়াত যিসকল ট্ৰাইবেল আছে, তাৰ এজন বক্তাই এটা অনুৰোধ কৰি আহিছে যে ট্ৰাইবেল এৰিয়াত প্ৰত্যেকঘৰ মানুহে গাঁহৰি পোহে এটা দুটা কাৰণ এইটো local economy. আমি local economy ৰ ওপৰত বেছি জোৰ দিব লাগে অকল Industrial যি economy তাতকৈ আমি local economy ৰ ওপৰত জোৰ দিয়াটো আমাৰ কাৰণে প্ৰয়োজন বেছি। What is local economy? আজি আমি যেতিয়া আহি আছিলো বাছেৰে কোকৰাঝাৰ টাউনলৈ সোমাই National Highway ৰ পৰা, তেতিয়া দেখিছিলো কেইবাখন দোকান য'ত মহিলাসকলে কুকুৰাবিলাক খাঙত ভৰাই থোৱা নাই, যেনেকৈ আমাৰ ফালে খাঙত ভৰাই কুকুৰা বেপাৰ কৰে। এখন ডাঙৰ চোতালত কুকুৰাবিলাকক বান্ধি বান্ধি থৈছে আৰু এগৰাকী মহিলাই বেচিবলৈ লৈছে, that is called

local economy. হয়তো বাইদেউ গৰাকীয়ে ঘৰৰ নিজৰ যিখিনি কুকুৰা পুহিছে বজাৰলৈ ৰাস্তাৰ কাষলৈ লৈ আহিছে বা হয়তো তেখেতে নিজৰখিনি অনাৰ লগতে ওচৰে পাঁজৰে যাৰ দুই এটা কুকুৰা আছে লৈ পেলাই তাত বেচিবলৈ আহিছে, that is local economy আৰু যি গাঁহৰি পালো আমি আমাৰ tribal মানুহসকলে পোহেঁ আৰু আমাৰ ফালেও Sixth Scheduled area ক বাদ দি প্ৰায় বেচিভাৰ মানুহৰ ঘৰত দুই এটা গাঁহৰি পালন কৰে। সেই হেতুকে আমাৰ proposal যি দেখি শুনি কৈছো যে এটা fodder card যি ধৰণেৰে ৰেচন কাৰ্ডত চাউল পাওঁ। যদি এটা fodder card দিয়াৰ ব্যৱস্থা কৰা হয় যে subsidised rate ত গাঁহৰিৰ দানা পায়। কাৰণ আমি গাওঁবিলাকত দেখিছো যে গাঁহৰিৰ দানাৰ দাম বহুত আৰু লাভৰ বেচিভাৰ অংশই দানাত গুচি যায়। আমি লাখ লাখ কুইন্টল চাউল মানুহবিলাকক বিনামূলীয়াকৈ দি আছো সেইহেতুকে আমি যদি fodder card সৃষ্টি কৰো ডাঙৰ ডাঙৰ গাঁহৰিৰ ফাৰ্ম বিলাকৰ কাৰণে নহয়, যিজনে এটা দুটা গাঁহৰি পুহিছে তেওঁলোকৰ কাৰণে fodder card থাকিব, তেখেতেসকলে গৈ দোকানৰ পৰা subsidised rate ত গাঁহৰিৰ দানা আনিব আৰু পুহিব আৰু মই এইটো কেৱল Sixth Schedule area ৰ কাৰণে কোৱা নাই, মই গোটেই অসমত যিমান সৰু সৰু গাঁহৰি পালক আছে। তেখেতসকলৰ বাবে fodder card system এটা কৰিবলৈ মই সদনৰ যোগেদি চৰকাৰক দৃষ্টি আকৰ্ষণ কৰিছো। আৰু এটা কথা যে গাঁহৰি বিলাকৰ কাৰণে PMAY House দিওঁ, প্ৰধান মন্ত্ৰী আৱাস যোজনা, তেনেকুৱা যদি ৪০০০ বা ৫০০০ চৰকাৰৰ ফালৰ পৰা খৰছ কৰি যদি এটা Pig House দিয়া হয়, তেতিয়া তেওঁলোক গাঁহৰি পালিব আৰু এটোৱে এটা revolution আনিব local economy ত। মই কৈছো যে গাঁহৰি বহুতে পোঁহে আৰু গাঁহৰিটো এটা ভাল economy হৈ আছে। এইবিলাকে আমাৰ local economy. এটা local Industry হ'লে হয়তো ১০ শতাংশ, ২০ শতাংশ মান তাৰপৰা লাভান্বিত হ'ব কিন্তু local economy ত মানুহে যেতিয়া জড়িত হয়, তেনেকুৱা ধৰণৰ গাঁহৰি পালন, কুকুৰা পালন, মাছ পালন সেইবিলাক কিন্তু এটা বহল অংশৰ ৰাইজ ইয়াৰ পৰা উপকৃত হয়। এইবোৰ জাতি যেতিয়া self-reliant হ'ব, স্ব-গৌৰৱে যেতিয়া নিজে এটা income কৰিব তাতে এটা জাতি উপৰলৈ যোৱাৰ ডাঙৰ এটা পথ হয়। আমাৰ যিটো কাৰ্বি আংলং আৰু ডিমা হাচাও, মই কৈছো যে প্ৰাকৃতিকভাৱে অতি সৌন্দৰ্য্য, খুৱ সুন্দৰ আৰু ডিমা হাচাও 'Judima festival' পাতে য'ত Judima বুলি যি local wine ওলায়, তাৰ GI tag ও আছে। মই Judima festival লৈ নিজেও গৈছো, ইমান এটা সুন্দৰ festival. কাৰ্বি আংলং মোৰ সীমাতে লাগি আছে। এফালে খুমটাই আনফালে মাননীয় উপাধ্যক্ষৰ বোকাজান। তাতে এটা নামবৰ ৰিজাৰ্ভ ফৰেষ্ট আছে আৰু নামবৰত এটা Biodiversity ৰ richest ঠাই অসমৰ। তাতে hot water spring এটা আছে। তাৰ লগতে ফটাশীল বুলি এটা waterfall আছে। যিটো Forest Department য়ে tourist ৰ কাৰণে বন্ধ কৰি থৈছে। মই মাননীয় আমাৰ Hon'ble Forest Chandra Mohan Patawary Sir ইয়াত উপস্থিত আছে আৰু তেওঁক মই ক'ব বিচাৰিছো টে ছাৰ, আমাৰ নামবৰ হাবিৰ মাজত গৰম পানীৰ ওচৰত ফটাশীল বুলি waterfall আছে। আমি সৰুতে চাইকেল মাৰি গৈছিলো, পিকনিক খাবলৈ গৈছিলো কিন্তু সেইটো এতিয়া বন্ধ কৰি থৈছে। মই অনুৰোধ কৰিম যাতে সেইটো tourism ৰ কাৰণে খুলি দিব লাগে গৰম পানীৰ ওচৰত ফটাশীল waterfall.কাৰ্বি আংলঙৰ কাৰণে আমাৰ tourism ৰ কাৰণে বহুত scope আছে, যেনে-

River tourism, Elephant Tourism, Biodiversity Tourism হ'ব পাৰে। যিটো আমাৰ খুমটাই আৰু বোকাজান মৰমী অঞ্চল। খুমটাই আৰু বোকাজানৰ মাজত সুন্দৰ দৈগুৰং নদী, কাৰ্বি আংলঙ নদী আছে সীমাত কাৰ্বি আংলং আৰু গোলাঘাট জিলাত পৰে। সেইটোক লৈ এটা tourism হ'ব পাৰে আৰু tourism ৰ যোগেদি এটা ডাঙৰ প্ৰকৃতি ধ্বংশ নকৰাকৈ এটা local Economy সৃষ্টি কৰি পাৰি। সেই আমি Six Schedule areas all round development কৰিবৰ কাৰণে এইখিনি কাম কৰিব লাগিব। গাঁহৰি পালন যিসকলে কৰি আছে তেখেতক influence কৰিব লাগিব, tourism টো boost up কৰিব লাগিব, যিটো পৰ্য্যটক এতিয়াও হয় কিন্তু মিহি মিহি। অসমৰ পৰ্য্যটক বুলি ক'লে মানস, কাজিৰঙা সেইখিনিতহে সীমাবদ্ধ থাকো। কিন্তু নামবৰ এটা ডাঙৰ পৰ্য্যটনথলী হ'ব পাৰে। কাৰ্বি আংলং আৰু গোলাঘাট জিলাক সামৰি এটা সুন্দৰ পৰ্য্যটনথলী হ'ব পাৰে তাত এটা আমাৰ Wildlife safari হ'ব পাৰে। যিটো Gypsy safari কাজিৰঙা, মানসত আছে। তেনেকুৱা Gypsy safari হ'ব পাৰে। আজি tourism ৰ মন্ত্ৰী মহোদয় আছে, আমাৰ ফৰেষ্ট মন্ত্ৰী আছে, বিত্ত মন্ত্ৰী আছে সেইকাৰণে মই সকলোকে অনুৰোধ কৰিছো যদি আমাক all round development লাগে তেন্তে আমি অকল Industry ৰ কথা নাভাবি আমাৰ ecology আৰু environment ক disturb নকৰাকৈ আমি সৰু সৰু development যি প্ৰত্যেকজন মানুহক চুই যায়,তেনেকুৱা development ৰ কথা আমি চিন্তা-চৰ্চা কৰিব লাগে।

(Hon'ble MLA Shri Jalen daimari in the Chair)

**মাননীয় সভাপতি ঃ (শ্ৰী জলেন দৈমাৰী, তামোলপুৰ):** এতিয়া সন্মানীয় সদস্য শ্ৰী বিশ্বজিৎ ফুকন, আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী বিশ্বজিৎ ফুকন, সৰু পথাৰ ঃ** মাননীয় সভাপতি মহোদয়, জনজাতি লোকসকলৰ যি নিজা ভাষা, সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰা, তেওঁলোকৰ লোকাচাৰ, তেওঁলোকৰ জীৱন ধাৰণ পদ্ধতি বা ধৰ্মীয় বিশ্বাস এই সকলোবিলাক সুৰক্ষিত কৰিবৰ বাবে ভাৰতীয় সংবিধানে উত্তৰ পূৰ্বাঞ্চলৰ পাহাৰীয়া লোকসকলৰ বাবে Sixth Schedule ৰ ব্যৱস্থা কৰিছিল আৰু এই Sixth Schedule ৰ ব্যৱস্থা কৰা সময়তে বিশেষকৈ যিসকল লোকৰ জনজাতি লোক শ-শ বছৰ ধৰি হাজাৰ বছৰ ধৰি এই ভুখণ্ডত বাস কৰিছে, তেওঁলোকৰ ভৱিষ্যৎ যাতে সুৰক্ষিত হৈ সেই কথা চিন্তা কৰি আইন প্ৰনয়ণ কৰা হৈছিল আৰু অসমত সেই সময়ত উত্তৰ কাচাৰ আৰু মিকিৰ পাহাৰক লৈ গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ দুৰদৰ্শী ফলস্বৰূপে গঠন হোৱা Sixth Schedule ৰ যি স্বায়ত্ত শাসিত জিলাসমূহে সেই অঞ্চলৰ ৰাইজৰ আশা-আকাঙ্খা প্ৰতিনিধিত্ব হোৱাৰ বাবে বিগত প্ৰায় ৭৫ বছৰ সময় প্ৰচেষ্টা চলাই আহিছে। আজি আমি Sixth Schedule এৰিয়াৰ যেতিয়া আৰ্থ সামাজিক আৰু সামগ্ৰিক বিকাশৰ কথা আলোচনা কৰিম এই কথা আলোচনা কৰিবৰ সময়ত আজি যি বিকাশ হৈছে আৰু পূৰ্বতে যি পৰিৱেশ আছিল সেই পৰিৱেশৰ কিছু তুলনা কৰাৰ প্ৰয়োজন আছে। এটা সময় আছিল ডিমা হাচাও ৰ দৰে অঞ্চলত কাৰ্বি আংলঙৰ দৰে অঞ্চলত বা Sixth Schedule ৰ পৰৱৰ্তী সময়ত অন্তৰ্গত হোৱা BTC অঞ্চলত আইন শৃংখলা জনিত পৰিস্থিতি ইমানেই ভয়ানগ আছিল যে এই অঞ্চলৰ উন্নয়ণ বাট-পথ, এই অঞ্চলৰ শিক্ষা, এই

অঞ্চলৰ অৰ্থনীতি এইবিলাক কথা আলোচনা কৰাত কোনো অৱকাশেই নাছিলে। ডিমা হাচাওৰ অৱস্থা এটা সময়ত এনেকুৱা আছিল যে বাকী লোকৰ কথাতো বাদেই, কংগ্ৰেছৰ দিনত বিধায়ক বা সেই সময়ত ৰাজনৈতিক নেতা সকলৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা নাছিল। ঠিক তেনেকৈ কাৰ্বি আংলং আৰু বড়োলেণ্ড এৰিয়াত বিভিন্ন সময়ত বন্দুকৰ যি জনজননী হৈছিল, এই জনজননীয়ে আমাৰ অঞ্চলটোৰ উন্নয়ণ স্থবিৰ কৰি দিছিল। আজি উন্নয়ণৰ প্ৰসঙ্গ যেতিয়া আলোচনা কৰিবলৈ ওলাইছো আমি দেখিছো যে Sixth Schedule এৰিয়াত আজি আমি আমাৰ বিধান সভা অনুষ্ঠিত কৰিছো আৰু ইমান সুন্দৰ এখন ঠাই কোকৰাঝাৰলৈ আহিছো। গুৱাহাটীৰ পৰা কোকৰাঝাৰলৈ আহোতে আমি ৰাস্তাত এটা গাত ও প্ৰত্যক্ষ কৰা নাই। ইমান মসৃন পথেৰে আমি আহি কোকৰাঝাৰ পাইছোহি। এইয়াই হ'ল আমাৰ উন্নয়ণৰ নমুনা। আজি ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণত উল্লেখ কৰিছে যে Sixth Schedule ত এৰিয়াত Goodwill মিছনৰ অধীনত ৬০০ কিলোমিটাৰ ৰাস্তা পকীকৰণৰ কাম হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নবীকৰণ আঁচনিত ৪০০ কিলোমিটাৰতকৈও অধিক ৰাস্তা পকীকৰণ হৈছে। শিক্ষা, ৰাস্তা-ঘাট, চিকিৎসা প্ৰায় প্ৰত্যেকটো ক্ষেত্ৰতে কাৰ্বি আংলং হওঁক, ডিমা হাচাও হওঁক বা বড়োলেণ্ড এৰিয়াৰ উন্নয়ণ ঘটিছে। আজি উন্নয়ণৰ যি ধাৰা সেই ধাৰা এনেদৰে প্ৰবাহিত হৈছে যে আগতে আমি কৈছিলো যে জনজাতি লোক সকল য'ত বাস কৰে সেই অঞ্চল বিলাকত উন্নয়ণ নহ'ব। জনজাতি লোক সকল য'ত বাস কৰে তেওঁলোকৰ ভাষা-সংস্কৃতি, কৃষ্টি, লোকাচাৰ হেৰাই যাব। তাৰ পৰিবৰ্ত্তে কিন্তু আজি Sixth Schedule ত এৰিয়াত জনজাতি লোকসকলৰ ভাষা-সংস্কৃতি, কৃষ্টি, লোকাচাৰ, ধৰ্ম আদিয়ে অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰি ৰাখিছে। মাননীয় সভাপতি মহোদয়, সময়ৰ প্ৰতি লক্ষ্য ৰাখি মই বিশেষ ক'ব খোজা নাই। মাত্ৰ এটা কথা ক'ব বিচাৰিছো যে সামগ্ৰিক বিকাশ আৰু সামজিক উন্নয়ণৰ কথা আমি যেতিয়া আলোচনা কৰিম তেতিয়া আজিৰ পৰা ১৫ বছৰ পূৰ্ব্বে অসমখনৰ বা Sixth Schedule এৰিয়াৰ অৱস্থা, আৰ্থ-সামাজিক ব্যৱস্থা আৰু আজিৰ পৰা ১৫ বছৰ আগত এই Sixth Schedule এৰিয়াত কেনেধৰণৰ চিকিৎসা ব্যৱস্থা আছিল এইখিনি কথা আমি লক্ষ্য কৰিলে আমি এটা কথা ক'ব পাৰো যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত Sixth Schedule ক বাকী এৰিয়াৰ বাবে আদৰ্শ হৈ যি আগবাঢ়ি গৈছে তাৰবাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় সভাপতি ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া। আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় সভাপতি মহোদয়, কোকৰাঝাৰত অনুষ্ঠিত অসম বিধান সভাৰ প্ৰথমখন অধিবেশনত অংশগ্ৰহণ কৰি পোন প্ৰথমে মই বড়ো জাতীয়তাবাদী আন্দোলনৰ প্ৰাণ প্ৰতিষ্ঠাতা তথা অসমীয়া জাতীয় জীৱনৰ অন্যতম পুৰোধা ব্যক্তিত্য গুৰুদেৱ কালীচৰণ ব্ৰহ্ম ডাঙৰীয়াৰ লগতে অসমৰ জনজাতীয় আন্দোলনৰ নেতা, মৃত্যুৰ দিনলৈ ভাৰতীয় জাতীয় কংগ্ৰেছৰ পতাকাৰ তলত অসমৰ জনজাতীয় সমাজক সমবেত কৰি জনজাতীয় সমাজৰ মুক্তিৰ চিন্তা কৰা প্ৰাক্তণ মন্ত্ৰী, প্ৰাক্তণ সাংসদ ৰূপ নাথ ব্ৰহ্ম ডাঙৰীয়াৰ উপৰি এসময়ৰ ট্ৰাইবেল লীগৰ অ-বিংসবাদী নেতা তথা অসমীয়া জাতিটোক সংহতকৰণৰ আন্দোলনৰ অন্যতম গুৰি ধৰোতা ভীমবৰ দেউৰীলৈ সশ্ৰদ্ধ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছো। এই ছেগতে মই বড়ো জাতীয় আন্দোলনৰ অন্যতম নেতা, বড়ো জাতিৰ সাহসৰ প্ৰতীক বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম, বড়ো জাতীয়

আন্দোলনত অংশগ্ৰহণ কৰি শ্বহীদৰ মৃত্যুবৰণ কৰা প্ৰতিগৰাকী বীৰ যোদ্ধাৰ লগতে বড়ো জাতীয় আন্দোলনৰ সময়চোৱাত বিভিন্ন সংঘৰ্ষত মৃত্যুবৰণ কৰা প্ৰতিগৰাকী সামৰিক আৰু অসামৰিক তথা নিৰীহ আৰু নিৰ্দোষী ব্যক্তিলৈকো মই আন্তৰিক শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছো। উত্তৰ-পূৰ্ব্বাঞ্চলৰ পৰ্বতীয়া এলেকা সমূহত বসবাস কৰা জনজাতীয় ভাই সকলৰ আৰ্থ-সামাজিক উন্নয়ণ, ভাষিক, সাংস্কৃতিক, নৃ-গোষ্ঠীগত সুকীয়া বৈশিষ্ট সমূহৰ সুৰক্ষা আৰু সংবৰ্ধৰ লগতে তেওঁলোকৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ আমাৰ সংবিধান প্ৰণেতা সকলে ভাৰতীয় সংবিধানত ষষ্ঠ অনুসূচীৰ স্বায়ত্বশাসিত ব্যৱস্থা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এনে এটা উচ্চ ক্ষমতা সম্পন্ন স্বায়ত্বশাসিত ব্যৱস্থা ভাৰতীয় গণতান্ত্ৰিক সাংবিধানিক ব্যৱস্থাৰ ক্ষেত্ৰত ইতিবাচক হ'ব নে নেতিবাচক হ'ব সেই সংবিধান সভাত সুদীৰ্ঘ আৰু উত্তপ্ত বাক-বিতণ্ডাৰ সৃষ্টি হৈছিল বা কংগ্ৰেছৰ শীৰ্ষ স্থানীয় নেতা গোপীনাথ বৰদলৈৰ ডাঙৰীয়াৰ নেতৃত্বত গঠিত বৰদলৈ উপ-সমিতিৰ পৰামৰ্শৰ আধাৰত সেই সময়ৰ অসমৰ পাৰ্ব্বত্য অঞ্চলৰ জনজাতীয় ভাই সকলৰ স্বাৰ্থত ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিত পৰিষদৰ ব্যৱস্থা কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। অৱশ্যে এই ধৰণৰ উচ্চ ক্ষমতা সম্পন্ন আৰু কঠোৰ স্বায়ত্বশাসিত পৰিষদৰ ব্যৱস্থাটোৱে আমাৰ পৰ্ব্বতীয়া জনজাতীয় ভাই ভনী সকলৰ সৈতে তেওঁলোকৰ পাৰ্শ্ববৰ্ত্তী অঞ্চলৰ বিভিন্ন অ-জনজাতীয় জনগণৰ সংমিশ্ৰণ, সমন্বয় আৰু সম্প্ৰীতিৰ ক্ষেত্ৰত প্ৰত্যাহ্বান মূলক হ'ব পাৰে বুলি সহমত পোষণ কৰিছিল। সেই মৰ্ম্মেই আমাৰ সংবিধান সভাৰ সন্মানীয় সদস্য সকলে সংবিধান প্ৰণয়নৰ সময়ত ঐক্যমতত উপণীত হৈছিল যে পৰ্ব্বতীয়া জনজাতীয় ভাই-ভনী সকলৰ বাবে সুকীয়াকৈ প্ৰনয়ণ কৰা ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিত পৰিষদৰ ব্যৱস্থাটো ভৈয়াম অঞ্চলৰ .জনজাতীয় সম্প্ৰদায়ৰ ভাইভনী সকলৰ ক্ষেত্ৰত কেতিয়াও প্ৰযোজ্য কৰিব পৰা নাযাব। কিন্তু ভাৰতীয় মহান সংবিধানখন কাৰ্য্যকৰী কৰাৰ ছয় দশকৰ পিছত এক বিশেষ পৰিস্থিতিত ২০০৩ চনত ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিতপৰিষদৰ ব্যৱস্থাটো ভৈয়াম অঞ্চললৈ সম্প্ৰসাৰিত কৰা হ'ল। ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে সেই সময়ৰ আন্দোলনত সশস্ত্ৰ সংগঠন বড়ো লিবাৰেশ্যন টাইগাৰ (BLT) ৰ সৈতে কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ সৈতে সম্পাদিত ত্ৰিপাক্ষিক চুক্তিৰ জৰিয়তে ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত অসমৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত Bodoland Territorial Area District (BTAD) বা Bodoland Territorial Council (BTC) গঠন কৰা হ'ল। এইটোৱে হৈছে ভাৰতৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত ভৈয়াম অঞ্চলত গঠিত প্ৰথমটো ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিত পৰিষদ। অসমৰ পৰা নাগালেণ্ড, মেঘালয়, অৰুণাচল প্ৰদেশ, মিজোৰাম বিছিন্ন হৈ যোৱাৰ পিছত অসমৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত পাৰ্ব্বত্য এলেকাক সামৰি মাথো কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ বা বৰ্তমানৰ ডিমা হাচাও স্বায়ত্বশাসিতপৰিষদ দুখনে ষষ্ঠ অনুসূচীৰ স্বায়ত্বশাসিতপৰিষদ ৰৈ গৈছে। এই দুইখন ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিতপৰিষদ আছিল পাৰ্ব্বত্য অঞ্চল সাঙুৰী। কিন্তু, বিটিএডি খন ভৈয়াম অঞ্চল সামৰি গঠন কৰিবলৈ যোৱাত ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিতপৰিষদীয় ব্যৱস্থাৰ কিছুমান সংশোধনৰ ব্যৱস্থা কৰিব লগীয়া হ'ল। সংবিধান সংশোধন ঘটাই ভাৰতীয় সংসদে ২০০৩ চনৰ নৱেম্বৰ মাহত অসমৰ ভৈয়াম এলেকাত প্ৰথমটো ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিত পৰিষদ গঠনত অনুমোদন জনালে ঠিকেই কিন্তু এই সংশোধনীৰ সময়ত ভূমিৰ অধিকাৰৰ প্ৰশ্নত যি সংশোধনীৰ আশ্বাস .ব্যক্ত কৰা হৈছিল সেইয়া আজিলৈকে কাৰ্য্যকৰী কৰা নহ'ল। ফলত বিটিএডি এলেকাৰ গৰিষ্ঠ সংখ্যক লোকৰ মনত ক্ষোভৰ জুই জ্বলি আছে। যি জুই নিৰ্বাপিত কৰাৰ ক্ষেত্ৰত বিটিএডি কতৃপক্ষই যেনেকৈ দায়িত্বশীল ভূমিকা পালন কৰাত ব্যৰ্থ হৈছে একেদৰেই ব্যৰ্থ হৈছে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ। মনত ৰখা প্ৰয়োজন ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিত পৰিষদীয়

ব্যৱস্থাটো পাৰ্বত্য অঞ্চলত সাঙুৰী এই কাৰণেই গঠনৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছিল যে সেই অঞ্চলবোৰত ৯০-১০০% লৈকে জনজাতীয় লোকেৰে থুপ খাই আছে। কিন্তু বিটিএডিৰ পৰিস্থিতি সুকীয়া। ইয়াত কম জনজাতীয় লোকৰ বসতি আৰু বড়ো জনজাতীয় লোকৰ সংখ্যা মাত্ৰ ২৬ শতাংশৰ ওচৰা-ওচৰি। সেয়েহে এনে এক জটিল আৰু মিশ্ৰ জন গাঁথনি পূৰ্ণ এলেকাত পাৰ্বত্য এলেকাৰ আৰ্হিত ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিত পৰিষদীয় ব্যৱস্থাটো কাৰ্য্যকৰী কৰিবলৈ গ'লে হিতে বিপৰীত হ'ব পাৰে। বিটিএডি চুক্তি অথবা বিটিচি আইন ফলপ্ৰসু ভাৱে কাৰ্য্যকৰী কৰিবলৈ হ'লে আমি বড়ো জনজাতীয় ভাই-ভনী সকলৰ মৌলিক সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰত যিদৰে সৰ্বাধিক অগ্ৰাধিকাৰ দিব লাগিব সেইদৰেই এই স্বায়ত্বশাসিত পৰিষদৰ এলেকাত বসবাস কৰা ক্ষুদ্ৰ ক্ষুদ্ৰ জনজাতীয় জনগোষ্ঠীৰ উপৰি অন্যান্য জাতি-জনগোষ্ঠীৰ লোকৰ মৌলিক সমস্যাবোৰৰ ক্ষেত্ৰতো উপেক্ষাৰ দৃষ্টিৰে চোৱাতো ঠিক নহ'ব। তেওঁলোকৰ সামাজিক, সাংস্কৃতিক, ভাষিক অধিকাৰ সুৰক্ষিত কৰিবলৈ আমি সৰ্ব্বাধিক গুৰুত্ব আৰোপ কৰিব লাগিব। তেওঁলোকৰ উন্নয়ণৰ আকাংক্ষা, শান্তি আৰু সন্মান সহকাৰে জীৱন জীৱিকাৰ অধিকাৰ আমি সুৰক্ষিত কৰিব লাগিব। তেওঁলোকৰ ভূমিৰ ওপৰত থকা অধিকাৰ, চাকৰি-বাকৰিৰ অধিকাৰ, ঠিকা-ঠুকুলিৰ অধিকাৰকে ধৰি কোনো ক্ষেত্ৰতে যাতে বঞ্চিত অনুভৱ কৰিব নোৱাৰে সেই ক্ষেত্ৰত সৰ্বোচ্চ গুৰুত্ব আৰোপ কৰিব লাগিব। ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিত পৰিষদ গঠনৰ অন্যতম লক্ষ্য আৰু উদ্দেশ্য আছিল অঞ্চলটোত বসবাস কৰা জনজাতীয় লোক সকলৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাতো। জনজাতীয় ভাই-ভনী সকলৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ গৈ এনে পৰিষদীয় এলেকা গঠনৰ সময়লৈকে অথবা সম্প্ৰসাৰণৰ সময়লৈকে সংশ্লিষ্ট অঞ্চলটোত বসবাস কৰা অ-জনজাতীয় লোকৰ ভূমিৰ অধিকাৰ যাতে খৰ্ব কৰা নহয় সেই ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ মৌলিক উদ্দেশ্যটো আছিল জনজাতীয় লোকৰ সংখ্যাধিক্য অথবা বসতি বিশিষ্ঠ অঞ্চলটোত যাতে নতুন জন প্ৰবজনৰ গতি ৰোধ কৰিব পৰা যায়। এই ইঙ্গিত লক্ষ্য আমি পূৰণ কৰিব পাৰিছো নে? কাৰ্বি স্বায়ত্বশাসিত পৰিষদীয় এলেকা, ডিমা হাচাও স্বায়ত্বশাসিত পৰিষদীয় এলেকালৈ নতুন নতুন জন প্ৰবজনৰ সোঁত বোৱা বুলি সঘনাই অভিযোগ উঠি আহিছে। আনকি অঞ্চল দুটা বৃহৎ বৃহৎ ভুখণ্ড ৰাজ্যখনৰ অথবা বহিঃ ৰাজ্যৰ বৃহৎ বাণিজ্যিক গোষ্ঠীক হস্তান্তৰৰ প্ৰক্ৰিয়া চলিছে। এনে প্ৰক্ৰিয়া অব্যাহত থাকিলে জনজাতীয় ভাই-ভনী সকলৰযি স্বকীয়তা ৰক্ষাৰ বাবে ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিত পৰিষদীয় ব্যৱস্থাটো আমাৰ সংবিধান নিৰ্মাতা সকলে গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিছিল। সেইয়া অৰ্থহীন নহ'ব নে? গৌতম আদানি, ৰাম দেৱ আদিৰ দৰে বৃহৎ বাণিজ্যিক গোষ্ঠীক ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিত পৰিষদীয় এলেকাত ভূমি আবন্টন দিয়াৰ ব্যৱস্থা আজিলৈকে বন্ধ নকৰিলে। আবন্টন দিয়া ভূমি ক্ষীপ্ৰতাৰে ঘূৰাই লোৱাৰ ব্যৱস্থা নকৰিলে ভৱিষ্যতে ইতিহাসে আমাক ক্ষমা নকৰিব। ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিত পৰিষদীয় ব্যৱস্থাটো গঢ়ি তোলাৰ এক অন্যতম লক্ষ্য আৰু উদ্দেশ্য আছিল সংশ্লিষ্ট ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিত পৰিষদীয় এলেকাত বসবাস কৰা জনজাতীয় সম্প্ৰদায়ৰ ভাই-ভনী সকলৰ সংশ্লিষ্ট পৰিষদীয় এলেকাত বসবাস কৰা জনসমষ্টিৰ উন্নয়ণৰ ইঙ্গিত লক্ষ্য পূৰণ কৰা। এই লক্ষ্য পূৰণ কৰিবলৈ হ'লে সংশ্লিষ্ট ষষ্ঠ অনুসূচী ভুক্ত স্বায়ত্বশাসিত পৰিষদীয় এলেকালৈ পৰ্য্যাপ্ত পুঁজিৰ যোগান আৰু ইয়াৰ সৎ ব্যৱহাৰ নিশ্চিত কৰিব লাগিব। বৰ্তমানৰ অসম চৰকাৰেই হওঁক অথবা কেন্দ্ৰীয় চৰকাৰেই হওঁক এইক্ষেত্ৰত দায়িত্বশীলতাৰ পৰিচয় দিব পাৰিছেনে? অসমৰ ১১ শতাংশ ভূমি আৰু ১০ শতাংশ জনসংখ্যাৰ বসতিস্থল বিটিএডি লৈ ৰাজ্যৰ বাৰ্ষিক বাজেটৰ ২ শতাংশ ধনো যদি বছৰি আবন্টিত নহয়, তেনেহ'লে উন্নয়ণৰ ক্ষেত্ৰত বঞ্চনাৰ

ইতিহাস দূৰ কৰাতো সম্ভৱ হ'ব নে? আমি মনত ৰখা প্ৰয়োজন যে ষষ্ঠ অনুসূচী ভুক্ত কাৰ্বি আংলং আৰু ডিমা হাচাও স্বায়ত্বশাসিত পৰিষদত বাদ দিওঁ একমাত্ৰ বড়োলেণ্ড স্বায়ত্বশাসিত পৰিষদৰ মুঠ জনসংখ্যা উত্তৰ-পূৰ্ব্বাঞ্চলৰ অসম আৰু ত্ৰিপুৰাৰ বাদে বাকী ৰাজ্য কেইখনৰ তুলনাত অধিক। বিটিএডি ৰ জনসংখ্যা মেঘালয়, মিজোৰাম, মণিপুৰ, নাগালেণ্ড, অৰুণাচল প্ৰদেশ, চিকিম আদি উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যৰ তুলনাত অধিক হোৱাৰ পিছতো বিটিএডি অঞ্চললৈ কেন্দ্ৰীয় চৰকাৰৰ অনুদান কম কিয়? এই বিষয়টোৱে আমাৰ বিবেকক আঘাট নকৰে নে? শেহতীয়া বিত্তীয় বৰ্ষৰ ,বাজেটত কেন্দ্ৰীয় চৰকাৰে বড়োলেণ্ড স্বায়ত্বশাসিত পৰিষদলৈ মাত্ৰ ৫০ কোটি টকা অনুমোদন জনাইছে। যি বিগত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটৰ তুলনাত ১২৪.৬৬ কোটি টকা কম। এনেধৰণে যদি বড়ো স্বায়ত্বশাসিত পৰিষদৰ বাজেট কম হয় তেতিয়াহ'লে এই অঞ্চলৰ যি উন্নয়ণ সেইয়া আমি কেনেকৈ সম্ভৱ বুলি ক'ব পাৰিম?

**মাননীয় সভাপতি ঃ (শ্ৰী জলেন দৈমাৰী, তামোলপুৰ):** মাননীয় সদস্য ডাঙৰীয়া, আপোনাৰ সময় হৈ গৈছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় সভাপতি মহোদয়, মই এইখিনি চাবমিট কৰি দিম।

কাৰ্বি আংলঙৰ ক্ষেত্ৰত এইবাৰ বাজেটত কেন্দ্ৰীয়ভাৱে এইবাৰ ৫০ কোটি টকা দিয়া হৈছে, ডিমা হাচাওত ৫০ ৰ পৰা ১ কোটি টকা কৰা হ'ল। ২০১১ চনৰ চেনচাচ মতে কাৰ্বি আংলঙত ৯ লাখ জনসংখ্যা আৰু ডিমা হাচাওত ২ লাখ জনসংখ্যা আছে। কিন্তু বিটিচি এলেকাত ৩১ লাখ জনসংখ্যা আছে আৰু ইয়াত বাজেট হ্ৰাস কৰা হৈছে। অৱশ্যে এইক্ষেত্ৰত স্থানীয় স্বায়ত্বশাসিত পৰিষদে তেওঁলোকৰ আবন্টিত পুঁজিৰ পৰা পোৱা অনুদান সমূহ ব্যয় কৰিব পৰা নাই বুলি কৈছে। মই lay কৰাৰ আগতে দুদিনমান আগতে কোকাৰাঝাৰৰ গোষ্ঠী সংঘৰ্ষৰ ভয়াৱহ ছবি অদ্যপি বিদ্যমান স্কুলত 'খৰৰ' নামৰ এখন সংবাদ পত্ৰত প্ৰকাশিত হৈছে। এই অঞ্চলৰ এতিয়াও আমি যি আৰ্থ সামাজিক উন্নয়ণৰ কথা কৈছো , শিক্ষা-দীক্ষা, ৰাস্তা-ঘাট আদিৰ ক্ষেত্ৰত পুঁজিৰ আবন্টন স্বতেও যে এতিয়া ও উন্নয়ণ হোৱা নাই এই কথাখিনি উল্লেখ আছে। শেষত মই আৰু মাত্ৰ এটা কথা কৈ সামৰিব বিচাৰিছো। Pt. Neharu Once said " My ideas were not clear at all but, I felt that should avoid ol two txtreme courses : one was to treat them as anthropological specimens for study and the other was to allow them to be engulfed by the masses of Indian humanity;.

After that Dr. Ambedkar said 'The Tribal people in arears other than Assam are more or less Hinduised,more or less assimilated with the civilization and culture of the majority of the people in whose midset they live. With regard to the tribals in Assam that is not the case'.

**মাননীয় সভাপতি ঃ (শ্ৰী জলেন দৈমাৰী, তামোলপুৰ):** এতিয়া শ্ৰী বিদ্যা সিং ইংলেং আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী বিদ্যা সিং ইংলেং** ঃ সভাপতি মহাশয় আজি অসমৰ ৰাজনীতিৰ এটা ঐতিহাসিক দিন য'ত অসমৰ বিধান সভাৰ বাজেট অধিবেশনৰ প্ৰথম দিনটো BTR Assembly ত অনুস্থিত হৈছে

আৰু এইটো সম্ভৱ হৈছে মাননীয় অধক্ষ্য মহোদয় আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দূৰদৰ্যিতা আৰু মহানুভৰতাৰ বাবে। আৰু ইয়াত আলোচনা হৈ থকা 6 th Schudule Area বিষয়টো প্ৰথমতে Hills Area হে আৰাম্ভ কৰিছে, পিছত BTAD ও 6 th Schudule অন্তৰ্ভূক্ত হ'ল। সেই সময়ৰ মুখ্যমন্ত্ৰীয়ে কৈছিল যে " তহতে মেঘালয়ৰ লগত নাজাৰি আমাৰ লগতে থাকি যা" সেইটো হৈছে Under Article 244 of the constution of India, whean it is mentioned about two state within state. কিন্তু এইটো এতিয়ালৈকে আমাক দিয়া নাই, ৩০/৪০ বছৰ হ'ল সেই বাবে মাজে মাজে আমাৰ মানুহ বোৰে এই বস্তুটো দাবি কৰে সেইকাৰণে মই অনুৰোধ কৰিছো যে Article 244 A সোনকালে আমাৰ তাত বলবৎ কৰক। সেই কাৰণে আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই 6 th Schudule সম্পৰ্কে কি দুষ আছে তাৰ বাবে আজি এই বিশেষ অনুস্থানটো আয়োজন কৰা হৈছে আৰু 6 th Schudule সম্পৰ্কে আমাৰ Non 6 th Schudule Arear ৰ বিধায়ক কিছুমানেও বক্তব্য ৰাখিছে এইটো গুৰুত্ব পূৰ্ণ কথা। তেওঁলোকেও Article 244 A বলবত হোৱাটো বিচাৰিছে। এতিয়া মই পঢ়ি দিছো Karbi Anglang সম্পৰ্কত।

The Government of India and the Government of Assam have made persistent efforts in the past to fulfill the legitimate aspirations of the Karbi people, which led to devolution of more autonomy to the Karbi Anglong Autonomous Council and development of the area. Notwithstanding these initiatives, organizations representing the Karbi people continued to demand for creation of an Autonomous State under the Article 244A of the Constitution. In an effort to find a comprehensive and final solution to the issue several rounds of tripartite discussions were recently held with the leaders of Karbi armed groups as well as elected representatives of Karbi people. The negotiations have led to the signing of this Memorandum of Settlement, which will ensure greater devolution of autonomy to the Karbi Anglong Autonomous Council for the protection of identity, language, culture etc. of Karbi people. As well rehabilitation of cadres of the armed groups and focused on the development of the Council area without affecting the territorial and administrative integrity of Assam. The signatory armed groups have agreed to adjure violence and join the peaceful democratic process as established by law of the land.

In this regard, there are some key points :-

(a) The Committee of the Legislative Assembly of Assam as envisaged under Article 371B of the Constitution, will be constituted expeditiously.

(b) The Government of India may expedite passage of the Constitution (125th Amendment) Bill 2019, which proposes to rename the Council as Karbi Anglong Autonomous Territorial Council and increase the number of members to not more than 50 of whom 6 members including at least 2 women members will be nominated by the Governor and the rest of the members will be elected on the basis of adult suffrage.

(c) The Government of India and the Government of Assam will take necessary steps to reserve 34 seats of STs and 10 seats under Open category for all communities out of 44 elected seats in KAAC.

(d) The Constitution (125th Amendment) Bill 2019, proposes to transfer a number of subjects to KAAC by amending paragraph 3A(1) of THE Sixth Schedule to the Constitution ( Annexure –I)

Moreover, our some demands are as follows :-

(i) The Government of Assam shall set up a committee to study the demand for notifying Karbi language as an associate language in the State. The Committee will also recommend measures to further strengthen and popularize Karbi language at the national level including a suitable script in consultation with Karbi Literary Society and other Karbi Organizations.

(ii) The Government of India will examine the demand for notifying Karbi people living outside KAAC area as ST in Assam, in consultation with the Government of Assam. The Government of Assam may also consider conferring ST (Hill) status to Karbi people living outside KAAC area.

(iii) The Government of Assam shall set up a Karbi Welfare Council for focused on development of Karbi people living outside KAAC area.

**(মাননীয় উপাধ্যক্ষই সদনত অধ্যক্ষতা কৰে)**

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্যা শ্ৰী সুমন হৰিপ্ৰিয়া।

**শ্ৰী সুমন হৰিপ্ৰিয়া, ( হাজো ) ঃ** শ্ৰদ্ধাৰ উপাধ্যক্ষ মহোদয়, প্ৰথমতে আমাৰ মাননীয় অধ্যক্ষ

মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো, এনেকুৰা এটা initiative লোৱাৰ কাৰণে আমি আজি আহি বি টি আৰ ৰ head point কোকৰাঝাৰত উপস্থিত হৈছো। ইয়ালৈ বিধান সভাখন আহি গৈছে, আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো, মুখ্যমন্ত্ৰী মহোদয়ে এটা কথা কয়, অসমক ভাৰতৰ ভিতৰত উজলাই তুলিম। কিন্তু তেখেতে ভালকৈ জানে যে 6th schedule area নোহোৱাকে অসমখন ভাৰতৰ ভিতৰত উজলি উঠিব নোৱাৰে। সেয়ে তেখেতৰ এই initiative ক আমি সকলোৱে সলাগ লৈছো, আৰু যোৱা শনিবাৰে আমাৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই এটা মেছেজ দিছে, এই শুভক্ষণৰ বাবে যে বি টি আৰ অঞ্চলৰ উন্নয়নৰ বাবে আমাৰ কেন্দ্ৰীয় চৰকাৰ আৰু নৰেন্দ্ৰ মোডী ডাঙৰীয়াই সদায় কাম কৰি যাব আৰু শুভেচ্ছাও জ্ঞাপন কৰিছে আৰু মোডী ডাঙৰীয়াই যেতিয়া কোকৰাঝাৰলৈ আহিছিল তেতিয়া তেওঁ vibrant colour উৎসৱ আৰু কাপোৰেই হওঁক তেওঁ এইটো এতিয়াও মনত পেলায়। গতিকে সেই মেছেজটো আমি তেখেতৰ পৰা পাইছো। এতিয়া আমি যিহেতু 6th schedule areaএটা definite ভৌগলিক সীমাৰে স্বকীয় বৈশিষ্টৰে আমি মাটি, ভাষা, সাংস্কৃতিক সুৰক্ষা দি dignity, honour and prosperatory ৰে নিজৰটোethnic identity বজাই আমি উন্নয়নৰ পথেৰে আগুৱাবলৈ সক্ষম হৈছো, সেইটো আমি দেখা পাইছো। যিহেতু আমি সকলো ক্ষেত্ৰতে উন্নয়ন দেখা পাইছো ৰাস্তা-ঘাটৰ হওঁক বা শিক্ষা, বা স্বাস্থ্যই হওঁক দলং হৈছে, infrustructure development হৈছে, কিন্তু এই ক্ষেত্ৰত সেইদিনাstakeholder ৰ মিটিং ত তেওঁলোকে আমাক জনাইছে যে চাব, আমাৰ যিটো ecological balance সেইটো যাতে hamper নহয়, আমাৰ যিটো scenic beauty যিটোvirgin beauty সেইটো যাতে অক্ষুন্ন থাকে। তেওঁলোকে development ক welcome জনাইছে। কিন্তু তেওঁলোকৰ natural beauty ক কম্প্ৰমাইজ কৰিবলৈ মানা কৰিছে। আমাৰ চৰকাৰে নিশ্চয় তেওঁলোকৰ এই দিশটো চাব, সেইটো মোৰ দৃঢ় বিশ্বাস। দ্বিতীয়তে আমাৰ দূৰ্গা দাস বড়ো ডাঙৰীয়াই ইতিমধ্যে ক'লে যে কেনেকুৰা ধৰণৰ মনোবৃত্তিৰে কাম কৰিব লাগে। কিন্তু মই সেই ক্ষেত্ৰত সন্মত নহয়, কাৰণ truely, honestly আমাৰ কাউঞ্চিল সমূহে কাম কৰি গৈছে। যোৱা দুবছৰৰ আগত আমি সেইদিনা দেখা পালো, আমাৰ প্ৰমোদ বড়ো ডাঙৰীয়াই এটাprogrmme organise কৰিছিল,150 schemes in 100 days তাত ইমান ধুনীয়া,ধুনীয়াকৈ পদক্ষেপ লৈছে এইখিনি যদি ইমপ্লিমেন্ট হয়, তেতিয়া হ'লে এই অঞ্চল সমূহ ক'ৰ পৰা ক'লৈ গুছি যাব। ইমান ভাল লাগিল যে আমাৰ বড়োলেণ্ডত (BTID)Bodoland Teritorial Industrial Development Limited ৰ ফালৰ পৰা যিটো start up, fecilitation desk বঢ়োৱাৰ কথা কৈছে তাতে মাইক্ৰ' ফাইনেঞ্চৰ গোট থাকিব তেওঁলোকৰ উন্নয়ন হ'ব। কিন্তু এই বিলাক ক্ষেত্ৰত গুৰুত্ব দিব লাগিব,আমাৰ sustainable development তাত অধিক গুৰুত্ব দিব লাগিব। স্কীল ট্ৰেনিং দিয়াৰ ক্ষেত্ৰত কিছুমান orientation camp লাগে।তেতিয়া হ'লে আমি গম পাম যে সঁচাকৈ এই স্কীল ট্ৰেনিং বিলাক appropriate হৈছে নে নাই।Target Group বিলাকে পাইছেনে নাই তেওঁলোকৰ যি দক্ষতা সেই স্কীল ট্ৰেনিং পাইছেনে নাই, আমি তেওঁলোকৰ মনোভাবটো গম পাম এই orientation camp বিলাকৰ যোগেদি। সেয়েহে কিছুমান orientation camp ৰ প্ৰয়োজন আছে বুলি মোৰ ফালৰ পৰা এটা পৰামৰ্শ আগবঢ়ালো। দ্বিতীয়তে প্ৰতিটো development scheme ৰ লগত industry ক্ষেত্ৰতে হওঁক বা horticulture ক্ষেত্ৰতে হওঁক, এই অঞ্চলত horticulture ৰ ইমান সুবিধা আছে যে নেমু টেঙাৰ পৰা আৰম্ভ কৰি, কমলা, আনাৰসৰ

ভাল এখন পাৰ্ক যদি আমি কৰিব পাৰো আমি বেপাৰীৰ ওচৰত যাব নালাগে। বেপাৰী আমাৰ ওচৰলৈ নিজে আহিব। লগতে ক'ল ষ্টʼৰেজৰ ব্যৱস্থা কৰিব লাগিব। লগতে বজাৰৰ লগত সংযোগ থাকিব লাগিব। উপাধ্যক্ষ মহোদয়, গুৱাহাটীৰ ক্ষেত্ৰতেই আমি দেখিবলৈ পাওঁ প্ৰত্যেক বৃহস্পতি বাৰ আৰু দেওবাৰে আমি সকলো বেলতলা বজাৰলৈ যাওঁ, যিহেতু তাত ট্ৰাইবেল অঞ্চলৰ পৰা সাৰ নিদিয়া সামগ্ৰী বিলাক আহে। সেয়েহে এই অঞ্চ বিলাকত যদি অৰ্গেনিক পদ্ধতিৰে যদি খেতি কৰে, তেতিয়া এখন বৃহৎ বজাৰ পাবৰ কাৰণে সক্ষম হʼব। গতিকে মই সেই কাৰণে বজাৰৰ লগত সংযোগ স্থাপন কৰাৰ কথাটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছো। শেষত আমি বিচাৰিম Animal husbandary ৰ ক্ষেত্ৰত আমাৰ যি সকল ডেকা,লʼৰা ছোৱালী আছে তেওঁলোকে গাহৰি পালন আৰু ছাগলী পালনৰ দৰে ফাৰ্মৰ ব্যৱস্থা কৰি আত্মসহায়ক গোট কৰি যদি তেওঁলোকক আমি লোন নিদি যদি তেওঁলোকৰ কাৰণে direct Grant ৰ ব্যৱস্থা কৰো পৰ্যায় ক্ৰমে তেতিয়া আমাৰ লʼৰা-ছোৱালী বিলাকে ভাল পাব যে আমাৰ কাৰণে কাউঞ্চিলে কিবা ব্যৱস্থা কৰিছে। কাৰণ তেওঁলোকে বহু আশাৰে বাট চাই আছে। যদি সৰু সৰু গোট কৰি গাহৰি আৰু ছাগলী পালনৰ বাবে ব্যৱস্থা কৰি দিবলৈ আমি সক্ষম হম। ইয়াৰ লগতে শেষত আমি টুৰিজিমৰ ক্ষেত্ৰত home stay ৰ ব্যৱস্থা কৰি দিব পাৰো আজি কালি হোটেলত মানুহ নাথাকে home stay হে থাকে কাৰণ তেওঁলোকে নিজে ৰান্ধি বাঢ়ি খাব। আমি হাফলংক দ্বিতীয়খন চুইজাৰলেণ্ড বুলি কওঁ সকলোতকৈ ডাঙৰ কথা এই অঞ্চল বিলাকত মাইবং অঞ্চল আছে, Samparidisa Village আছে যিটো মাইবংৰ পৰা মাত্ৰ ১৩ কিঃ মিঃ দূৰত আছে আৰু যিখন মাইবং অঞ্চলৰ আটাইতকৈ পৰিস্কাৰ গাওঁ। তাতে যদি আমি home stay ৰ ব্যৱস্থা কৰি দিব পাৰো তেতিয়া হʼলে ভাল হয়।

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি আপোনাৰ বন্ধুবৰ্গক লৈ তাত ফুৰিবলৈ যাব তেতিয়া তাত টুৰিজিম প্ৰমোট হʼব। ধন্যবাদ। এতিয়া মাননীয় সদস্য জিৰন বসুমতাৰী।

**শ্ৰী জিৰন বসুমতাৰী, (গোসাইগাওঁ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বহুত জনে আগবঢ়োৱা বহু মন্তব্য আমি শুনিবলৈ পালো। নিশ্চয়কৈ আমি উপলব্ধি কৰিছো 6th schedule কাউঞ্চিল বিলাকৰ চৰকাৰৰ যিটো বৰ্তমান স্থিতি বা ৰাইজৰ যিটো আশা আকাংক্ষা সেইটো নিশ্চয়কৈ কʼৰবাত নহয় কʼৰবাত পুৰন কৰাত সম্পুৰ্ণ হোৱা নাই। তাৰ কাৰণে মাজে সময়ে 6th schedule কাউঞ্চিল বিলাকৰ পৰা বহুতো ওজৰ আপত্তি আমি দেখিবলৈ পাইছো। কিন্তু এই বাৰ আমাৰ অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ যিটো পদক্ষেপ এই পদক্ষেপত আমি 6th schedule কাউঞ্চিল বিলাকত বহুটো কাম কৰা দেখিবলৈ পাইছো। তথাপিও আমি অনুভৱ কৰিছো নিশ্চয়কৈ আৰু বহুত কৰণীয় আছে। কাৰণ আমাৰ 6th schedule কাউঞ্চিল বিলাকৰ জনজাতি সকলৰ পিছ পৰা অঞ্চল সমূহত কেনেকুৱা ধৰণৰ আমি উন্নয়ন কৰিব পাৰো তাৰ কাৰণে ৰাজ্য চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰে এই এলেকা সমূহত আমি 6th schedule হিচাপে পাবলৈ সক্ষম হৈছো। বিশেষকৈ আমি যিটো এমেনমেন্টৰ কথা কৈ আছো আমি যিটো ১২৫ যিটো এমেনমেন্ট বিলৰ কথা কৈছো আৰু যি বিল খন আনিলে নিশ্চয়কৈ আমাৰ 6th schedule অঞ্চল সমূহত উন্নয়ন খৰতকীয়াকৈ হʼব বুলি বিশ্বাস কৰো কাৰণ ২০১৯ চনত যিখন বিল অনা হৈছিল আৰু ৫ মাৰ্চ ২০২০ চনত সেইটো ৰাজ্য সভা আৰু লোক সভাত প্লেচ কৰিছে যদিও আজিলৈকে ডিবেট হোৱা নাই ৪-৫ বছৰ হৈ গʼল। ইয়াতো বোধয় কিছুমান এমেনমেন্টৰ প্ৰয়োজন আছিল। এইটোত আৰু যদি অনা হয়, আমি চাইছো বিল বিলাকত ইয়াতে এটা আমি দাঠি কʼব

লাগিব যে ইয়াত নিশ্চয় ফাইনেঞ্চৰ কথা আহিছে যে বি টি আৰ অঞ্চল হিচাপে ইয়াত ৩৫ লাখ জন সংখ্যা আছে আৰু আমি ষ্টেটমেন্ট বাজেটৰ পৰা ১২ শতাংশ যিহেতু গোটেই অসমৰ মানুহৰ জনসংখ্যাৰ ইয়াত ১২ শতাংশ মানুহ বস-বাস কৰে। সেই অনুপাতে যিখিনি আমাক দিয়ে বা আমি পাইছো বা কাউঞ্চিলে এইটো ব্যৱহাৰ কৰিছে, ইয়াত এইটো যথেষ্ট নহয় বুলি অনুভৱ কৰিছে তাৰ কাৰণে Article 280 যিটোত আমাৰ finance commission য়ে যিটো কেন্দ্ৰীয় আৰু ৰাজ্যৰ লগত মিলি, যিখিনি ষ্টেটত দিব লগা টকাখিনি দিয়ে ঠিক তেনেকুৱাকৈ কিবা এটা মেকানিজিমৰ যোগেদি, এমেনমেন্টৰ যোগেদি central ৰ পৰাdirect finance কৰি নাইবা এই আমাৰ 6th schedule কাউঞ্চিল বিলাকৰ বিত্তীয় যিটো অনুদান সেইটো বঢ়াই দিলে নিশ্চয় আমি বহুটো কাম কৰিব পাৰিম। আজিৰ তাৰিখলৈকে আমি যিটো দেখিবলৈ পাইছো বহুটো আন্তঃগাঠনি ইয়াত হৈছে আৰু বহুতো আন্তঃগাঠনি হ'বলৈ বাকী আছে। গতিকে বহুত টকাৰ প্ৰয়োজন।
কিবা থাকি গৈছে

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া , আজিৰ দিনটো অসম বিধান সভাৰ বাবে এটা ঐতিহাসিক দিন । পোন প্ৰথমবাৰৰ বাবে অসমৰ ৰাজধানীৰ বাহিৰত ষষ্ঠ অনুসুচীৰ অৰ্ন্তভূক্ত কোকৰাঝাৰৰ বিটিচি বিধান সভাত আজি এক দিনীয়া কাৰ্য্যসূচীৰে অসম বিধান সভাৰ বাজেট অধিবেশনৰ প্ৰথম দিনৰ কাৰ্য্যসূচী অনুষ্ঠিত কৰা হৈছে । তাৰ বাবে মই পোন প্ৰথমে মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় অধ্যক্ষ আৰু লগতে আপোনাকো মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো । আজি এটা গুৰুত্বপূৰ্ণ বিষয় - চিক্স চিডিউলৰ চোচিও ইকোনমি এণ্ড অল ৰাউণ্ড ডেভল'পমেন্টৰ ওপৰত এটা আলোচনা হৈছে । এই আলোচনাত শাসক বিৰোধীসকলে ইয়াতে অংশ গ্ৰহণ কৰিছে আৰু সকলোৱে ইয়াত সুন্দৰ পৰামৰ্শ আগবঢ়াইছে । ষষ্ঠ অনুসূচী এটা সাংবিধানিক প্ৰদত্ত ব্যৱস্থা । ইয়াত কাৰো দ্বিমত নাই ।৩ ভাৰতবৰ্ষই পৰাধীনতাৰ ছিকলি ছিঙি স্বাধীন হোৱাৰ পিচত অসমৰ ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঙৰীয়া আছিল ষষ্ঠ অনুসূচীৰ মূল খনিকৰ । তেখেতৰ পৰামৰ্শ অনুযায়ী সেই সময়ত আমাৰ ভাৰতৰ সংবিধানত ষষ্ঠ অনুসুচী অৰ্ন্তভূক্ত হৈছিল । ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হোৱাৰ পিচত ১৯৫০ চনত আমাৰ দেশখনত গণতন্ত্ৰ প্ৰতিষ্ঠা হয় । তাৰ পিচত ১৯৫২ চনত প্ৰথমে পাৰ্বত্য অঞ্চলৰ বাবে এই চিক্স চিডিউলখন কৰা হৈছিল । তাৰ পৰৱৰ্ত্তী সময়ত ২০০৩ চনত সেই সময়ৰ আন্দোলনকাৰী আবচু - ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ আলোচনামৰ্মে আমাৰ বিটিচি চুক্তি হৈছিল আৰু আমাৰ এই অঞ্চলটো স্বায়ত্ব শাসিত পৰিষদ হিচাপে স্বীকৃতি লাভ কৰিছিল । ইয়াৰ মূল উদ্দেশ্যটো হৈছে যে, আমাৰ এই অঞ্চলৰ জনজাতীয় মানুহখিনিৰ ভাষা, সংস্কৃতি, সাহিত্য, কৃষ্টি, লোকাচাৰ , বৰ্ণ ইত্যাদি যাতে সুৰক্ষিত হৈ থাকে লগতে তেওঁলোকৰ যি আশা আকাংখ্যা সেইখিনি যাতে বাস্তৱতা লাভ কৰিব পাৰে তাৰ বাবে এই চিক্স চিডিউল অৰ্ন্তভূক্ত কৰা হৈছিল আমাৰ ভাৰতীয় সংবিধানত । এই চিক্স চিডিউল অনুযায়ী আমি অসমত দেখিছো যে তিনিটা অঞ্চল চিক্স চিডিউল হিচাপে ঘোষণা কৰা হৈছে - এটা কাৰ্ব্বি আংলঙ আৰু ডিমা হাচাও জিলা আৰু আনটো হ'ল আমাৰ এই বিটিচি অঞ্চল । আমাৰ এই যিখিনি চিক্স চিডিউল এৰিয়াত বা জনজাতীয় অঞ্চলত লোকেল চৰকাৰ আছে , বা যিকেইখন স্বায়ত্ব শাসিত পৰিষদ আছে আৰু ইয়াত যিখিনি ক্ষমতা দিয়া হৈছে বা ইয়াৰ অধীনত যিখিনি বিভাগ স্থানান্তৰ কৰা হৈছে এই বিভাগসমূহে তেওলোকৰ পৰিকল্পনা প্ৰস্তুত কৰি সেই অঞ্চলবিলাকৰ বিকাশৰ বাবে আগবাঢ়ি যাব পাৰে। মাননীয় দূৰ্গাদাস বড়ো ডাঙৰীয়াই কৈছে যে, বিগত দিনত বহু ক্ষেত্ৰত ডিচক্ৰিমিনেশ্যন কৰা হৈছিল বুলি অনুভৱ কৰিছিল । ডিচক্ৰিমিনেশ্যন অকল অসমতে নহয় বেলেগ দেশ , অন্যান্য ৰাজ্য আৰু আন ঠাইতো আছে । আমি লক্ষ্য কৰিছো

যে, বিগত দুটা বছৰ বিজেপিৰ নেতৃত্বত দুবাৰ চৰকাৰ গঠন হল। কিন্তু আমাৰ জনজাতীয় সকলে যিধৰনে তেওঁলোকক ডিচক্রিমিনেশ্যন কৰা বুলি অনুভৱ কৰিছিল কিন্তু লাহে লাহে এই ডিচক্রিমিনেশ্যন কৰাটো মনৰ পৰা আঁতৰি যাব ধৰিছে । ইতিমধ্যে আমাৰ জনজাতীয় মানুহৰ যি আশা আকাংখ্যা, জনজাতীয় অঞ্চলত যিখিনি উন্নয়ণ , বিকাশ হ'ব লাগে , অৰ্থনৈতিক ভাৱে যিধৰণৰ বিকাশ হ'ব লাগে , আজি কিন্তু লাহে লাহে এই অঞ্চলবিলাকত উন্নয়ণ ক্ষিপ্রতাৰে হোৱা দেখিবলৈ পাইছো । আজি আমি মই এটা কথায়ে আমাৰ বিটিচি চৰকাৰখনক অনুৰোধ কৰিব বিচাৰিছো যে, হয়, ষষ্ঠ অনুসূচী মতে জনজাতীয় অঞ্চলৰ উন্নয়ণ তেওলোকে কৰিব লাগে । কিন্তু মই এটা কথা ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো লগতে বিটিচিৰো মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে, আমি মাজে মাজে এটা কথা শুনো । ইতিমধ্যে লৰেন্স ইছলাৰী ডাঙৰীয়াই কৈছে যে, যিখিনি বিটিচি অঞ্চলত থকা অজনজাতীয় মানুহ আছে সেই মানুহখিনিৰ বিকাশআৰু উন্নয়ণৰ বাবে হয়তো চিক্স চিডিউল অনুযায়ী কিবা হয়তো সাংবিধানিক কিবা বাধা থাকিব পাৰে, হয়তো কিছু অসুবিধা থাকিব পাৰে কিন্তু যদি কিবা বাধা বা অসুবিধা আছে তেনেহ'লে এনেকুৱা এটা মেকানিজিম সৃষ্টি কৰক যে যিটো মেকানিজিমৰ জৰিয়তে আমাৰ অজনজাতীয় মানুহখিনি সমস্যা আছে , সেই সমস্যা যাতে সমাধান কৰাৰ ক্ষেত্ৰত আপোনালোকে ব্যৱস্থা গ্ৰহণ কৰে । এইটো হ'ল মোৰ এটা বিশেষ অনুৰোধ । আজি চিক্স চিডিউলত ক্ষমতা আপোনালোকে আৰু অধিক বিচাৰিছে , নিশ্চয় দিব লাগে ইয়াৰ ওপৰত আমাৰ কোনো আপত্তি থাকিব নোৱাৰে বা নালাগে । ইতিমধ্যে আমি গম পাইছো যে এইক্ষেত্ৰত ১২৫ তম সংবিধান সংশোধন ৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ গৈছে । মই আশা ৰাখো যে, এই সংবিধান সংশোধনী প্ৰস্তাৱ বা পৰামৰ্শ গৈছে এইটো লোক সভাত কেন্দ্ৰীয় চৰকাৰে চলিত লোকসভাৰ অধীবেশনতে উত্থাপন কৰে আৰু যেন সেইটো অনুমোদন হয়। তাৰ বাবে আমি আমাৰ অসম বিধান সভাৰ জৰিয়তে বিশেষভাৱে সমৰ্থন জনাই সেই প্ৰস্তাৱটো যাতে কাৰ্য্যকৰী হয় তাৰ বাবে মই আপোনাৰ জৰিয়তে ৰাজ্য চৰকাৰক অনুৰোধ জনাইছো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰীৰমাকান্ত দেউৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি অসম বিধান সভা গুৱাহাটীৰ পৰা আহি বহুত কথা উপলব্ধি কৰিছো। মাননীয় ৰাজ্যপালৰ ভাষণৰ পিছত আজি প্ৰথম কাৰ্যসূচী আছিল sixth schedule ৰ ওপৰত আলোচনা। এই sixth schedule ৰ ওপৰত আলোচনাত বিভিন্ন জনে আমাৰ সন্মানীয় বিধান সভাৰ সদস্য সকলে বিভিন্ন ধৰণে ষষ্টম সূচী মতে তেখেত সকলে কাম কৰিছে। মনে মনে মই বহি আছিলো তেতিয়া দুই এজনে মোক কলে যে আপুনি এজন জনজাতি লোক ইয়াতে নকলে ক'ত কব। আজি এই sixth schedule ৰ জনগনৰ সমস্যা সম্পৰ্কে আলোচনা কৰিবলৈ দিছে এইটো আমাৰ অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰীৰ এটা দেহৰ বুদ্ধিৰ বৃহস্পতি তেখেতক মই ধন্যবাদ জনাইছো। বিভিন্ন জনজাতিয়ে সমস্যা সমূহৰ অন্যান্য জনজাতিয়ে কি ভাৱে আলোচনা কৰে তেওঁলোকৰ বক্তব্য কেনেধৰণৰ মন্তব্য কি ধৰণৰ তেওঁলোকৰ জনজাতি সকলৰ ওপৰত তেওঁলোকৰ মতামত কি আৰু জনজাতি সকলক তেওঁলোকে মৰমেৰে চাইনে নাচায় এই সম্পৰ্কে মোৰ মূল উদ্দেশ্য মাননীয় মুখ্যমন্ত্ৰীৰ কাৰণে।যে অন্যান্য জনজাতি সকলে যে অন্য জনজাতি সকলক মৰম কৰে এই আচল তাৎপৰ্য আছে এই কাৰ্যত। এতিয়া কথা হ'ল মই চন তাৰিখ নকও, কাৰণ বহু সংগ্ৰামৰ ফলত ভাৰত বৰ্ষত উত্তৰপূৰ্বাঞ্চলত আমাৰ দুখন জিলাই অৰ্থাৎ প্ৰথমে কাৰ্বিআংলং জিলা আৰু উত্তৰ কাছাৰ জিলাই sixth schedule পালে। এই সংগ্ৰামত

ভয়ামৰ জনজাতি সকলে ভাৰিলে যে sixth schedule পাহাৰত হয়। সাংবিধানিক হিচাপে দিয়া আছে কিন্তু আমাৰ ভয়ামত কিয় নহ'ব? এই sixth schedule ৰ কাৰণে অসমৰ সকলো জনজাতি সকলে সাংবিধানিক ভাৱে, বড়ো, ৰাভা, তিএগ্ৰা সকলোৱে একেলগে সংগ্ৰাম কৰিছিলো। কিন্তু সংগ্ৰাম কৰাৰ ফলত বড়ো সকলে sixth schedule পালে। কিন্তু বাকী কেইটামানে নাপালে। আমি কিন্তু কেইটামানে নাপালো। সেই নোপোৱা জনগোষ্ঠী কেইটাই আজিও কিন্তু আন্দোলন কৰি আছে। ৰাভা, মিচিং তিএগ্ৰা সকলে আজিও সংগ্ৰাম কৰি আছে। প্ৰতি বছৰে পাৰ্লিয়ামেন্টৰ সময়ত আমি ধৰ্না দিবলৈ যাও, কিন্তু আজিও কাৰ্যকৰী হোৱা নাই। সেইটো দূখৰ বিষয় যে কিয় কাৰ্যকৰী নহ'ল। তাত কৰবাত কিবা এটা হৈছে নেকি সেই কথাটো মাননীয় মুখ্যমন্ত্ৰীয়ে ভাৰিছে যে বড়ো সকলক দিলো, ভয়ামত বসবাস কৰা তিএগ্ৰা, ৰাভা, মিচিং সকলক দিয়াত আপত্তি কি? সেইটো আপত্তি যদি নাথাকে তাৰ কাৰণে অন্যান্য জনগোষ্ঠীয়ে সমৰ্থন কৰে নে নকৰে সেই কথাটো আজি স্পষ্ট ভাৱে প্ৰমাণ লবলৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই sixth schedule ৰ লগত সংগতি ৰাখি অসমৰ জনগোষ্ঠী সকলক সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক বিষয়ে এই আলোচনাটোত ভৰ্তি হৈছে। গতিকে এইটো ভাল পদক্ষেপ, এই কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। ইয়াৰ লগত বাকি থকা খিনিক কি কাৰণে দিব নোৱাৰে sixth schedule দিয়াৰ পিছতো তেওঁলোকক পূৰ্ণাংগ সমৰ্থন কিয় নিদিয়ে কি কথা, কি উদেশ্য, কি পাব। সংবিধানত নিয়ম এটাও আছে। এখন দেশৰ যি জনগোষ্ঠীৰ যি বাজেট কৰিব ১ লাখ টকা যদি বাজেট কৰে তাৰ ১০ শতাংশ জনজাতিৰ কাৰণে ৰিজাৰ্ভ ৰাখিব লাগে। ১ লাখৰ যেতিয়া ১০ শতাংশ হ'ব, তেতিয়া ১০০০০ হাজাৰ কোটি হ'ব, আৰু সেইটো কেন্দ্ৰীয় চৰকাৰলৈ বাজেট পঠিয়াব লাগে আৰু কেন্দ্ৰীয় চৰকাৰেও সেই ১০ শতাংশ জনগোষ্ঠী সকলৰ বাবে মুক্ত ভাৱে বাজেট নিৰ্দ্ধাৰণ কৰিব। মূল কথা টকা। টকা নহ'লে কি sixth schedule? গতিকে সেই কাৰণে সেই বৈসম্যটো জনজাতি সকলৰ কাৰণে অন্যান্য জনগোষ্ঠীয়ে যাতে বৈসম্যটো নাৰাখে আজি সেই কাম কৰিব। যদি বৈসম্যটো ৰাখে বিদেশীয়ে বাস কৰিব। যদি সেই তিৱা ছাত্ৰ সংস্থা পৰিষদে কৈছে যে কনটিনিউ তেওঁলোকৰ গাওঁ নাই, কিয় নাই? আজি আমাৰ ৫ লাখ জনসংখ্যা আছে, ভোটাৰ আছে ৩ লাখ। বাকী অন্যান্য sixth scheduleত থাকিব। তেওঁলোকক কল্যাণ পৰিষদ দিলে হয়। দিয়াত কি ক্ষতি হ'ল, কাৰ বাপেকৰ ঘৰৰ পৰা টকা দিব, কওক। চৰকাৰে দিব। গতিকে মই আহ্বান কৰিছো ইয়াত থকা প্ৰতিনিধি সকলে একেমুখে আহ্বান জনাব লাগে একে লগে সমৰ্থন জনাব লাগে যে sixth schedule ৰ দৰে অন্যান্য জনগোষ্ঠী অৰ্থাৎ ইয়াত থকা সকলো জনগোষ্ঠীৰ দৰে সমবিকাশ কৰি এখন উন্নত অসম গঢ়িবলৈ মুখ্যমন্ত্ৰী মহোদয়ে এই পদক্ষেপ গ্ৰহণ কৰিছে। গতিকে মই সকলোকে আহ্বান জনাইছো। যে জনজাতি সকলে যাতে লাঞ্ছিত হ'ব নালাগে সেই বঞ্চিত, লাঞ্চিত হোৱাৰ কাৰণে আজি ৭ ভনী হোৱাৰ ভাৰ হ'ল। কিয় ৭ ভনী হোৱাৰ ভাৰহ'ল? আজি বৰঅসম বুলি কৈছে, আজি সেই বৰ অসম এতিয়া নাই। সেই বৰ অসম কেতিয়াও আৰু হ'ব নোৱাৰে। কাৰণ আমাৰ পৰা বৰঅসম গুচি গ'ল। এতিয়া যি অসম খন আছে সেই অসম খনত আমি সকলোৱে জাতি জনগোষ্ঠীৰ সকলোৱে লগ হৈ এখন সুন্দৰ অসম গঢ়িবলৈ আমাৰ কাম্য। এইখিনিকে কৈ মোৰ বক্তব্য সামৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰীৰবিৰাম নাৰ্জাৰী।

**শ্ৰীৰবিৰাম নাৰ্জাৰী, পশ্চিম কোকৰাঝাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি 6th schedule area ত socio-economic and all round development, ইয়াৰ ওপৰত এই সদনত

আলোচনা কৰিবলৈ এটা নিৰ্ধাৰিত সময় দি আলোচনা কৰা হৈছে। এই আলোচনাত ময়ো অংশগ্ৰহণ কৰি মোৰ যিখিনি ক'বলগীয়া কথা প্ৰকাশ কৰিবলৈ থিয় হৈছো।

আজি আমাৰ কাৰণে এটা ঐতিহাসিক achievement and development বুলি মই ক'ব খুজিছো। অসম বিধান সভাৰ অধিবেশন আজি কোকৰাঝাৰ (BTR) ৰ বিধান সভাৰ কক্ষত অনুষ্ঠিত হোৱাৰ কাৰণে বি টি চি ৰ অধিবেশনখন আজি state level assembly status ৰ পৰ্য্যায়লৈ লৈ যোৱা হ'ল। এইটো আমাৰ কাৰণে এটা great achievement। ইয়াৰ কাৰণে মই প্ৰথমতে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মক
স্মৰণ কৰি তেখেতক ধন্যবাদ দিব খুজিছো, তেখেতে নেতৃত্ব দিয়া বড়ো আন্দোলনৰ কাৰণে আজি যিটো চুক্তি স্বাক্ষৰিত কৰি বি টি চি গঠন কৰা হৈছিল, permanent provision of the 6th schedule of Indian Constitution, আৰু ইয়াৰ সমাধানৰ পিছত গঠিত হোৱা বি টি চি arrangement ৰ ওপৰত আলোচনা কৰাৰ এই সুযোগতে আজি কোকৰাঝাৰত অসম বিধান সভাৰ অধিবেশন পাতিবলৈ সুবিধাখিনি পাইছোঁ আৰু ইয়াৰ কাৰণে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ এটা অৱদান বুলি মই কব খুজিছো।

Socio-Economic and all round development of the 6th Schedule area, এইটো যদি আমি সফল কৰিব লাগে, there should be a strong and stable government in the 6th Schedule Council, directly supported by the state and central government, otherwise it will not possible for the 6th schedule authority to bring about a all round development in area to bring about the socio-economic development in the area, গতিকে সেইটো যদি কৰিব লাগে, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ financial support, political support ৰ প্ৰয়োজন আছে।

এতিয়া 6th schedule আমি বি টি চি অঞ্চলত দুটা ৰূপত পাইছোঁ। প্ৰথম ৰূপত 6th schedule ২০০৩ চনৰ ১০ ফ্ৰেব্ৰুৱাৰী তাৰিখে পাইছিলো আৰু দ্বিতীয় ৰূপত 6th schedule ২০২০ চনৰ ২৭ জানুৱাৰীত বি টি আৰ চুক্তিৰ কাৰণে।

প্ৰথম ৰূপত 6th schedule ২০০৩ চনৰ ১০ ফ্ৰেব্ৰুৱাৰী তাৰিখত আছিল, তাত যিটো political status, সেই status ত কৰাবত নহয় কৰাবত আজিৰ যিটো নতুন ৰূপত 6th schedule পাইছো, তাৰ লগত অমিল হোৱা যেন মোৰ অনুভৱ হয়। সেইটো হ'ল যে পূৰ্বৰ যিটো 6th schedule আছিল, তাত স্পষ্টভাৱে লিখা আছিল যে clause no. 5.2, Chief and Deputy Chief, their status will be equivalent to the cabinent minister of the state and এইটো আচৰিত কথা যে ২০২০ চনৰ ২৭ জানুৱাৰীত হোৱা বি টি আৰ চুক্তিত ই এম বিলাকৰ status কি অৱস্থাত আমি আজিলৈকে নাজানিলো। তেখেতসকলৰ status টো কৰ্তন কৰা হ'ল। কাৰণ চি. ই.এম ৰ status টো চৰকাৰে নতুনকৈ notified কৰিলে। এইটো এটা abolise হৈছে নেকি, যাৰ কাৰণে নতুনকৈ notification দিয়াৰ কাৰণে বাহাল ৰাখিব লগীয়া হ'ল। আজিলৈ ইয়াৰ এটা আমাৰ প্ৰশ্ন হৈ গ'ল যে তেওঁলোকৰ ৰাজ্যিক পৰ্য্যায়ত যিটো status আছিল, যিটো প্ৰথমতে হোৱা 6th schedule বাহাল আছিল, এতিয়া নাই, সেইটো স্পষ্ট কৰি দিব লাগে। যদি নাই, তেতিয়া হলে আমাক সেইটো ঘুৰাই দিব লাগে। তেতিয়া

আমি ভাবিলৈ লম যে আমি পোৱা 6th schedule টো very must powerful।

মই আৰু এটা কথা ক'ব খুজিছো যে time to time interference from the state government boreaucrats upon the administratino of this BTR আমি দেখিবলৈ পাইছো। ২০২৪ চনৰ ৩০ চেপ্তেম্বৰ তাৰিখে অসম চৰকাৰৰ P&RD বিভাগৰ পৰা এটা order জাৰি কৰিলে regarding the delimitation of the development blocks - তাত তেখেতসকলে directly state government ৰ ফালৰ পৰা without having a discussion with the council authority, they have issued their order যে you should do this। এইটো এটা direct enforcement to the power এইটো হ'ব নালাগিছিল আৰু আগলৈ যাতে নহয় ইয়াৰ কাৰণে মই অনুৰোধ কৰিছো।

এতিয়া regarding the political right, মই ইয়াত ক'ব খুজিছো, ২০০৩ চনত 6th schedule লৈ পেলাই যিটো চুক্তি স্বাক্ষৰ কৰিছিলো তাত স্পষ্টভাৱে লিখা আছে যে ভাৰতবৰ্ষৰ কোনো প্ৰদেশৰ কোনো পৰিষদত আপোনালোকে দেখা নাপাব য'ত নেকি non-tribal সকলৰ কাৰণে political reservation ৰখা হৈছে। কিন্তু আমাৰ BTAD নামেৰে ২০০৩ চনত যিটো চুক্তি স্বাক্ষৰ কৰিছিলো, তাত স্পষ্টভাৱে লিখা আছে five BTC constituency will be reserved for non-tribal community। ভাৰতৰ সংবিধানত এনেকুৱা কোনো provision য়ে নাই। political reservation is not given to the general communityবা আমাৰ BTAD ত 6th schedule which has given by the 6th schedule non-tribal community and it is laid down in the power of accord। Constitutionally granted, so that they are provided with political right. There should not be apprehend from the community ।এইটো আমি ইয়াৰ কাৰণে ক'ব বিচাৰিছো। এতিয়া socio-economic and all round development ৰ কথাখিনি ক'ব লাগিলে আমি শিক্ষাৰ ওপৰতো গুৰুত্ব দিব লাগিব। শিক্ষাৰ ওপৰত যদি গুৰুত্ব দিব লাগে, তেতিয়া হলে মই ক'ব খোজা কথাটো হ'ল যে what about it provincialization of the school। ইতিমধ্যে BTR accord ৰ ৬.২ আৰু ৬.৩ ত দেখিবলৈ পোৱা গৈছে যে provincialized কৰা হ'ব। কিন্তু এতিয়ালৈ provincialized কৰা নহ'ল এল পি, এম ই, হাইস্কুল, কলেজ থাকি গ'ল আৰু general policy ৰ লগত সংলগ্ন কৰি সিদ্ধান্তটো লোৱা যে মোৰ অনুভৱ হয়। Accord ত যিবিলাক সন্নিবিষ্ট কৰা হৈছে, that should not be treated as the general subject, general policy ৰ দ্বাৰা আপুনি ঠিক কৰিবলৈ দিয়ক, Accord ত commitment দিয়াটো something very much special। সেইটো একেবাৰে special বস্তু, accord ত নোহোৱাটো policy ৰ দ্বাৰা কৰিব নোৱাৰি যেনেকৈ 6th schedule provision can not be applied to the plains area, it is only for hills area, but to resolve the Bodo movement, India and Assam, they have agreed to apply this provision in plain area also। নোহোৱা বস্তুটো যদি ইয়াত apply কৰিব পাৰে, for the modification and amendment of the constitution, then why not this matter of the provicialization? why not government taking this policy? আমাৰ government টো যদি general policy ৰ দ্বাৰা

provincialize কৰিব খোজে, তেনেহলে norms ত নপৰিব, criteria ত নপৰিব। কিন্তু accord ৰ দ্বাৰা furnish কৰা বিষয়টো আমি general policy ৰ দ্বাৰা mixup কৰিব নালাগে। it should be treated differently। মই এতিয়া গুৰুত্বপূৰ্ণ কথা এটা ক'ব বিচাৰিছো। আমাৰ সন্মানীয় সদস্য বিদ্যা সিং ইংলেং ডাঙৰীয়াই কৈছে যে article 24(a) apply কৰিব লাগে বুলি কৈছে। I strongly support his statement। তেখেতক যদি দিয়া হয়, আমাকো দিব লাগিব। ইয়াৰ কাৰণে মই দাবী জনাইছো। সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াও more power বিচাৰিছে, more power দিয়ক, মই তেখেতক সন্মান জনাই, তেখেতৰ statement টো support কৰিছো।

এতিয়া শেষত মই এইটোৱে ক'ব বিচাৰিছো, Socio-Economic and all round development যদি আনিব লাগে, তেনেহলে declear this BTC area special economic zone and industrial zone হিচাপে অসম চৰকাৰৰ ফালৰ পৰা ঘোষণা কৰিলে ভাল হয়। তেতিয়াহে economic development আৰু social development সোনকালে আহিব।

শেষত মোৰ এটা সমস্যা আছে যে education development ত, education policy ত যে ২০১৭-১৮ চনৰ পৰাই অসম বিধান সভাৰ মজিয়াত ফকিৰাগ্ৰাম কলেজত science stream দিয়াৰ বাবে মই বাৰে বাৰে দাবী জনাই আহিছো, আজিলৈকে কিন্তু দিয়া নাই। মোৰ লগতে হাজাৰ হাজাৰ ছাত্ৰ -ছাত্ৰীৰ কাৰণে মই দাবী জনাইছো। মই ইয়াত seperate state বা council বিচৰা নাই, মই মাত্ৰ এখন কলেজত হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীবিলাকৰ কাৰণে science stream টো বিচাৰিছো। এইটো দিব নোৱাৰাৰ বিষয় হ'ব নোৱাৰে কিয়নো ২০২০ চনৰ BTC election ত ফকৰিগ্ৰামত নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ আহোতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ফকিৰাগ্ৰাম কলেজত science stream দিব বুলি ঘোষণা কৰিছিল আৰু সেই আশাৰে মই আজিলৈ দাবী জনাই আছো। ২০১৭ চনৰ পৰাই দিব দিব বুলি কৈ আজিলৈকে দিয়া নাই। গতিকে মই দাবী জনাইছো সোনকালে যাতে সেইটো পুৰণ কৰি দিয়ে।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জেষ্ঠ)

**শ্ৰী আমিনুল ইছলাম (জেষ্ঠ), (ধিং) ঃ** অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো বিটিচি ত বাজেট অধিৱেশনৰ আৰম্ভনি কৰি অধ্যক্ষৰ উদ্যোগত ষষ্ঠ অনুসূচী জাতিৰ লোকৰ বিষয় আলোচনা কৰাৰ বাবে। সাধাৰণতে ষষ্ঠ অনুসূচী এলেকাৰ বিভিন্ন ট্ৰাইবেল লোকে তেওঁলোকে বিভিন্ন অধিকাৰৰ পৰা বঞ্চিত হোৱা বুলি ভবাৰ কাৰণে তেওঁলোকক স্বায়ত্ত্ব শাসন দিয়া হৈছিল বা চুক্তি বিলাক কৰা হৈছিল । কিন্তু তাৰ পিছতো এতিয়াও যদি অনুভৱ কৰে স্বায়ত্ব শাসন দি তেওঁলোকৰ নিজৰ অঞ্চলৰ উন্নয়ৰ বাবে নিৰ্বাচন পাতি পৰিষদ গঠন কৰি অসম চৰকাৰে বাজেট দি আছে তাৰ পিছতো যদি উন্নয়ন নোহোৱা বুলি অনুভৱ কৰে আশা কৰা ধৰণে কাম বিলাক হোৱা নাই তেতিয়াহ'লে আমি কাম বিলাক ভালদৰে চাব লাগিব । এটা কথা হ'ব পাৰে যে বাজেট যিমানৰ প্ৰয়োজন, অসম চৰকাৰে সেই পৰিমানৰ দিয়া নাই আৰু এটা হ'ব পাৰে প্ৰয়োজন সাপেক্ষে বাজেট দিছে কিন্তু তাত ৰূপায়ণ ভালদৰে হোৱা নাই । উদাহৰণ এটা দিব খুজিছো মই। বিটিচি ৰ নহয়, বেলেগ স্বায়ত্ত্ব শাষিত পৰিষদৰ। আমি যেতিয়া অসম বিধান সভাৰ প্ৰাক-কলন সমিতিৰ পৰা স্কীম বিলাক চাবলৈ গৈছিলো তেতিয়া গুৱাহাটীৰ পৰা ডাইৰেক্টৰ আৰু চিফ ইঞ্জিনীয়াৰ বিভিন্ন বিভাগৰ পৰা আমাৰ লগত গৈছিল। গুৱাহাটীৰ পৰা যোৱা সকলে কৈছিল যে চাৰ আমি ক'ব নোৱাৰিম, বিভাগ বিলাক

হস্তান্তৰ কৰা হৈছে স্বায়ত্ব শাষিত পৰিষদলৈ । বাজেট বিলাক প্ৰত্যক্ষ ভাবে দিয়া হৈছে। তাৰ ওপৰত তেওঁলোকে কাম কৰে তেওঁলোকে চোৰা চিতা কৰে, তাত আমাৰ একো চাবলগীয়া নাথাকে । তেতিয়া আমি তাত দেখিলো আঁচনিবোৰত যিমান পুঁজি ধৰা হৈছিল আৰু সাধাৰণতে অন্য এলেকাত যিমান কাম হয় কিন্তু আমাৰ চৰকাৰৰ বিষয়া সকলে প্ৰত্যেক্ষ ভাবে চায় । তাত যিটো পৰ্য্যায়ত কাম হয় ইয়াতকৈ বহুত দুৰ্বল কাম হয় । তেতিয়া আমাৰ লগত যোৱা বিষয়া সকলে উপায়বিহীন হৈ পৰে । স্বায়িত্ব শাসিত পৰিষদৰ বাজেটৰ কাম তেওঁলোকে কৰিছে। খুব দুৰ্বল কাম কৰিছে । আঁচৰি প্ৰাককলন মতে কাম হোৱা নাই । তাত এতিয়া কোনেও দায়িত্ব নোলোৱা ধৰণৰ অৱস্থা গতিকে এই বিষয়টোত কিবা সুৰুঙা আছে নেকি চাব লাগিব। যিবিলাক বিভাগ স্বায়িত্ব শাসিত পৰিষদক দিয়া হৈছে বাজেটতো সেই মতে ৰাজ্য চৰকাৰে দিয়ে আৰু তেওঁলোকক আলোচনা কৰি বিভিন্ন আঁচনিৰ কাম কৰিবলৈদিয়ে । কিন্তু তাত কাম বিলাক অন্য জিলাৰ দৰে নহয় । খুৱ নিম্ন পৰ্য্যায়ৰ কাম হয় । তাত যদি ৰাজ্য চৰকাৰৰ বিভাগবোৰে হাত দিব নোৱাৰে তেনেহ'লে স্বায়িত্ব শাসিত পৰিষদ দিয়াৰ লাভ হ'ল নে লোকচান হ'ল । যদি ৰাজ্য চৰকাৰে প্ৰত্যক্ষভাবে আঁচনিবোৰ ৰূপায়ণ কৰিলেহেতেন, তেতিয়াহ'লে তাত ইমান নিম্নমানৰ কাম নহ'লেহেতেন। তাত পৰিষদীয় নিৰ্বাচনত নিৰ্বাচিত হৈ যি সকলে দায়িত্ব লয় কমিউনিটি ডেভেলোপমেন্টৰ কাৰণে, বৃহত্তৰ উন্নয়নৰ কাৰণে তেওঁলোকক ৰাইজে নিৰ্বাচিত কৰে । কমিউনিটিতো প্ৰতিনিধিত্ব কৰোটে তেওঁলোকে অন্তত এই পুঁজি সদ্ব্যৱহাৰ কৰিব লাগিব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে পুঁজি কম দিয়া বুলি ক'লে আমি মানি ল'ব নোৱাৰো। দ্বিতীয়তে, আৰু যদি পুঁজি কম হৈছে এই ক্ষেত্ৰত আমি সকলোৱে বিবেচনা কৰিব। তৃতীয়তে, যেতিয়া স্কুল কলেজ বিলাক প্ৰাদেশীকিকৰণ হৈছিল, প্ৰাদেশীকিকৰণ আইণ ২০১৭ অনুসৰি তাত আমি দেখিছিলো যে স্বায়িত্ব শাসিত পৰিষদৰ এলেকাৰ বাহিৰে স্কুল কলেজ প্ৰাদেশীকিকৰণ হৈ গ'ল। ষষ্ঠ অনুসূচী এলেকা বিলাকৰ ক্ষেত্ৰত নহ'ল, ওলোমি আছিল । তাত কিবা টেকনিকেল প্ৰব্লেম আছিল । এই ক্ষেত্ৰত বিধান সভাত ষষ্ঠ অনুসূচী এলেকাত থকা স্কুল কলেজ একে আইনৰ আওতাত কিয় প্ৰাদেশীকিকৰণ কৰা নহ'ল তাৰ বিষয়ে আলোচনা হৈছিল । বেলেগকৈ কৰিব লগীয়া হোৱাত তেওঁলোকে অলপ পিছ পৰি ৰ'ল । গতিকে এইটো অলপ ৰাজ্য চৰকাৰে চাব লাগে ।ষষ্ঠ অনুসূচী এলেকাত বিভিন্ন জনগোষ্ঠীৰ লোক থাকে কেতিয়াবা এটা জনগোষ্ঠীয়ে আন এটা জনগোষ্ঠীক বিশ্বাসত নোলোৱাৰ কাৰণে বা তেওঁলোকৰ পাৰস্পৰিক আস্থা বিশ্বাসৰ অভাৱ হোৱাৰ কাৰণে আইন শৃংখলা জনিত পৰিস্থিৰ সৃষ্টি হয় । কেতিয়াবা বিভিন্ন জনগোষ্ঠিৰ মাজত আন্তঃ জনগোষ্ঠীয় যিটো সত্তা বা ঐক্যবদ্ধ দায়বদ্ধতা নোহোৱাৰ বাবেও বহু সময় বিফল হোৱা দেখা যায়। এই বিষয় বিলাকৰ ওপৰত যদি ভালকৈ চোৱা হয় তেতিয়া ভাবো ষষ্ঠ অনুসূচী এলেকাত ভালকৈ উন্নয়ন হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । ধন্যবাদ । এতিয়া সন্মানীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বায়িত্ব শাসিত পৰিষদৰ ক্ষেত্ৰত মোৰ মন্তব্যটো হৈছে স্বায়িত্ব শাসনৰ বিষয়ত আমি বিয়োণ্ড চিক্স চিডিউল ভাবিব লাগে । প্ৰয়োজন হলে বিয়োণ্ড চিক্স চিডিউল ত দিব লগা হয়। সেইটো দি জনজাতীয় সকলৰ স্বায়িত্ব শাসনৰ বিষয়টো সমাধান কৰিব লাগে । এই প্ৰসংগতে ২৪৪ (ক) কথাটো আহিছে । ২৪৪ (ক) বিয়োণ্ড চিক্স চিডিউল ৰ ওপৰত এই ব্যৱস্থাটো আছে যিহেতু আমাৰ । এই ২৪৪ (ক) ৰূপায়ণ কৰিব পাৰো নে নোৱাৰো এই ক্ষেত্ৰত কি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে চিন্তা কৰিব লাগীয়া দৰকাৰ হয় যদি আমাৰ বিধান সভাত এটা প্ৰস্তাৱ লৈ হ'লেও এই ক্ষেত্ৰত এটা ব্যৱস্থা গ্ৰহণ কৰাৰ

দিশলৈ যাব লাগে । মই পুনৰ দোহাৰিছো ট্ৰাইবেল জনসাধাৰণৰ স্বায়িত্ব শাসনৰ বিষয়টো বিয়োগু চিক্স চিডিউল অৱস্থানটো হোৱা মই সমৰ্থন কৰো আৰু বিশ্বাস কৰো । আনহাতে বাজেট এলোকেশ্যনৰ ক্ষেত্ৰতো যিটো বৈষম্য আছে সেইটো দুৰ হ'ব লাগে । স্বায়িত্ব শাসিত পৰিষদ বিলাক বাজেট বৃদ্ধি নকৰি বাজেট যদি কমাই দিয়ে অধিকাৰ যদি নিদিয়ে তেতিয়াহ'লে হেণ্ডিকেপ স্বায়িত্ব শাসনৰ ব্যৱস্থাটো কোনো পধ্যে আদৰণিয় নহয়, তাৰ কাৰণে জনসাধাৰণৰ যিটো আশা আকাংক্ষা, তেওঁলোকৰ ভাষা, সাহিত, সংস্কৃতি সকলো সংৰক্ষণৰ কি ব্যৱস্থা ল'ব লাগে বা উন্নয়নৰ কাৰণে কি পদক্ষেপ ল'ব সেই পদক্ষেপ ল'ব নোৱাৰিব । ইয়াৰ যাতে পুঁজিটো বৃদ্ধি কৰে, ক্ষমতা যাতে হস্তান্তৰ কৰে আৰু বিয়োগু চিক্স চিডিউল যাতে আমি চিন্তা-চৰ্চা কৰিব পাৰো এই আবেদনৰ সৈতে মই মোৰ বক্তব্য সামৰণি মাৰিলো ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** माननीय অধ্যক্ষ মহোদয়, প্ৰথম কথা হ'ল যে মই প্ৰথমতে BTR ৰ পৰাই আহোঁ। আজি যিখন আমাৰ ৰাজ্যপালৰ ভাষণ হ'ল তাত শংকৰদেৱৰ নাম উল্লেখ কৰা হৈছে, কামাখ্যাৰ নাম উল্লেখ কৰা হৈছে, খুৱ ভাল কথা। কিন্তু মই ভাৱো যে আজি যিহেতু ৰাজ্যপালৰ ভাষণ ইয়াত হৈছে আমাৰ বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ নামটো স্মৰণ হ'ব লাগে। এইটো মোৰ ফালৰ পৰা আপোনালোকৰ প্ৰতি বিনম্ৰ অনুৰোধ। এতিয়া আমি দেখিছো যে BTR যদি সঁচাকৈ ভালকৈ কাৰ্য্যকৰী হ'ব লাগে তেতিয়াহ'লে fund position ত আহিব লাগে। এতিয়া দেখা গৈছে যে ২০২০-২১ চনত যেতিয়া হাগ্ৰামা মহিলাৰী last আছিল তেতিয়া BTR ৰ বাজেট আছিল ৬৮০ কোটি টকা State Government ৰ পৰা SOPD যিটো। সেইটোৰ পৰা প্ৰতি বছৰে ১০ শতাংশকৈ বাঢ়ি যাবলৈ হয়, ২০২৫-২৬ চনত আজিৰ দিনটোত BTR ৰ কাৰণে বাজেটটো হ'ব লাগিছিল ১৯৫ কোটি টকা। কিন্তু State Government য়ে সেইটো কমাই ৮০০ কোটি টকা কৰিছে। গতিকে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে আৰু ২৯৫ কোটি টকা BTR ক দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ঠিক তেনেকৈ মই ভাৱো যে ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদ আৰু কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ ক্ষেত্ৰতো ১০ শতাংশকৈ বঢ়োৱাৰ যিটো নিয়ম সেই অনুসৰি ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদ আৰু কাৰ্বি স্বায়ত্ত শাসিত পৰিষদ fund টো SOPD বা State ৰ দিয়া ফাণ্ডটো বঢ়াব লাগে। সেইটো দুভাৰ্গৰ ঘটনা যে এবাৰ কেন্দ্ৰীয় চৰকাৰ ফাণ্ডটো BTR ৰ ক্ষেত্ৰত কমাই দিছে। মই আশা কৰো আমাৰ ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ সেইটো বঢ়াব কাৰণে অনুৰোধ কৰিব। এতিয়া মইআপোনালোকক ক'ব খুজিম যে মই Sixth Schedule যিটোআলোচনা তাৰ আগতে BTR ৰ চুক্তিৰ সন্দৰ্ভত চৰকাৰে কৈছিলে ৭৯ টা কাম আমি BTR ক কৰি দিম। অলপ আগত মই মুখ্যমন্ত্ৰীৰ লগত কথা পাতিছিলো , তেতিয়া তেখেতে কৈছিলে যে অকল এটা কাম বাকী আছে, গোটেইখিনি কৰিলো। কিন্তু মই দেখিলো যে গোটেইখিনি ৰিচাৰ্জ কৰি ইয়াত মই ধুনীয়াকৈ বনাই আনিছো। মানুহৰ লগত কথা পাতি যে আচলতে BTR ৰ চুক্তি ২০২০ চনত ২৭ জানুৱাৰীৰ দিনা এই যে ৭৯ টা কামটোৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল তাৰ কেবল ২৪ টা কামহে হৈছে আৰু বেছিভাগ কাম এতিয়ালৈকে কৰা নাই। মই ভাৱো যে অসম চুক্তিৰ নিচিনাকৈ আকৌ BTR চুক্তি কাৰ্য্যকৰী কৰিব লাগে বুলি যাতে বড়ো মানুহে আন্দোলন কৰিবলগীয়া নহয়। আকৌ যাতে মানুহে দৰখাস্ত দিব নালগে। তাৰকাৰণে এবছৰৰ ভিতৰতে BTR চুক্তি ২০২০ ৰ চুক্তি ১০০ শতাংশ দফাসমূহ কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এতিয়া যদি মই কওঁ এটা বা দুটা উদাহৰণ দি দিওঁ মুখ্যমন্ত্ৰীয়ে নিজে গম পাব, ইয়াত আছে Alteration of area BTAD.Alteration area

ত কৈছে যে inclusion of villages having majority of Tribal population গাওঁ আছে মই জনামতে তেনেকুৱা ১১০০ খন এতিয়ালৈকে tribal গাওঁ অন্তৰ্ভূক্ত কৰিছে মাত্ৰ ৬০ খন exclusion of villages having majority of non-tribal population যাতে ৫১তকৈ কম tribal মানুহ আছে, সেইবিলাকক BTR ৰ পৰা কটা কথা আছিল এখনো গাওঁ এতিয়ালৈকে কটা নাই। এইটো কটা ব্যৱস্থা কৰিব লাগে। তাৰপাছত BTAD ত আপোনাৰ constituency ৪০ টাৰ পৰা ৬০ কৰাৰ কথা আছিল ১২৫ যিটো amendment আছিল তাত নিশ্চয় এইটো আহিব। তাৰ আগত আমাৰ ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্যসভা আৰু লোকসভা যিটো ১২৫ amendment সংখ্যা BTR ৰ কথাটো উল্লেখ নাই। এইবাৰ নিশ্চয় সোমাব next registration ত। মই আশা কৰো যে এই amendment ত ৪০ টাৰ পৰা ৬০ টা BTR ৰ seat আপোনাৰ MCLR ৰ seat টো ৪০ টাৰ পৰা ৬০ টা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই নিনিটা কামেই কৰা নাই। এই তিনিটাৰ ভিতৰত মই দেখুৱালো এটা সামান্য অংশ এটা ১১০০ খন গাৱঁৰ ভিতৰত মাত্ৰ ৬০ খন গাওঁ এতিয়ালৈ অন্তৰ্ভূক্ত কৰিছে। তাৰপাছত যদি চাওঁ যে Review of power and function of BTC তাত ৯০ টা Review of power ৰ কামকাৰ্যকৰী হোৱা নাই। আনহাতে ভাৰতৰ সংবিধানত এতিয়া ডাঙৰ সমস্যাটো হ'ল BTR বা যিকোনো Sixth Schedule area, কাৰ্বি আংলং বা ডিমা হাচাও। যিটো পইচা আহে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰলৈ আৰু ৰাজ্য চৰকাৰে তাতে কেইদিনমান উমনি দিয়ে, তাৰ পিছত আকৌ বহুত দিনৰ মূৰত আমাৰ BTR লৈ পঠিয়াই দিয়ে বা কাৰ্বি আংলং পঠিয়াই দিয়ে। সেইটো directly দিবৰ কাৰণে ১২৫ যিটো সংশোধনী আনিব খোজা হৈছে সেই সংশোধনীটো বিসংগতিপূৰ্ণ। বসংগতিপূৰ্ণ এইকাৰণেই যে ভাৰতৰ সংবিধানত Article(2)-275 ত Autonomous Council Sixth Schedule area বিলাকৰ ফাণ্ডৰ কথাটো আছে। কিন্তু ১২৫ ত Article(2)Act খন সংশোধন কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** আমাৰ District পঞ্চায়ত বিলাকৰ কাৰণে। তেতিয়া BTR ৰ মৰ্যাদা বেয়া হ'ব। BTR ক যি ক্ষমতা দিব খুজিছে সেই ক্ষমতাটো নাইকীয়া হ'ব। কেন্দ্ৰীয় চৰকাৰে কৈছিলে যে Education and other important institution BTR ৰ কাৰণে। কৈছিলে যে বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম, Central University at Barama, এতিয়ালৈকে হোৱা নাই। National Sports University এতিয়ালৈকে হোৱা নাই। Sports Authority of India ৰ চেন্টাৰ ওদালগুৰি, বাক্সা আৰু চিৰা, ওদালগুৰিত হৈছে কিন্তু বাকী কেইটাত হোৱা নাই। Institute of Livelihood management টংলাতো হোৱা নাই। North East Regional Institute of medical science ৰৌমাৰী, সেইটোও হোৱা নাই। Hotel and Tourism Management Institute এটা এটাকৈ যদি চাওঁ তেতিয়াহ'লে দেখিবলৈ পাব যে বেছিভাগে হোৱা নাই। অথচ মুখ্যমন্ত্ৰীয়ে ভাবি আছে মই যিমান কেইটা কাম কৰিম বুলি কৈছিলো -----------হুলস্থুল---------

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ suggestion টো দিয়ক। ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই তেখেতক অনুৰোধ কৰিম ইয়াত এটা খুব ভাল পৰিৱেশত মিলনৰ এটা ভূমি পাতিছো, আপোনাৰ ভাষণে যাতে কালি ইয়াত ***The word has been expunged by order*** . আমি ইয়াত Provoke কৰিব

অহা নাই। আমি celebrate কৰিব আহিছো। গতিকে এই কথাখিনি আপুনি গুৱাহাটীতো ক'ব পাৰিব। মই ক'ব দিম। কিন্তু মাননীয় অধ্যক্ষক অনুৰোধ কৰিম ইয়াত kindly এনেকুৱা হ'ব নালাগে যে আপোনাৰ ভাষণৰ কাৰণে অহাকালিৰ পৰা নতুন আন্দোলন আৰম্ভ নহওক। নকৰিব, কিহৰ কাৰণে কাৰণ আমি ইয়াত sense of responsibility  লৈ আহিছো। অসমৰ মানুহৰ আশা-আকাঙ্খাৰ প্ৰতীক লৈ আহিছো। Critical things  আমি গুৱাহীত পাতিম। let us talk positive things today, critical things  আমি গুৱাহাটীত গৈ পাতিব পাৰিম। আজি যিসকল মানুহে আশা- আকাঙ্খা লৈ বহি আছে, তেওঁলোকে যদি কালি শুনি পায় যে একোৱে হোৱা নাই accord খন অহাকালিৰ পৰাই আন্দোলন হৈ যাব। এই কথাটো কোকৰাঝাৰত নকৈ কি হৈছে কি হোৱা নাই, এইবোৰ কথা মই কম কিন্তু আপুনি যিখিনি positive আছে, সেইখিনি কওঁক আজি, negative  খিনি আমি গুৱাহাটীত গৈ পাতিম আৰু দ্বিতীয়তে কথাটো হ'ল যে আমাৰ অধিবেশনখন ইয়াতে যদি এটা সীমিত সময়ৰ ব্যৱস্থা আছে মইও ১০ মিনিট সময় লম। গতিকে আপোনাক BTC ৰ ওপৰত আমাৰ পাৰ্টীৰ ফালৰ পৰা ১০ মিনিট সময় অখিল গগৈ ডাঙৰীয়াক গুৱাহাটীত BTR চুক্তিৰ ওপৰত দীঘলীয়াকৈ কথা ক'ব পাৰিব।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** এতিয়া আমি Sixth Schedule সম্পৰ্কে আলোচনা কৰোতে এইটো জনা দৰকাৰ যে Sixth Schedule কি ? Sixth Schedule হ'ল mini constitution. এইখন কিতা পেই Sixth Schedule ৰওপৰত আটাইতকৈ ভাল কিতাপ Justice B.L.Sansari য়ে কৈছে Sixth Schedule হ'ল mini constitution আৰু chief justice হিদাদুল্লাই কৈছে যে -Sixth Schedule  হ'ল Constitution within Constitution. গতিকে আমি এই ধাৰণাটো বুজি পোৱা প্ৰয়োজন। কিয়নো  ভাৰতৰ সংবিধানে যেনেকৈ ৩৭০ অনুচ্ছেদ দিছিল তাতকৈ গুৰুত্বপূৰ্ণ অনুচ্ছেদ হৈছে এই Sixth Schedule. গতিকে এই Sixth Schedule হৈছে আমাৰ State within State. মাননীয় বিধায়ক শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই যিটো beyond ৰ কথা কৈছে, যদি সেই beyond Sixth Schedule ৰ কথা ক'ব লাগে তেতিয়াহ'লে আমাৰ কাৰ্বি আংলং, উত্তৰ কাছাৰ আৰু বিটিএডি ত ভাৰতবৰ্ষৰ সংবিধানৰ 244(A) ৰ অধীনত স্বায়ত্বশাসিত অঞ্চল সমূহক State within State ৰ ব্যৱস্থা কৰিব লাগিব যদিহে বড়ো সকলৰ স্থায়ী সমাধান কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, ১৯৬৮ চনত ইন্দিৰা গান্ধী ডাঙৰীয়াণীয়ে তেতিয়াই ভাৰতবৰ্ষক Faderal ৰ ভিত্তিত পুনৰ গঠন কৰিবৰ কাৰণে পাহাৰীয়া অঞ্চল সমূহত সমতল অঞ্চল সমূহৰ নিচিনাকৈ সমান মন্ত্ৰীসভা গঠন কৰিবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছিল। যদিহে এই জাতি সমূহৰ সমস্যা সমূহ সমাধান কৰিব লাগে BTR, কাৰ্বি আংলং আৰু ডিমা হাচাওত দিশপুৰৰ নিচিনা একেই মন্ত্ৰী সভা গঠন কৰিলেহে এই জাতি সমূহ প্ৰকৃতাৰ্থত সমানেই আগবাঢ়ি যাব পাৰিব। লগতে তেওঁলোকক প্ৰকৃতাৰ্থত State within State বা Constitution within Constitution দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ আগতেও অসমখন বহুকেইটা ভাগত বিভক্ত হৈছে।

**মাননীয় অধ্যক্ষ ঃ** কেনেকৈ আমি Sixth Schedule ৰ অঞ্চল সমূহ empowerment কৰিব পাৰো তাৰ ওপৰত আপোনালোকে বক্তব্য ৰাখক।

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, devided Assam বা 50:50

আজি এই অৱস্থালৈ আহি পাইছে। এনেকুৱা হ'লে আমি আকৌ যদি সেই ৰাস্তালৈ গতি কৰো তেতিয়াহ'লে অসমখন আকৌ অশান্ত হৈ পৰিব।

**শ্রী অখিল গগৈ, বিধায়ক, শিৱসাগৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, 244(A) devided Assam বা 50:50 নহয়। 244(A) খন জনজাতি সকলৰয

........... সদনত হুলস্থুল......

জনজাতি সকলৰ এই ক্ষমতা আমি কোনেও খৰ্ব কৰিব নোৱাৰো।

.........................সদনত হুলস্থুল...............

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে আপোনালোকৰ কথাখিনি ৰাখিলে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্রী অখিল গগৈ ডাঙৰীয়াই আগন্তুক বিধান সভা নিৰ্ব্বাচনক লক্ষ্য কৰি ভাষণ এটা দিবলৈ চেষ্টা কৰি আছে। কথাটো হ'ল একে জন ব্যক্তিয়ে যেতিয়া আমি অৰুণাচল আৰু নাগালেণ্ডৰ লগত সীমা সমস্যা সমাধান কৰিব বিচাৰিছিলো তেতিয়া বিধান সভাত আপোনাৰ বক্তব্য কি আছিল সেইবোৰ আপোনালোকে ভৱিষ্যতে মনত পেলাব। একেজন ব্যক্তিয়েই যেতিয়া অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডক এখন গাওঁ এৰি দিব নিবিচাৰে, সেই একেজন ব্যক্তিয়ে যেতিয়া ইয়াত আহি যিবোৰ কথা কৈছে সেই কথাবোৰ আচলতে কিমান প্ৰাসঙ্গিক সেইটো নিৰ্বাচন বাদ দিলে হে গম পোৱা যাব। গতিকে আপুনি নিৰ্বাচনৰ কাৰণে কৰি আছে আৰু আমি সমাজ নিৰ্মাণৰ কাৰণে কৰি আছো। মাননীয় অধ্যক্ষ মহোদয়, ইন্দিৰা গান্ধী ডাঙৰীয়াণীয়ে যেতিয়া Federal State ৰ কথা কৈছিল তেতিয়া তেওঁ বিচাৰিছিল যে উত্তৰ-পূব খন দ্বি-খণ্ডিত হ'ব নালাগে। That proposal was prior to the creation of Meghalaya. যেতিয়া মেঘালয়ৰ মানুহে ক'লে যে আমি Federal State নামানো, আমাক নতুন ৰাজ্যই লাগিব তেতিয়া ইন্দিৰা গান্ধী ডাঙৰীয়াণীয়ে তেওঁৰ প্ৰস্তাৱটো সামৰণি মাৰি নাগালেণ্ড আৰু মেঘালয় এই গোটেই ৰাজ্যবোৰক তেওঁলোকৰ ৰাজ্যবোৰ ভগাই দি বিষয়টো সিমানতে সামৰণি মাৰিছিল। সেই কথাটো যদি আজিৰ পৰা ৭২ বছৰ আগতে আমি বিলাক যদি থাকিলো হেতেন আমি হয়তো নাগালেণ্ড, মেঘালয়, অৰুণাচলক কলো হেতেন যে আপোনোলোকে seperate state নকৰি ইন্দিৰা গান্ধী ডাঙৰীয়াণীয়ে কৰি দিয়াৰ দৰে Federal ব্যৱস্থাটো কৰক। সেই পৰ্য্যায়টো পাৰ হৈ গ'ল। এতিয়া আমি আমাৰ কেইটামান wrong conception ৰ কথা মই দূৰ কৰিছো যে Sixth Schedule এৰিয়াত কেন্দ্ৰীয় চৰকাৰে কোনো টকা-পইচা নপঠায়। ইয়াত এইটো এটা ধাৰণা দিয়া হৈছে যে দিল্লীৰ পৰা টকা আহে আৰু ৰাজ্য চৰকাৰে টকাতো ধৰি ৰাখে। Sixth Schedule এৰিয়াত সম্পূৰ্ণ পুঁজি যোগান ধৰাৰ দায়িত্ব হ'ল ৰাজ্য চৰকাৰৰ। ইয়াত Central Government does not give a single rupees. গতিকে এই কথাটো আমাৰ মানুহৰ মাজত এটা ভুল ধাৰণা যে দিল্লীয়ে টকা দিয়ে, দিশপুৰে টকাতো ধৰি ৰাখে। যেতিয়া আমি তথ্যৰ ভিত্তিত বক্তব্য নিদিওঁ, সাধাৰণ জনজাতীয় লোক সকলৰ মাজত ধাৰণা হ'ব যে দিশপুৰত কিবা এটা ৰাজনীতি কৰা হৈছে। This is a transperant Government আৰু আপোনাক মই তথ্য সহকাৰে ইয়াত মুখ্যমন্ত্ৰীৰ আসনৰ পৰা ক'ব খুজিছো যে আজিকালি Sixth Schedule আৰু আগতেও কোনো ধৰণৰ টকা-পইচা ৰাজ্য চৰকাৰক দিয়া নহয়। আজি আপোনালোকে যিমান কথা কৈছে মই আদৰনি জনাইছো যে কোকৰাঝাৰত বেছি টকা দিব লাগে, ডিমা হাচাও, কাৰ্বি আংলঙত দিব লাগে। অহাকালি যদি SOPD ত মই 40

কোটি টকা বিজনীত দিম আৰু আপোনাক 20 কোটি দিওঁ তেতিয়া প্ৰথমে আপুনিয়েই আহি আপত্তি কৰিব। গতিকে আজি আমি সদনত এটা সিদ্ধান্ত লওঁ যে প্ৰত্যেক গৰাকী বিধায়কে নিজৰ নিজৰ পাঁচ কোটি টকা কমাই দিব আৰু Sixth Schedule এৰিয়াৰ PWD ত দিব। ৰাজনীতি কৰা সহজ কিন্তু জনজাতীয় লোকক মনেৰে ভালপোৱা আৰু সাহসেৰে কাম কৰা এটা চেলেঞ্জ। সকলো কথা আপুনি ক'ব পাৰে কিন্তু যেতিয়া নিজৰ গাত টোকৰটো পৰিব তেতিয়া তাক সহ্য কৰিব পৰা ক্ষমতা আমাৰ আছে নে নাই সেইটো আমি চাব লাগিব। এইটো বিধান সভাৰ বাবে। এইটো বিধান সভাই ঠিক কৰি দিয়ক। মাননীয় অজন্তা নেওঁগ ডাঙৰীয়াণীৰ হাতত দৰমহা দিয়াৰ পিছত পঁচিশ হাজাৰ টকা আছে। কিমান টকা Sixth Schedule দিব লাগে আপোলোকে ঠিক কৰি দিয়ক। কোনো আপত্তি নাই। ইয়াত বক্তব্য ৰাখি মানুহক inside কৰি তাৰপৰা কোনো লাভ নাপাওঁ। তাৰপৰা আমি যিখন বৰ অসমৰ কল্পনা কৰিছো সেই বৰ অসমৰ কল্পনা স্তিমিত হ'ব। আজি আপুনি বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ কথা কৈছে। প্ৰথম মই গাড়ীৰ পৰা নামিয়েই বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাক প্ৰণাম কৰিছো। আপুনি কৰিছে নে নাই মই গম নাপাওঁ। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক অভিযোগ দিয়া নাই। প্ৰথম যেতিয়া মোৰ ইয়াত কাৰ্য্যসূচী নাছিল, প্ৰমোদ বড়ো ডাঙৰীয়াক মই কৈছো যে কাৰ্য্যসূচী আৰম্ভ হোৱাৰ আগতে মই প্ৰথম বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ প্ৰতিমুৰ্ত্তিত যাম আৰু তাৰপিছতহে মই বিধান সভালৈ যাম। কিন্তু বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ জন্মদিনটো অৰ্থাৎ 31 মাৰ্চৰ দিনটো আমি অসম চৰকাৰে সমগ্ৰ অসমতে ছাত্ৰ দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত লৈছিলো। মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক গৰাকীয়ে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ জন্মদিনটোত আছে নে নাই মই নাজনো কেতিয়াও টুইট কৰা মই দেখা নাই। আপুনি যিহেতু ইয়াত provocative কথা কৈছে আৰু আপুনি ইয়াত যিটো মেডিচিন দিছে সেই মেডিচিনৰে ইয়াত মই উত্তৰ দিছো। 31 মাৰ্চ তাৰিখে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ জন্মদিন। সেইটো চৰকাৰৰ কেলেণ্ডাৰতে আছে আৰু সেই দিনটো আমি ছাত্ৰ দিৱস হিচাপে পালন কৰি আহিছো। মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ টুইটৰ টাইম লাইনত মই চাই আহিছো যে কোনো এটা 31 মাৰ্চতেই তেখেতেবড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলী জনোৱা নাই। বড়ো চুক্তি তেখেতে যদি পঢ়ে, যিখিনি আঁচনিৰ নাম তেখেতে উল্লেখ কৰিছে তাত লিখা আছে যে This is a illustrativeness এখন সূচাংক। Now it is upto the Bodo leaders within the allocation of 15 hundred crore কোন কেইটা আঁচনি তেওঁলোকে ল'লে। আপুনি জানি ভাল পাব যে অসম চৰকাৰৰ ভাগত 7.50 কোটি টকা আছিল। এতিয়া অসম চৰকাৰে কেৱল তামুলপুৰত মেডিকেল কলেজ বনোৱাৰ নামতেই 800 কোটি টকা দিছে। এতিয়া আপুনি মানুহক ক'লে যে গাওঁ বাদ দিয়ক, গাওঁ সোমাই দিয়ক। আজি আপুনি কৈছে মাত্ৰ ষাঠিখন গাওঁ সোমোৱা হ'ল। ষাঠিখন গাওঁ সোমোৱা সহজ নাছিল। ইয়াত চতিয়াৰ বিধায়ক মাননীয় পদ্ম হাজৰিকা ডাঙৰীয়া ইয়াত উপস্থিত নাই। বিশ্বনাথৰ বিধায়ক মাননীয় প্ৰমোদ বৰঠাকুৰ ডাঙৰীয়া ইয়াত উপস্থিত আছে। এখন গাওঁত সোমাব পাৰি নেকি চেষ্টা কৰক। কোনো পলিটিকেল কথা হিচাবে নধৰিব। বিহালীত নিৰ্বাচনত সমগ্ৰ নিৰ্বাচনৰ কংগ্ৰেছ দলৰ কেম্পেইনৰ মূল কাৰণটোৱে আছিল যে অসম চৰকাৰে গাওঁ বিলাকক কেনেকৈ বি টি আৰ ত দিলে। That was there main campaign. এতিয়া আপোনালোকে কৈছে যে গাওঁ বাদ দিয়ক গাওঁত সোমাই দিয়ক,এই ধৰণে বড়োলেণ্ড চলাব নোৱাৰি আপোনালোকে কৈছে যে ৬০ খন গাওঁ সোমোৱা কথা ৬০ খন গাওঁ সোমোৱা কথাটো ইমান সহজ নাছিল । আজি ইয়াত সদিয়াৰ বিধায়ক পদ্ম হাজৰিকা

ডাঙৰীয়া ইয়াত নাই, বিশ্ব নাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ আছে। এতিয়া আমি BTR ৰত এখন গওঁত সোমাব পাৰি নেকি চেষ্টা কৰি চাওঁ। এই বিষয় বিলাক ৰাজনৈতিকৰণ নকৰিব। বিহালী সমষ্টিৰ উপ নিৰ্বাচনত কংগ্ৰেছ দলৰ campain মূল বিষয় বস্তুটো আছিল যে অসম চৰকাৰে কেনেকৈ গাওঁ বিলাকক BTR ক দি দিলে। That was their main compaign. পিযুষ হাজৰিকা ডাঙৰীয়া ইয়াত আছে। I have to give reply one after another. I have took it as the greatest challenge in my political life. এখন গাওঁ BTR ৰত সোমোৱা সুবিধাটো পাব লাগিব। সেই গাওঁখন যেতিয়া BTR ত সোমাৰ তাত বাস কৰা অজনজাতি মানুহৰ অধীকাৰৰ ৫০ শতাংশ অধীকাৰ তেওঁলোকে Compromise কৰিব লাগিব। কাৰণ BTR হলে 6 th Schudule ত পৰিব তেওঁলোকে সাধাৰণ নিৰ্বাচনে হওক বা পঞ্চায়ত নিৰ্বাচন হওক খেলিব নোৱাৰিব লগতে তেওঁলোকৰ পূৰ্বতে থকা ভূমিৰ অধিকাৰ নোহোৱা হ'ব। গতিকে এই বিলাক ইমান সহজ কাম নহয় আৰু ইয়াত ১১ খন গাও অৰ্ন্তভূক্ত হ'ব বুলি আপোনাক কোনে কলে। এই ক্ষেত্ৰত BTR সৰ্ম্পকীয় আইনত লিখা আছে যে এখন আয়োগৰ অধীনত গাওঁবোৰৰ অন্তভূক্তি কৰণ আৰু বাদ দিয়া কাম বোৰ কৰা হ'ব। আৰু এই আয়োগ খনে সকলো পক্ষৰ মতামত গ্ৰহণ কৰিহে এই কাম খিনি কৰিব পাৰিব। এনে আমি BTR ত এখন গাওঁ অন্তভূক্ত কৰিম বুলি কৰিব নোৱাৰো আৰু অন্য হাতে মই এখন গাওঁ BTR ৰ পৰা বাহিৰ কৰিবলৈ গলে ABSU, BPF, UPPL লগতে বড়ো জাতীয় সংগঠন খিনিয়ে মোক অধীকাৰ দিব লাগিব যে আপুনি এইটো ক'ৰক বা নকৰিব। ১৯৮৫ চনৰ পৰা অসমৰ কোনো মুখ্য মন্ত্ৰীয়ে BTR ত ৰাতি থাকি পোৱা নাই । আমি আপোনালোকৰ ইয়ালৈ আহিছো, ইয়াৰ আৰত ABSU, BPF, UPPL এই ৰাজনৈতিক সংগঠন সমূহৰ পূন্ন সমৰ্থনৰ লগতে মাননীয় প্ৰধান মন্ত্ৰী শ্ৰী যুত নৰেন্দ্ৰ মোদী ডাঙৰীয়া, অমীত শাহ ডাঙৰীয়াৰ অদম্য Back ground খিনিৰ বাবে। অসমৰ তদানীন্তন মুখ্য মন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াৰ লগতে প্ৰয়াত মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ লগতে আনকি মোৰ পূৰ্বৰ মুখ্য মন্ত্ৰী শ্ৰী যুত সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াইও এটা ৰাতিও BTR ত থাকি পোৱা নাই। তদানীন্তন মুখ্য মন্ত্ৰী প্ৰয়াত বিমলা প্ৰসাদ চলিহা দেৱে BTR লৈ আহোতে তেখেতৰ বিৰোধে বন্ধ ঘোষনা কৰা হৈছিল। These are true incidents. আজিৰ দিনটো অসমৰ ৰাজনৈতিক ইতিহাসৰ বাবে অতি কে গুৰুত্ব পূৰ্ণ দিন। Actully, we are not realized the impact. আমি ইয়াত বিধান সভা পাতি কাকো Provoke কৰিব আহা নাই। যি ঠাইৰ পৰা অসমত বিভাজন অনাৰ বাবে এসময়ত প্ৰচন্দ আন্দোলন হৈছিল য'ত শ শ মানুহে আত্ম-বলিদান দিছিল সেই স্থানত আজি আমি অসম বিধান সভাৰ অধিবেশন পাতিবলৈ সক্ষম হৈছো। এই ক্ষেত্ৰত আমি BTR ৰ সকলো বোৰ দল সংগঠনক ধন্যবাদ দিব লাগিব। Today is truly a historical day. আজিলৈকে কোনো মুখ্য মন্ত্ৰীয়ে BTR ত সভা পাতি পোৱা নাই লগতে Road Show কৰি পোৱা নাই। মানসিক ভাবে ইয়াৰ মানুহখিনিয়ে আমাৰ পৰা আতৰি গৈ আছে। এই এক্ষেত্ৰত ৰাজ্য এখন বিচাৰিলে তাৰ লগত জড়িত আৰ্থিক ৰাজনৈতিক কথাবোৰ জড়িত হৈ থাকে গতিকে ৰাজ্য এখন বিচৰাতো কিমান গ্ৰহণ যোগ্য এই কথাটো BPF, UPPL আৰু বড়ো সাহিত্য সভায়ো বুজিব পাৰিছে। সেইকাৰণে বড়ো ৰাজনৈতিক দল আৰু সমাজে বিচাৰিছে যে আমাক ৰাজ্য নালাগে আমাক আত্মনিয়ৰ্ন্তৰ অধিকাৰ লাগে। এই কাম খিনি কৰিবৰ বাবে দলম'ত নিবিশেষে বড়ো ৰাইজে আৰু বড়ো ৰাজনৈতিক দল বিলাকে যিমান ত্যাগ আৰু কষ্ট কৰিছে তাক আমি সলাগ ল'বই লাগিব। এই এইক্ষেত্ৰত মই কোনো ৰাজনৈতিক দলৰ বিষয়ে ক'ব খোজা নাই।

এতিয়া আমাৰ Provoke কৰাৰ সময় নহয় আমি Expose কৰাৰ সময় নহয়, আজিৰ সময়ত আমি বড়ো নেতৃত্বক সন্মান জনোৱাৰ সময়, বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মক সন্মান জনোৱাৰ সময়। নিৰ্বাচন আহিব আৰু যাব তাক লৈ আৰু কোনো কথা নাই । আমি বিৰোধী পক্ষত থাকিলে সদায় কিবা চেলু বিচাৰি থাকো কেনেকৈ চৰকাৰৰ আমি দুষ দিব পাৰো। আপোনালোকে যিয়ে নকওক কিয় অসমৰ ৪০ বছৰৰ ভিতৰত মই প্ৰথম মুখ্য মন্ত্ৰী যি ৮ বছৰ ধৰি BTR ত ইলেকশ্বন ৰেলি ভাগ লৈ আহিছো। আজিৰ সময় খিনি অতিকে গুৰুত্ব পূৰ্ন্ন কাৰণ অসম বিধান সভাৰ অধিবেশন আজি পোন প্ৰথম বাৰৰ বাবে BTR ত হোৱাৰ বাবে প্ৰধান মন্ত্ৰী আৰু গৃহ মন্ত্ৰী ডাঙৰীয়াই শুভেচ্ছা বানি পঠাইছে কাৰণ তেওঁলোকে আজি দিনটোৰ গুৰুত্ব বুজি পাইছে। গতিকে আমি এইটো বস্তুৰ ওপৰত গুৰুত্ব দিব লাগিব যে কেনেকৈ আমি জনজাতিয় লোক সকলৰ আত্মনিয়ন্ত্ৰন অধিকাৰ সুৰক্ষা কৰিব পাৰো লগতে জনজাতিয় আৰু অজনজাতিয় লোক সকলৰ মাজত এক সন্ময়ৰ ভাৱ ধাৰা সৃষ্টি কৰিব পাৰো। যেতিয়া মই ইয়াত বড়ো নেতৃত্বৰ কথা কৈ আছো You have also feel the pain of non bodo people living in BTR. আজি ৬০ টা সমষ্টিৰ বা ৪০ টা সমষ্টিৰ ৩৫ টা সংৰক্ষন কৰা হয় তেতিয়া এচাম মানুহে ৰাজনৈতিক অধিকাৰ অবিহনে জীয়াই থাকিব লগিয়া হয়। এই ক্ষেত্ৰত আমি BTR অঞ্চলত বাস কৰা অনা বড়ো লোক সকলকো ধন্যবাদ জনাব লাগিব কাৰণ তেওঁলোকে সৰ্বস্ব ত্যাগ কৰিছে। এইটো সহজ বস্তু নহয়। আজি নিকাচি দৰে অঞ্চলত ১৯৫২ চনৰ বানপানিৰ ফলত বসবাস কৰা লোক সকলে আজি লৈকে মাটিৰ অধিকাৰ পোৱা নাই। আৰু মই এইটো কৰিব পৰা নাই যদিও মই আলোচনা কৰি আছো এই ক্ষেত্ৰত কি পদক্ষেপ গ্ৰহণ কৰা যাব। বড়োলেণ্ড হৈছে এটা বিশেষ ধৰণৰ ভৌগলিক অঞ্চল য'ত ৩০ শতাংশ /৪০ শতাংশ লোকে 6th Schedule অন্তৰ্ভূক্ত হৈছে আৰু ৬০ শতাংশ লোকে বড়ো নেতৃত্বক মানি লৈছে, তেখেত সকলৰ বিভিন্ন ধৰণৰ অধিকাৰ সুৰক্ষা থকাৰ বাবে। ইয়াত আমাৰ দায়িত্ব আছে যে অসমত বসবাস কৰা বড়ো আৰু অনাবড়ো সমাজৰ আমি আজি অভিভাৱক নহয় আমি সেবক হে । অসমৰ মানুহে আমালৈ চাই আছে কাৰণ বড়ো আৰু অনাবড়োৰ মাজত সমন্নয়ৰ সৃষ্টি কৰাৰ বাবে। BTR ত যি 6th Schedule আছে সেইটো কাৰ্বিআংলং আৰু ডিমা হাচাওঁত কৈ বহুত জটিল। আৰু এই পৰিবেশৰ মাজত আমি আজি সমন্নয়ৰ সৃষ্টি কৰিবলৈ আহিছো। আজি BTR নিৰ্মানত বড়ো জনসাধৰণ লগতে ইয়াত বসবাস কৰা অনাবড়ো লোক সকলেও যথেষ্ট সহায় কৰিছে।

কাৰ্বি আংলং আৰু ডিমা হাচাওঁতকৈ ইয়াৰ পৰিবেশ বহুত জটিল আছিল। এই পৰিবেশৰ মাজত আজি আমি সমতা আৰু সমন্বয়ৰ নতুন ইতিহাস সুচনা কৰিবলৈ ইয়াত আহিছো। আজি বি টি আৰ নিৰ্মাণত বড়ো জনসাধাৰণ আৰু ইয়াৰ লগত বি টি আৰ অঞ্চলত বাস কৰা অনাবড়ো জনসাধাৰণ দুয়োটা বড়ো সমাজে নিজৰ ৰাজ্যৰ দাবী প্ৰত্যাহাৰ কৰিছে অনাবড়ো সমাজেও নিজৰ ৰাজনৈতিক অধিকাৰক পিছ পেলাই থে অসমৰ স্থায়ী শান্তিৰ বাবে সহবাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। This is a unique opportunity. আৰু এই গোটেই পৰিবেশটো আমি provoke নহয় আমি তেওঁলোকক সহায় কৰিব লাগিব, সহযোগিতা কৰিব লাগিব। বড়ো নেতৃত্বক শক্তিশালী কৰিব লাগিব, অনাবড়োৰ নেতৃত্বক বড়োৰ নেতৃত্বৰ লগত আনি আমি একেটা ৰুমত বহুৱাই তেওঁলোকৰ এটা মিলনৰ সাঁকো নিমাৰ্ণ কৰিব লাগিব। আমাৰ ইয়াতে বহুত ডাঙৰ responsibility আছে। আজি আপোনালোকে ইয়াতে কৈছে, বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ কথা। আমি কেইজন অসম বিধান সভাৰ বিধায়কে কেইজন মন্ত্ৰী ডটমাত গৈ তেখেতৰ যি সমাধিস্থলী

তাতে সেৱা কৰাৰ সুযোগ লৈছো, কোন জন গৈছো? তাৰ দায়িত্ব তেওঁলোকৰ আবেগক আমি সন্মান জনাব লাগিব। জনজাতীয় লোকক ৰাস্তা আৰু ঘাটত কৈ তেওঁলোকৰ সাংস্কৃতিক আৰু ঐতিহ্যৰ প্ৰতি তেওঁলোকৰ আটাইতকৈ বেছি চিন্তা, ভাষাৰ প্ৰতি চিন্তা, ৬ লেগু ৰাস্তাৰ তেওঁলোকৰ প্ৰয়োজন নাই। শিলৰ ৰাস্তাত থাকিব কিন্তু বাগুৰুমবা জীয়াই থাকিব লাগিব। বড়োভাষা জীয়াই থাকিব লাগিব These are very sensitive moment of our history. গতিকে মই সকলোকে ধন্যবাদ জনাম যে আজি আপোনালোক ইয়াত আহি উপস্থিত হৈছে, যিকোনো কাম কৰিব যাওঁতে, আজি ইয়াত অখিল গগৈ ডাঙৰীয়াই কৈছে যে ৬ শ ৰ পৰা ৮ শ কোটি টকা হৈছে আচলতে বাজেটটো তেনেকে নাছাই। যদি আপুনি চাব যায়, ৮ শ কোটি টকা General Grant দিয়া হৈছে আৰু আঢ়ৈশ কোটি টকা Special Grant দিয়া হৈছে, তাৰ উপৰিও General Area ৰ পৰা ৪শ ,৫শ কোটি টকা ৰাস্তাতে অকল দিয়া হৈছে। বি পি এফ ৰ দিনত যি পাইছিল, কংগ্ৰেছৰ দিনত যি পাইছিল তাতকৈ কেইবা মাইলো আমি cross কৰিছো। অকল এই বছৰতে ৬শ কোটিৰ ঠাইত আপুনি কৈছে ১ হাজাৰ হ'ব লাগে। এই বছৰত মোৰ যিমানদূৰ বিশ্বাস ১৫ শ ৰ পৰা ১৮শ কোটি টকা আমি তেখেত সকলক দিছো। Water Resource ৰ পৰা ৫ শ কোটি PWD বিভাগৰ পৰা ৫ শ কোটি কোক্ৰাঝাৰ ষ্টেডিয়াম নিৰ্মাণৰ বাবে ১.৫০শ কোটি কিমান কাম আমি কৰি আছো তাৰ কোনো হিচাব নাই। কিন্তু এই কামখিনি কৰাৰ পিছতো মই কওঁ যে আমি আৰু কৰিব লাগে, we should do more অলপ আগতে আমি PWD ৰাস্তা আছিল শ্ৰী প্ৰমোদ বড়ো ডাঙৰীয়া, শ্ৰী দূৰ্গা দাস বড়ো ডাঙৰীয়াক মই একে লগে লগ কৰিছো যে দুয়োজনকে মিলি মই ৪শ কোটি টকা দিম আপোনালোকে ঠিক ঠাক কৰি ৰাস্তাখিনি ভগাই ল'ব। এইখন চৰকাৰ একেলগে, নহলে এই সভা আজি ইয়াত আপোনালেকে কৰিবই নোৱাৰে সকলোৰে মুখত সাফল্যৰ হাঁহি । বিটিচিৰ চি ই এম, ই এম আপুনি কৈ আছে বডোলেগুত ইমপ্লিমেন্ট হোৱা নাই আপুনি কৈ আছে , তাৰ উত্তৰত শ্ৰী প্ৰমোদ বড়োৱে আপোনাক বুজাই আছে যে আমাৰ কামবোৰ হৈ আছে। সকলোৰে মুখত,সকলোৱে আজি বুজি পাই This is a sincere Government,they are trying to do whatever they can do. আপুনি কোৱাৰ দৰে উলিয়াই দিয়ক গাওঁ সুমুৱাই দিয়ক গাওঁ, তেনেকে হ'লে আপুনি কোৱাৰ দৰে সঁচাকে অস্ত্ৰৰ জনজননি আৰম্ভ হ'ব। বড়ো সমাজক মৰম লাগে, সন্মান লাগে। আজি আপুনি বিশ্বাস কৰিব আপুনি কৈছে যে কি কৰিছে, কোকৰাঝাৰত বড়োলেণ্ড ইউনিভাৰচিতি আছে । সেই একেখন সৰু কোকৰাঝাৰতে আৰু এখন কোকৰাঝাৰ ইউনিভাৰচিতি কৰাৰ প্ৰস্তাব দিছো। মাত্ৰ এই সৰু চহৰতে অসমত দুখন দুখন ইউনিভাৰচিতি আৰু বহুত কাম হৈ আছে। এই সাফল্যৰ হাঁহি পুলিচ, মিলিটাৰী একো নলগোৱাকৈ এই যে সকলোৰে মুখত আজি সাফল্যৰ হাঁহি দেখিছে this is absolutely hard work right from prime minister to the people of Bodoland. আজি তেওঁলোকৰ complete বড়ো ওডালগুৰি, কোকৰাঝাৰৰ সাম্প্ৰদায়িক সংঘৰ্ষ, today what is there? আজি কংগ্ৰেছ দলে কৃতিত্ব লয় যে সংখ্যালঘুৰ আটাইতকৈ বন্ধু বুলি আজি মই একো ডাটা নকওঁ। কিন্তু শ্ৰী সৰ্বানন্দ সোণোৱাল আৰু হিমন্ত বিশ্ব শৰ্ম্মাৰ চৰকাৰৰ দিনত এটাও সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা নাই, এজনো মুছলমান লোকৰ বি টি আৰত মৃত্যু হোৱা নাই, these are pure statistics, আৰু statistics ৰ ওপৰটো কোনেও কথা ক'ব নোৱাৰে, আজি প্ৰথম বাৰৰ বাবে বড়োভূমিৰ নিৰ্বাচনত মুছলমান মানুহে মুকলিকৈ ভোট দিছে, বঙালী মানুহে ভোট দিছে, অসমীয়া মানুহে ভোট দিছে। ভোট কাক দিছে বড়োলেণ্ডৰ দুয়োটা পাৰ্টীকে দিয়া নাই কোনোবাই হয়তো

কংগ্ৰেছক দিছে আৰু কোনোবাই হয়তো নৰ শৰনীয়াৰ পাৰ্টীক দিছে বা বি জে পি ক দিছে। কিন্তু দুয়োটা বড়ো ৰাজনৈতিক দলে পিছদিনাখন গৈ সোধা নাই যে তহঁতে আমাক কিয় ভোট দিয়া নাই। this is what we have created, we have brought back democracy to BTR, মানুহৰ মাজত আত্মবিশ্বাস, আপোনালোকে আৰু জানি গম পাব যে absolute no interfare, Bodoland Council ৰ ভিতৰত কোনো কথাত অসম চৰকাৰে কতোৱেই interfare নকৰে । কাৰ্বি আংলং, ডিমাহাচাওঁ কতোৱেই interfare নকৰে । আগতে তাৰ বাজেট অসম বিধান সভাই বনাইছিল কোনটো বিভাগত কি দিব লাগে, আমাৰ চৰকাৰে যোৱা বছৰত সিদ্ধান্ত ল'লে যে বাজেট নবনাওঁ আমি মাত্ৰ টকাটো দি দিম।Budget will be prepared by the BTR Assembly, Karbi Anglong Assembly and Dima Hasao Assembly. আজি আপুনি কৈছে subject transfer কৰিব লাগে Assam Government has given no objection যিমান subject লাগেBTR ত লৈ যাওঁক আমাৰ কোনো আপত্তি নাই।Home Department ক বাদ দি যিমান যি লাগে লৈ যাওঁক। সেই কাৰণে ১২৫ তম সংশোধনী আজি হোৱাৰ পথত গৈ আছে, আৰু ১২৫ তম সংশোধনী হৈ যোৱাৰ লগে লগে BTR Accord will be implemented in 100 %. অকল সেইখিনিয়েই বাকী আছে, আৰু তাৰো আলোচনা চলি আছে। ক'ভিডৰ সময়খিনিক বাদ দিলে চাৰে তিনি বছৰৰ ভিতৰত ইমান speed implementation কতো হোৱা নাই। গাৰত ২০-২৫ বছৰলৈকে চলি থাকিব,পৰিবেশ বদলি থাকিব geography বদলি থাকিব, আজি বি টি আৰৰ পৰা ওলাই যাব যোৱা গাওঁ যেতিয়া বড়োলোক সকলে মৰম কৰিব তেওঁলোকে ওলাই নাযাওঁ বুলি ক'ব, আৰু সোমাব খোজা গাওকঁ বি টি আৰে ক'ব ঠিক আছে আমাক নালাগে, আগতে আবছুৱে কৈছিল ১০ শতাংশ বড়ো মানুহ থাকিলেও আমাক গাওঁ লাগে। এতিয়া আবছুৱে কৈছে ১০০ শতাংশ বড়ো মানুহ থাকিলেহে আমাক গাওঁ লাগে। আমি আবছুক ধন্যবাদ দিব লাগিব। যদি ২০০৩ চনত এনেধৰণৰ কথাবোৰ আবছুৰ লগত পাতিব পৰা গ'ল হেতেন আজি আৰু এখন নতুন বি টি আৰ আমি দেখা পালোহেতেন। আজি শোণিতপুৰ, বিশ্বনাথত আমি কথা পাতিছো, আমি আবছুৰ লগত কথা পাতিছো যে বড়ো গাওঁখিনি লৈ লওঁক , ননবড়ো গাওঁ বা ৫০-৫০ গাওঁখিনি দিব নালাগে, বাকী মানুহখিনিৰ কষ্ট হয়, আৰু আবছুৱে ক'লে, যে লাহে লাহে আমি কাম কৰি গৈ থাকিম বি টি চি ত। এতিয়া আকৌ ১৫ খন গাওৰঁ তালিকা দিছে, আৰু ১৫ খন গাৱঁৰ তালিকা দিছে,they are working very closely, প্ৰতিটো ১ মাহত এবাৰ নহয় এবাৰ কোনোবা এজন মন্ত্ৰীয়ে তেওঁলোকক লগ পাই, we are working in a matter of collaboration, আমি যিহেতু বিচাৰি ফুৰিছো যে we are not enemy now, we are not competitor, we are collaborator. বড়োলেণ্ডৰ উন্নয়নৰ আমি এতিয়া সমভাগি তাৰ মাজত আজি প্ৰতিযোগিতাই নাই। যদি প্ৰতিযোগিতাই নোহোৱা হৈ যায় তেতিয়া তাত কোনোধৰণৰ সমস্যাই নাই। সেই কাৰণে এই বড়োলেণ্ড Accord, অসম চুক্তিত যেনেকৈ ১৯৮৫ চনত অসম চুক্তি হোৱাৰ পিছত আছুৰ লগত প্ৰতিদন্দি মনোভাৱ লোৱাৰ বাবে অসম চুক্তিখন সফল নহ'ল। বড়ো চুক্তিক আমি প্ৰথম দিনাখন আৰু যদি আগলৈ মনত পেলাও ২০০৩ চনত যেতিয়া বড়ো চুক্তি স্বাক্ষৰিত হয়, হাগ্ৰামা মহিলাৰী চি ই এম আছিল । বড়ো চুক্তিৰ প্ৰথম বছৰত - অল চাবজেক্ট ট্ৰেন্সফাৰৰ নোটিফিকেশ্যনখন মইয়ে পকেটত লৈ আনিব লগা হৈছিল । because I am very sensetive যে আমি জনজাতীয় লোকসকলক তেওঁলোকৰ সন্মান দিব

লাগিব। সেই কাৰণে আজি অসম বিধান সভা ইয়াত অনুষ্ঠিত কৰাৰ একমাত্ৰ উদ্দেশ্য হ'ল যে বড়ো নেতৃত্বক যি দলৰ নহওঁক যিকোনো অনুষ্ঠানৰ নহওক inspite irrespective of political affliation- হিয়া উজাৰি অভিন্দন জনোৱা যে আপোনালোকে এখন নতুন অসম নিৰ্মানত আমাক সহযোগিতা কৰিছে । আজি অসম বিধান সভাৰ পবিত্ৰ মজিয়াৰ পৰা মই বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতি আকৌ এবাৰ শ্ৰদ্ধাঞ্জলি জনাইছো আৰু বড়ো নেতৃত্বক আশ্বাস দিছো যে, বড়ো চুক্তিক আখৰে আখৰে পালন কৰিবলৈ আমাৰ প্ৰচেষ্টা অব্যাহত থাকিব। ইয়াৰ লগতে বড়োলেণ্ডত বাস কৰা যিসকল বড়ো জনগোষ্ঠীৰ লোক নহয় তেওঁলোককো আমি আশ্বাস দিছো যে, আপোনালোকৰও ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক অধিকাৰ আমি সুৰক্ষিত কৰিম । বড়ো আৰু অনাবড়ো দুয়োটা শব্দ নোহোৱাকৈ আমি ইয়াতে এখন এনেকুৱা বিটিআৰ নিৰ্মান কৰিব খোজো, যিখন বিটিআৰ অসমৰ উন্নয়ণৰ প্ৰতীক হৈ পৰে , অসমৰ বিকাশৰ নতুন প্ৰতীক হৈ পৰে । সময় লাগিব, পুৰনি ঘাঁ , তাক লাহে লাহে ধুঁই পখাঁলি ঠিক কৰোতে সময় লাগিব । কিন্তু আজি আমাৰ চৰকাৰৰ দিনতে বড়ো ভাষাক আমি আপ টু হায়াৰচেকেণ্ডৰী লৈকে আমি লৈ গ'লো । আজি আমাৰ চৰকাৰৰ দিনতে বড়োলেণ্ডৰ বাহিৰৰ বড়ো সকলৰ কাৰণে আমি ৱেলফেয়াৰ কাউন্সিল গঠন কৰিছো । ভাবিব নোৱাৰা কাম হৈছে, আজি ইয়াত সেই কাৰণে মই সকলোকে এটাই অনুৰোধ কৰিছো যে, আজিৰ দিনটো বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ সময়ত, বড়োলেণ্ডক শক্তিশালী কৰাৰ সংকল্প লোৱাৰ সময়ত আৰু বড়োলেণ্ডত বড়ো আৰু অনাবড়োৰ সমন্বয়ৰ এক মূৰ্ত্ত প্ৰতীক হিচাপে নিৰ্মাণ কৰাৰ সংকল্প লোৱা হওক। মই বিশ্বাস কৰো আজি অসম বিধান সভাখনক বড়ো এক্টখনক যিধৰনে বড়ো ৰাইজে আদৰি ল'লে সেই এক্ট ভবিষ্যত সোণোৱালী অসমৰ ৰূপৰেখা আমাৰ সন্মূখত দাঙি ধৰিছে । এইখন কোনখন অসম আছিল - আন্দোলন, বন্ধ, বোমা বিস্ফোৰন, হত্যা, হিংসা - আজি কোনোবাই আমাক ৰাজনৈতিকভাৱে সমালোচনা কৰিব পাৰে, কিন্তু এই খন অসম আজি আমি আন্দোলন বিৰৰ্জিত , বন্ধ বিৰৰ্জিত, গুলি- বোমা বিৰৰ্জিত এখন নতুন অসম আমি নিৰ্মান কৰিব লাগিব । আউট অৱ এচেচ - এখন ভাঙি যোৱা প্ৰদেশ। আজি আমি শক্তিশালি কাঠোমোৰ ওপৰত নিৰ্মাণ কৰিছো । কেতিয়াবা আপোনালোকে ডিফুলৈকে যাব । ডিফু দেখিলে গুৱাহাটীয়ে পিচ পৰা যেন লাগিব। ডিফুৰ যিটো উন্নয়ন, আমাৰ কামৰূপ - নগাওঁ , শিৱসাগৰ, যোৰহাট ,ডিব্ৰুগড় জিলাতকৈ বহুখিনি আগুৱাই গ'ল । আজিকালি আমাৰ ডাঙৰ ডাঙৰ চৰকাৰী বিষয়াসকল নিজৰ পৰিয়াল লৈ ডিফুত ফুৰিবলৈ যায় । We have changed that-আজি কাৰ্ব্বি নেতৃত্বক সমালোচনা কৰে । কথাই কথাই আমাৰ মানুহে কয় - তেওঁলোকে টকা আত্মসাৎ কৰে, ডিমাচা পাহাৰত বহু টকা যায় , কাৰ্ব্বি পাহাৰত বহু টকা যায় । একে টকাৰে ডিফুত যেতিয়া ধুনীয়া ষ্টেডিয়াম নিৰ্মান হয় একেই টকাৰে আমাৰ সমষ্টিত কিমান ধুনীয়া ষ্টেডিয়াম হয় বিবেচনা আমিয়ে কৰো। আমাৰ বহু মানুহ এতিয়াও পুৰনি দিনতে সোমাই আছে । এতিয়া ডিমাহাচাও- কাৰ্ব্বি আংলঙৰ কেলেংকাৰী সময়ৰ কথা তেওঁলোকে মনত ৰাখে এতিয়া সময় পৰিৱৰ্ত্তন হৈছে । পোন্ধৰ কোটি টকা দি জালুকবাৰীত যিমান ভাল ষ্টেডিয়াম নিৰ্মাণ হয়, পোন্ধৰ কোটি টকাৰে আজি ডিফু আৰু হাফলঙত জালুৰবাৰীতকৈ বেছি ভাল ষ্টেডিয়াম নিৰ্মাণ হয় । এইবাৰ ডিমা হাচাও জিলাৰ পৰা ৭ জন লৰা ছোৱালীয়ে এচিএচ পাইছে । ৰেষ্ট কাৰ্ব্বি আংলঙৰ পৰা ৩ গৰাকী ল'ৰা ছোৱালীক আজি এচিএচ পাইছে । ষষ্ঠ অনুসুচীত পৰা অঞ্চল যোৱা সাৰে তিনিটা বছৰত যিমান উন্নয়ণ হৈছে - ডিফুত যিমান দলং ৰাস্তা হৈছে, কোনেও কল্পনা কৰিব নোৱাৰে । ৰাজনীতি কৰা মানুহৰ কথা ৰাজনীতিৰ লগতে থাকিব । কিন্তু কোনোবা এজন মানুহক

লৈ যাওক যিয়ে দহ বছৰ আগতে কাৰ্ব্বি আংলঙত গৈছে  আৰু আজি তেওঁ কাৰ্ব্বি আংলঙত যাওঁক তেওঁ পৰিবেশৰ পৰিৱৰ্ত্তন নিজে দেখা পাব । মই ইয়াত বিশেষ ক'বলগীয়া নাই  কাৰণ this are all matter of records- আজি ডিমা হাচাওঁত যি পৰিবৰ্ত্তন হৈছে - ডিমাহাচাও খনত আজি মানুহে মানিব আৰম্ভ কৰিছে যে, ডিমা হাচাওখনে অসমৰ নেক্সট চিলং হ'বলৈ গৈ আছে । আজি আমি নাযাও কাৰণে  গ'ম নাপাওঁ । আজি কোনোবাই ইয়াত কোকৰাঝাৰত বহু দিনৰ মুৰত যদি আহিছে তেওঁ  ভাবিব ইয়াত কিমান ডাঙৰ এটা ডেভল'পমেন্ট হৈছে। কোনোবাই ভাবিব পাৰিছিলনে  বিটিআৰত ইমান ডাঙৰ এটা এচেমব্লি,  কোকৰাঝাৰ ইউনিৰ্ভাচিটি , মেডিকেল কলেজ, চিআইটি , ইঞ্জিনিয়াৰিং কলেজ ইত্যাদি আছে , ষ্টেডিয়াম বনোৱাৰ কাৰণে ডেৰশ কোটি টকাৰ ফুটবল ষ্টেডিয়াম হৈছে । চেক্রেটাৰীয়েটৰ সন্মূখত  যিটো পুৰনি টেংক আছে , আৰ্মি জেনেৰেলে ইয়াত ' ডুৰাণ্ট কাম ফুটবল প্ৰতিযোগিতা' পতা বাবে গিফ্ট হিচাপে প্ৰদান কৰি গৈছে যে ই আপোনালোকৰ শৌৰ্য্য আৰু বীৰ্য্যৰ প্ৰতীক।  আজি মই অনুৰোধ কৰিম যে আমাৰ আৰ্মিয়ে ফেমিলী লৈ কাৰ্ব্বি আংলঙ,  ডিফু বিটিআৰত যাব লাগে, কোকৰাঝাৰত আহিব লাগে । We see a changed- আজি  তামুলপুৰত যাওক, বাক্সাত যাওঁক যেনেকৈ পাগলাদিয়া নৈৰ ওপৰত দলং হৈছে,  কোনেও কল্পনা কৰিব নোৱাৰে । তামুলপুৰত মই যেতিয়া প্ৰথম গৈছিলো সাৰে তিনিবছৰ আগতে , আৰু আজি সাৰে তিনি বছৰ পিচত , তাত মেডিকেল কলেজ , ৰাষ্ট্ৰপতি ভৱন, গৃহ মন্ত্ৰী ভৱন , বিএচ এফৰ অৰ্ডিন্সে ফেক্টৰী ইত্যাদি গঢ়ি উঠিছে । পাগলাদিয়াৰ  ওপৰত দুখনকৈ  দলং , আজি তামুলপুৰ জিলাখন  আমি ভাবিব নোৱাৰা পট পৰিৱৰ্ত্তন হৈছে । শান্তি এনেই অহা নাই , কোনোবা কোনোবা মানুহে ভাবে যে, এনেয়ে শান্তি আহিল নেকি ? আজি লাহে লাহে চিক্স চিডিউল এৰিয়া বিলাকত যেনেকৈ শান্তি ওভতি আহিছে মইতো মাজে মাজে ভাবো যে, অসমৰ আটাইতকৈ বিকশিত অঞ্চলবিলাক পিছপৰি যাব । আজি কাৰ্ব্বি আংলঙত যদি এটা উদ্যোগ স্থাপন কৰাৰ কথা হয়, বিটিআৰত এটা উদ্যোগ স্থাপন কৰা কথা  হয়, ডিমা হাচাওত এটা উদ্যোগ স্থাপন কৰা কথা হয় আজি তাত কোনো প্ৰতিবাদ নাই । মানুহে আদৰণি জনায় যে, হয়, আমাৰ ইয়াত ডেভল'মেন্ট লৈ আহক ।   মানুহ এই পৃথিৱীত কিমান দিন থাকে নাজানে, ২৫ বছৰ পিচত মই থাকিম নে নাই, মই নাজানো কিন্তু মই আজি এটা কথা প্ৰেডিক্ট কৰিব পাৰো যে, কাৰ্ব্বি আংলঙ, ডিমা হাচাওঁ, আৰু বিটিআৰ -this three parts of Assam will be the most prosperous region  in future. কাৰণ ইয়াত মানুহৰ মানসিকতাৰ অসম্ভৱ পৰিৱৰ্ত্তন হৈছে । অগ্নিবীৰ, আৰ্মি, বিএচ এফ,  চিআৰপিএফ, আটাইতকৈ ইয়াৰ পৰাই বেছি নিযুক্তি হয় । আমি বোৰ এতিয়াও ভাবিছো  ইয়াত আমি আহিছো যে, নহয় -We have come for a very developed district and we want to give and say something- যে মনত ভাল লগা কথা কিছু কৈ যাও যে, - No they are doing competition with us.  আজি বড়োলেণ্ড ইউনিভাৰ্চিটিত যিমান ফাষ্ট পৰিৱৰ্ত্তন হৈছে অসমৰ নতুন কোনেও বিশ্ব বিদ্যালয়ত .  ইমান ফাষ্ট পৰিৱৰ্ত্তন হোৱা নাই। আজি বড়ো ল'ৰা ছোৱালীয়ে যি ধৰনে - ডিপিঅ- আইপিও ত  যিধৰনে কাম কৰিছে , আমিবোৰ কেতিয়াবা পিচ পৰি যাম । মই পিছ পৰি যোৱা বুলি নকওঁ I Don't want to make a comment যিটো ফেকচুৱেলী - কিমান সঁচা - মিঁছা মই নাজানো, কাৰণ- because I am speaking on perception  আজি  অসমৰ আটাইতকৈ বিকশিত অঞ্চললৈ এই অঞ্চলবিলাক ৰূপান্তৰিত হৈ আছে । অসমৰ আটাইতকৈপিচপৰা অঞ্চল- আন্দোলন বিৱৰ্জিত পৰিবেশ আজি , শান্তি এক সাফল্যলৈ পৰিনত হৈছে । বিটিআৰৰ পৰা এইবাৰ পঞ্চাশজন

ল'ৰাই যোৰা বছৰ এচিএচ পাইছে। আজি সময় হৈছে বিটিআৰ বাসীক ধন্যবাদ জনোৱা - অভিনন্দন জনোৱাৰ আৰু তেওঁলোকৰ উন্নয়ণৰ বাবে আকৌ নতুনকৈ আমি নিজক নিয়োজিত কৰাৰ । মই আজি পবিত্ৰ সদনক জনাব খুজিছো যে আমাৰ লোক সভাত , ৰাজ্য সভাত বিবেচিত হৈ থকা ১২৫ তম সংবিধান সংশোধনী বিটিআৰৰ লৈ এক মূলভূত পৰিৰৰ্ত্তন আনিব । ফাইনেন্স কমিশ্যন --- অলপ আগতে - অখিল গগৈ ডাঙৰীয়ৰ প্ৰশ্নৰ উত্তৰ দিছো যে, ভাৰত চৰকাৰে চিক্স চিডিউলক এক টকাও নিদিয়ে । কিন্তু ১২৫ তম সংবিধান সংশোধনী গৃহীত হোৱাৰ লগে লগে ফাইনেন্স কমিশ্যনৰ পৰা চিক্স চিডিউললৈকে টকা অহা আৰম্ভ হ'ব । আৰু তাক আমি ক্ষিপ্ৰভাৱে প্ৰয়োগ কৰাৰ কাৰণে , আৰু আকল অসমৰ চিক্স চিডিউল নহয়, আমি একেলগে কাম কৰিছো যাতে, ত্ৰিপুৰা মেঘালয়ৰ, সকলো চিক্স চিডিউল লৈ ডাইৰেক্ট ফাণ্ড ফ্ল' হয় । আমি ভাবো যে, সফল হ'ব পাৰিম । ১২৫ তম সাংবিধানিক সংশোধনী আৰম্ভ হোৱাৰ লগে লগে ৬০ টা লৈকে বিটিআৰত চিট পাম লগতে বিটিআৰত বাস কৰা অজনজাতীয় লোক সকলোৱে যাতে শাসন ক্ষমতা পাব পাৰে তাৰ কাৰণে প্ৰত্যেকটো ভিচিডিচি আৰু মিউনিচিপালটিক ইলেক্টেড বডিলৈ আমি ৰূপান্তৰ কৰিম । আজি আমি এটা ডাঙৰ এখন পৰিৰৰ্ত্তনৰ কাৰণে কাম কৰিছো । আৰু যেতিয়া আমি ডাঙৰ পৰিৰৰ্ত্তনৰ কাৰণে কাম কৰো, it should be slow, it should be stady যদি গাড়ীখন বেছি গতিত চলাব খোজো এক্সিডেন্ট হ'ব। because this is a very sensitive area যোৱাকালি আবচুৰ লগত মোৰ মিটিঙ হৈছে, তেওলোকে মোক কৈছে যে, চতুৰ্থ ভাষা প্ৰৱৰ্তন কৰিব লাগে । চাৰিটা গোত্ৰীয় ভাষা- ইংৰাজী, হিন্দী, অসমীয়া আৰু বড়ো । মই কৈছো যে - নহয়, যেতিয়ালৈকে বড়ো সাহিত্য সভাই নক'ব আমি সেই ৰাস্তাত নাযাওঁ । because we want to take a every step with a caution. যাতে আমাৰ এটা ভুল সিদ্ধান্তই কাকো বিপদত নেপেলায়। আমাৰ যিসকল বড়ো লিডাৰশ্বিপে আমাৰ লগত কাম কৰিছে তেওঁলোক যাতে বিপদত পৰিবলগীয়া নহয় । মই আকৌ কৈছো -- আই এম বিং এ পলিটিকেল - এই সদনত দুইটা ৰাজনৈতিক দলৰ মানুহ আছে । আমি কাকো বিপদত পেলাব খোজা নাই । -we want to take every step slowly লাহে লাহে ধীৰে সুস্থিৰে । মই অসম বিধান সভাৰ সদস্যসকলক অনুৰোধ কৰিম , কোকৰাঝাৰ লৈকে আহিব । ওদালগুৰি , তামুলপুৰলৈকে আহিব , বহুত কথা শিকিব পাৰিব। আজিৰ সদনতে মোক আবচুৰ সভাপতি দ্বীপেন বড়ো ডাঙৰীয়াই কৈ আছিলে , সকলোৱে কৈ আছিলে, আমি উন্নয়নৰ বাবে আগ্ৰহী। ১২৫ তম অনুমোদন যাতে অতি সোনকালে হৈ যায, তাৰ বাবে অসম চৰকাৰে, ভাৰত চৰকাৰৰ লগত একেলগে কাম কৰাৰ প্ৰতিশ্ৰুতি মই এই পবিত্ৰ সদনত আপোনালোকৰ সন্মূখত ৰাখিব খোজো । বিটিআৰৰ লগত এটা ডাঙৰ ডেভ'লপমেন্ট হৈ আছে। আমি সকলোৱে জনা উচিত । ভূটানত গেলেফু মাইনফুলচিপিলাং এখন ডাঙৰ মহানগৰ হ'বলৈ গৈ আছে। ভূটানৰ ৰজাই আশা কৰে যে এইখন চিংগাপুৰৰ দৰে এখন ডাঙৰ চহৰ হ'ব। তাত অকল ইন্টাৰনেচনেল এয়াৰপোৰ্টৰ বাবে তেওঁলোকে প্ৰায় ৮ হাজাৰ কোটি টকা খৰচ কৰিব খুজিছে। Total investment in Gelephu will be more than 1 lakh Crore ভূটানত মোৰ যাত্ৰাৰ পিছত। ভূটানৰ ৰজাই মোক কৈছে যে গেলেফুতটো চুপাৰিক্স সকল আহি থাকিব ব্যৱসায় পক্ষই। ভূটানৰ ৰজাই কৈছে যে আপুনি এই সময়ৰ লগত সুযোগ ৰাখি বিটিআৰ টো উন্নয়ন কৰক। এতিয়া আমি সিদ্ধান্ত লৈছো যে গেলেফুৰ ব্যৱসায়টো যাতে আমিও লব দাৰ্টগাৰীত লব পাৰো, আমি দাৰ্টগাৰী উন্নয়নৰ বাবে কাম কৰাৰ সিদ্ধান্ত লৈছো। মই আগতে কৈছো যে চিৰাং আৰু কোকৰাঝাৰ এই দুয়োখন জিলাই অসমৰ প্ৰতিখন জিলাক পিছ

পেলাই থৈ যাব। ইয়াত যিটো আমি আহি কৈছো টকা দি দিয়ক, এইটো দি দিয়ক আমি হাত পাতিব লাগিব এদিন যে আমাক দিয়ক। কাৰণ ইয়াত যিটো উন্নয়নৰ কেছ আছে আৰু মানুহে বিকাশ বিচাৰিছে, আটাইতকৈ ডাঙৰ কথা। গেলেফু হৈ যোৱাৰ পিছত চিৰাং আৰু বাটগীৰি অসমৰ আটাইতকৈ বিকশিত জিলালৈ ৰূপান্তৰিত হ'ব। খুব সম্ভৱ গুৱাহাটীৰ দৰে। কাৰণ গোটেই ভুটানত তেওঁলোকৰ যিটো উন্নয়ন, ৮ কি.মিটাৰ দূৰত চিৰাং, মানুহৰ ঈৰ্শাৰ কেন্দ্ৰবিন্দু হৈ পৰিব। যদি ভূটানে তেওঁলোকৰ মিছনত সফল হ'ব পাৰে। আমি কি কৰিব খুজিছো গুৱাহাটীৰ পৰা গেলেফুলৈকে ৰেল লাইন বহাব খুজিছো বাটগীৰিৰ পৰা। মই ভাৱো যে অসম এডভানটেজ চাবমিটৰ সময়ত ৰেলমন্ত্ৰী ডাঙৰীয়াই এই ঘোষণা কৰিব পাৰে। ১০ খন কলেজ আমি প্ৰভিনচিলাইজ কৰিছো। এইবাৰ আমি বিধান সভাত প্ৰাদেশীকৰণৰ আইন আনোতে বড়ো চুক্তি ৬.৩ গজক আৰু অলপ কেনেকৈ আমি শক্তিশালী কৰি ইমপ্লিমেন্ট কৰিব পাৰো তাৰ কাৰণে আমি কাম কৰিব খুজিছো।

**শ্ৰীঅখিল গগৈ, শিৰসাগৰ** ঃ ছাৰ, অধ্যক্ষ ডাঙৰীয়া, বড়ো মাধ্যমৰ স্কুল আৰু ইয়াত থকা অসমীয়া মাধ্যমৰ ভেঞ্চাৰ স্কুল খিনি চৰকাৰী কৰণ কৰিব লাগে। তেতিয়া ভাল মেচেজ এটা যাব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মই কৈ আছো, ভাল মেচেজ তেনেকৈ নাযাব। ইয়াত কৰিলে শিৰসাগৰৰ কলেজে কেছ কৰিব। শিৰসাগৰৰ স্কুলে কেছ কৰি দিব।

**শ্ৰীঅখিল গগৈ, শিৰসাগৰ** ঃ স্পেচিয়েল কৈ দি দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ স্পেচিয়েল হাইকোৰ্টে নামানে নহয়। গতিকে আপুনি মোক কৰিবলৈ দিয়ক মই কৰি আছো সুন্দৰকৈ যাতে কতো বাধা নহয়। ১০ খন কলেজৰ প্ৰাদেশীকৰণ কৰিলো এটাও কোৰ্টত কেছ নহ'ল। Because I am taking step logically আৰু তেখেত সকলক বিশ্বাসত লৈ লাহে লাহে কৰি গৈ আছো। গতিকে গোটেই কাম খিনি কোৰ্টত কেছ নোহোৱাকৈ গৈ আছে। আমি এতিয়া কালিগাঁৱৰ পৰা কোকৰাঝাৰলৈ আহিলে এই ৰাস্তাটো আমি ৪ লেণ্ডযুক্ত কৰিব পাৰো। আমাৰ ভূটানৰ নেচেনেল হাইৱেৰ পৰা সৰলটলালৈকে যোৱা ৰাস্তাটো আমি ৪ লেণ্ড বনাব খুজিছো। ফৰেষ্ট এৰিয়া খিনি ৩ লেণ্ড বাকী খিনি ৪ লেণ্ড। আজি এইধৰনৰ অসম মালাৰ আটাইতকৈ ডাঙৰ ইনভেষ্টমেন্ট বিটিআৰত হৈ আছে। ওডালগুৰিত আজি আমি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ এখন কেম্পাছ বনাব খুছিছো আৰু ২০২৭ চনত ওডালগুৰিত আমি এখন মেডিকেল কলেজৰো নিৰ্মাণৰ কাম হাতত লম। আপুনি যিটো ৪০০ কোটি দেখুৱাইছে, সেইটো বিত কৰি আমি কেতিয়াবাই পাৰ কৰিলো। সেই কাৰণে ইয়াত কোনো এজন বিটিআৰৰ বিধায়কে কোৱা নাই। যে আমাক পইচা দিয়া নাই আমাক চোৱা নাই। আজি বাজেটতো আমি কৈছো যে আমি তেনেকৈ আগবাঢ়ি গৈ আছো। বিটিআৰত আমি যেনেকৈ আগবাঢ়ি গৈছো কাৰ্বিআংলঙতো, ডিমাহাচাও জিলাৰ ৰাস্তা বনাবৰ কাৰণে বিশ্ববেংকৰ পৰা ৪ হাজাৰ কোটি টকা আনিছো। চিক্স চিড'লৰ কাৰণে আমি ইমান কাম কৰিছো। যে ডিমাহাচাও জিলাৰ গোটেই কেইটা ৰাস্তা নিৰ্মাণ কৰাৰ কাৰণে ৪ হাজাৰ কোটি টকা নন্দিতা গাৰ্লোছাৰ এটা সমষ্টিত । আৰু কাৰ্বি পাহাৰত আজিৰ দিনটোত নাইবুলিও ৩ হাজাৰ কোটি টকাৰ ওপৰত ৰাস্তাৰ কাম কৰা হৈছে। ভাৱিব নোৱাৰা কাম। সেই কাৰণে আমি যেতিয়া গুৱাহাটীত যাও আলোচনা কৰি আজি ইয়াত কব খোজা নাই আমি গোটেই তথ্য সহকাৰে কব পাৰিম, আজি মাত্ৰ এই বিধান সভা খনৰ উদ্দেশ্য অধ্যক্ষ মহোদয়ৰ প্ৰচেষ্ঠাত আমি একতাৰ প্ৰতীক হিচাপে ইয়াত আহিছো। বাকী আলোচনাটো আমি গুৱাহাটীতো কৰি থাকিব পাৰো। আজি মাত্ৰ ইয়াত আমি আহিছো উপেন্দ্ৰ নাথ ব্ৰহ্ম ডাঙৰীয়াৰ প্ৰতি অসম বিধান সভাৰ আনুষ্ঠানিক শ্ৰদ্ধাৰ এক নিদৰ্শন ।We are praying of previews to Bodofa

Upendra Nath Brahma. তেখেতে এটা পিছ পৰি যোৱা জাতিক কেনেকৈ এক আগশাৰীৰ জাতিলৈ ৰূপান্তৰ কৰিব পাৰি, এটা নিস্পেষিত জাতি সত্ত্বাক কেনেকৈ আটাইতকৈ উন্নত শীৰ্ষলৈ লৈ যাব পাৰি তাৰ প্ৰমাণ হিচাপে বড়ো জাতিক আজিক আজি নিৰ্মাণ কৰাৰ প্ৰেৰণা দিছে। আৰু যি ধৰণে উপেন্দ্ৰ নাথ ব্ৰহ্মই বড়ো জাতিক নিৰ্মাণ কৰিলে সেই পথ যদি আমি সেই পথেকে আগুৱাই যাবলৈ চেষ্টা কৰো অসমত প্ৰতিটো জাতি সত্ত্বাৰ বিকাশ হ'ব। গতিকে মাননীয় অধ্যক্ষ মহোদয়, কৃতজ্ঞ অসম বাসী ৰাইজৰ আজিৰ এই দিনটোত মই বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মাক ধন্যবাদ, কৃতজ্ঞতা, শ্ৰদ্ধাঞ্জলী নিবেদন কৰিছো আৰু বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ সমাধিক আমি ৰাজ্যিক সমাধিৰ পৰ্য্যায়লৈ উন্নত কৰাৰ বাবে প্ৰস্তাৱ লৈছো। তেখেতৰ সমাধি স্থলিত আমি এক সুন্দৰ আৰু ৰাজ্যিক পৰ্য্যালয়লৈ আমি লৈ গৈ আৰু তেখেতৰ জন্ম দিনত ৰাজ্যিক পৰ্য্যায়ত ৰাজ্য চৰকাৰে সদায়ে দশোমা পালন কৰাৰ বাবে তেখেতৰ সমাধিত অনুস্থান হিচাপে পালন কৰাৰ বাবে ৰাজ্যৰ সাংস্কৃতিক বিভাগে কাম  কৰিব। ইয়াৰ লগে লগে তেখেতৰ জন্ম দিনতো আমি পালন কৰি আহিছো আৰু আমি প্ৰত্যেক দিনা ছাত্ৰ দিৱস হিচাপে পালন কৰিম। দুটা কথাৰে মই সামৰণি মাৰিম মই এটা কথা আকৌ  এবাৰ কৈছো যে যি ধৰণে সংবিধান সংশোধনীৰ প্ৰস্তাৱ আছে আৰু যি ধৰণে বৰ্তমানৰ পৰিৱেশ, সেই পৰিৱেশে এটা কথা স্পষ্ট কৰি দিয়ে যে বিটিআৰৰ নেতৃত্ব সদায় বড়োভাষী ৰাইজৰ লগত থাকিব। কাৰণ যদি ৬০ টা সমষ্টিৰ ৪৫ টা সমষ্টি চিড'ল ট্ৰাইবৰ কাৰণে ৰিজাৰ্ভেশ্যন, তাৰ মানে ইয়াৰ ৰাজনৈতিক অধিকাৰ সদায় বড়ো লোক সকলৰ মাজত থাকিব। তেওঁলোকৰ দায়িত্ব বোধ অনাবড়ো লোক সকলক মৰমৰ চকুৰে চোৱা। তেওঁলোকৰ দায়িত্ব হ'ব তেখেত সকলকো সমাজৰ প্ৰতিটো পৰ্য্যায়লৈকে আগুৱাই লৈ যোৱা। মই অসমবাসী ৰাইজৰ হৈ আমাৰ বিটিআৰত বাস কৰা অনাবড়ো লোক সকলৰ কল্যাণ আৰু কুশলৰ দায়িত্ব বড়ো জনগণৰ ওপৰত অৰ্পণ কৰিব খুজিছো। কাৰণ তেখেত সকলৰ কল্যাণৰ কথা চিন্তা কৰাত অসমৰ মুখ্যমন্ত্ৰী হিচাপে মোৰ দায়িত্ব, কিন্তু বিটিআৰত মোৰ সীমিত ক্ষমতাৰ বাবে এই দায়িত্ব মই পালন কৰিবলৈ অসম্ভৱ।  কাৰণ সংবিধানে মোক ইয়াত বহুত কাম কৰিবলৈ অধিকাৰ নিদিয়ে। মই আজিৰ এই সুন্দৰ দিনটোত মই বড়ো নেতৃত্বক অনুৰোধ কৰো যে আপোনালোকে যাতে এইখন বিটিআৰত বাস কৰা অনাবড়ো লোক সকলৰ সাংস্কৃতিক, শৈক্ষিক, ৰাজনৈকিত অধিকাৰ সুৰক্ষিত কৰে। আমাৰ বড়োলেণ্ড অঞ্চলত বাস কৰা অসমীয়া ভাষী লোক কোচ ৰাজবংশী লোক, শৰণীয়া কছাৰী, ৰাভা এই বিভিন্ন লোকে তেওঁলোকে বিভিন্ন সমস্যাৰ আজি সন্মুখীন হৈ আছে আৰু তেওঁলোকৰ সমস্যাসমূহ সমাধান কৰা বা নেতৃত্ব লোৱা দায়িত্ব বড়োলেণ্ডত বাস কৰা সংখ্যালঘু জনতাই এতিয়া নিৰাপত্তাৰ অভাৱ কৰোবাত কৰোবাত অনুভৱ কৰে। তেওঁলোকৰ নিৰাপত্তাৰ অভাৱ দূৰ কৰাতো বড়ো নেতৃত্বৰ দায়িত্ব। মই আজিৰ দিনটোত বড়োলেণ্ডত বাস কৰা অনা-বড়ো লোকসকলৰ কল্যাণৰ বাবে কাম কৰিবলৈ আহ্বান জনাম, বহুখিনি কাম হাতত লোৱা হৈছে আৰু যাতে তেওঁলোকে কামত অগ্ৰসৰ হয়। কাৰণ বড়োলেণ্ডৰ এক সোণালী ভৱিষ্যত মই দেখা পাও। মই দেখা পাও যে আমাৰ ইয়াত বাস কৰা আদিবাসী সকল, ইয়াত বাস কৰা কোচ-ৰাজবংশী লোকসকল, শৰণীয়া সকল, মদাহী, ৰাভা, বিভিন্ন সৰু সৰু জাতিসত্তা  অসমীয়া ভাষী লোকসকল আৰু তাৰ লগত সংখ্যালঘু লোকসকল, এই গোটেই লোকসকলৰ লগত যদি বড়ো নেতৃত্বই একেলগে কাম কৰে, বড়োলেণ্ড অসমৰ নহয় ভাৰতৰ ভিতৰতে আটাইতকৈ বিকশিত অঞ্চলত পৰিণত হ'ব।

ঠিক তেনেদৰে, মই কাৰ্বি আংলং আৰু ডিমা হাছাওঁ জিলাও , কাৰ্বি ৰাইজ আৰু ডিমাছা ৰাইজৰ অ-ডিমছা আৰু অনা-কাৰ্বি লোকসকলৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অধিকাৰ

সুৰক্ষিত কৰাৰ কাৰণে আহ্বান জনাম, কাৰণ সংবিধানৰ ১২৫ তম সংশোধনে কাৰ্বি আংলং আৰু ডিমা হাছাও লোকসকল সদায়ৰ বাবে জনজাতীয় লোকসকলৰ বাবে ৰাজনৈতিক অধিকাৰ সাবস্ত কৰিব। ৬০ খন আসনৰ তাতো ৪৫ খন আসন Schedule tribe ৰ বাবে reservation, তাৰ মানে কাৰ্বি, ডিমাছা আৰু বড়োলেণ্ডৰ লোকসকলে কেতিয়াও বড়ো লোকসকল, ডিমছা লোকসকল, কাৰ্বি লোকসকলৰ ৰাজনৈতিক যিটো share of power, তাৰ কেতিয়াও সীমিত নহয়। যিহেতু বড়ো, কাৰ্বি আৰু ডিমছা লোকসকলে যিকেইখন জিলাত, পৰিষদত শাসনতন্ত্ৰ পৰিচালনা কৰে। গতিকে সেই জিলা বা পৰিষদকেইখনৰ অনা-বড়ো, অনা-কাৰ্বি, অনা-ডিমছা লোকসকলৰ সুৰক্ষা আৰু বিকাশৰ চিন্তা কৰাটো তেখেতসকলৰ দায়িত্ব। মই ভাৱো এনেধৰণে কাম কৰিলে বদোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ সপোন পুৰণ হ'ব। পুনৰ এবাৰ মই অসম বিধান সভাৰ সন্মানীয় অধ্যক্ষ শ্ৰী বিশ্বজিৎ দৈমাৰী দেৰক ধন্যবাদ জনাইছো, আপোনালোকে পৰিবৰ্তন চাওঁক। আজি অসমীয়া ভাষা ধ্ৰুপদী হ'ল, সন্মানীয় অধ্যক্ষ শ্ৰী বিশ্বজিৎ দৈমাৰী এজন বড়ো ভাষাৰ মানুহ, তেখেতে আজি অসমীয়া ভাষাৰ প্ৰশাংসা কৰি যিখিনি কথা ক'লে, অহাকালি গুৱাহাটীত কৈয়ো শেষ কৰিব পাৰিলেহেতেন। কিন্তু আজি বড়ো আৰু অসমীয়াৰ মাজত পাৰ্থক্যটো মনৰ পৰা আতৰি যোৱাৰ বাবে বিশ্বজিৎ দৈমাৰীয়ে কোকৰাঝাৰত অধ্যক্ষৰ আসনত বহি অসমীয়া ভাষাৰ ১৫০০ বছৰৰ ইতিহাসৰ কথা কব পাৰিছে। You can't Imagine বিশ্বজিৎ দৈমাৰী কোন — বড়ো আন্দোলনৰ আটাইতকৈ শীৰ্ষ পৰ্য্যায়ৰ নেতা সকলৰ মাজৰ তেখেত এজন। যেতিয়া পঢ়ি গৈছে মই অস্বস্তিত পৰি আছো। মোৰ লগত যদি ম'বাইল থাকিল হেতেন — মই বিশ্বজিৎ দৈমাৰীক ক'লোহেতেন — সেইখিনি কথা ইয়াত নকৈ গুৱাহাটীত ক'লেও হ'ব। কিন্তু তেওঁ সহজ ভাৱে কৈ আছে। কাৰণ তেওঁলোকে মনৰ পৰা এইটো বাদ দি দিছে। কাৰণ তেখেতসকলে জানে যে এতিয়া প্ৰতিজন অসমীয়াই বড়ো ভাষাৰো উন্নতি বিচাৰে। এতিয়া প্ৰতিজন অসমীয়াই বড়ো জাতিৰ কল্যাণৰ কথা চিন্তা কৰে। অসমীয়া-বড়ো সংঘাত এতিয়া পুৰণা হ'ল। এতিয়া অসমীয়াও উগ্ৰ জাতীয়তাবাদত বিশ্বাস নকৰে আৰু অসমীয়াও বড়ো লোকসকলক একেলগে লগত লৈ কাম কৰি আমি মহান বৰ অসম নিৰ্মাণ কৰাৰ পোষকতা কৰো। মই বিশ্বজিৎ দৈমাৰীক ধন্যবাদ জনাম যে তেখেতে আজি অজস্ৰ সাহসৰ পৰিচয় দিছে। অখিল গগৈ ডাঙৰীয়া, আপুনি কৈ থাকোতে You could not see the implications আপোনালোকে এইবিলাক কথা বুজিবও নোৱাৰে যে অসমত কিমান ডাঙৰ ডাঙৰ পৰিঘটনা ঘটি গ'ল। কাৰণ আমি এতিয়াও কাৰোবাৰ পৰিয়াল, কাৰোবৰ কিবা টনাটনি কৰি ৰাজনীতি কৰাৰ কামত ব্যস্ত হৈ আছো। আমাৰ কাৰণে হিমন্ত বিশ্ব শৰ্মা, চন্দ্ৰমোহন পাটোৱাৰীতকৈ আমাৰ ঘৈণীয়েক বিলাক বেছি ইম্পোৰটেণ্ট। কাৰণ আমি সিমান সীমিত দি আগবাঢ়ি গৈ আছো আৰু তাৰ ফলস্বৰূপে এনে ডাঙৰ পৰিঘটনা বিলাক লোকচক্ষুৰ পৰা আঁতৰি গৈ আছে। আমি মৰণশীল- কিন্তু বিশ্বজিৎ দৈমাৰীয়ে অসমীয়া ভাষাৰ গৰিমা বৰ্ণনা কৰি আজি যিখিনি কথা কৈ গ'ল — This become a part of record of Assam Assembly ( ......applaud......) । মই বিশ্বজিৎ দৈমাৰীক অন্তৰৰ পৰা অভিনন্দন জনাম আৰু এই কাৰণে জনাম, কাৰণ এইখন আসনত যদি চন্দ্ৰমোহন পাটোৱাৰী বহি থাকিলহেতেন মই নকলোহেতেন। বিশ্বজিৎ দৈমাৰী এবছুৰ এগৰাকী উচ্চ শাৰীৰ নেতা আছিল আৰু তেখেতে সহজভাৱে কৈ আছে। সকলোৱে অনুভৱ কৰিছে, সহজভাৱে কৈছে —He has no feelings– যে মই বড়ো, মই অসমীয়াৰ কথা কৈ আছো। This is what এইখনেই নতুন অসম। যিখন আমি যোৱা চাৰে তিনিটা বছৰে নিৰ্মাণ কৰিছো। যিখন অসমৰ কল্পনাও আজি পৰা ৪ বছৰ

আগত কোনেও কৰিব পৰা নাছিল আৰু একেই ব্যৱস্থা মিচিং অঞ্চলত গ'লে মিচিং ৰাইজৰ মাজত এনেকুৰা মৰম পাব, তিৱা অঞ্চলত গলে তিৱা ৰাইজৰ পৰা, ৰাভা অঞ্চলত গলে ৰাভা ৰাইজৰ মাজত এনেকুৰা মৰম পাব। একেদৰে সোণোৱাল -কছাৰী গাঁৱত গলে একেধৰণৰ মৰম পাব। জনজাতীয় লোকসকলৰ মাজত আজি আস্থা আৰু বিশ্বাসৰ নতুন পৰিবেশ এটা আৰম্ভ হৈছে। মই আশা কৰিম আমি সাবধানতাৰে সতৰ্কতাৰে কাৰ্বি পাহাৰ, ডিমাছা পাহাৰ আৰু বড়োলেণ্ডৰ বিকাশৰ বাবে আকৌ এবাৰ নিজক সমৰ্পন কৰিম। বড়োলেণ্ডত ৰাস্তা - ঘাট উন্নয়নৰ বাবে, যোৱা দুটা বছৰত মই ৫০০-৫০০ কৈ ১০০০ কোটি টকা দিছিলো। আজি আকৌ এবাৰ ৫০০ কোটি টকাৰ নতুন পেকেজ এটা মই বিধান সভাৰ মজিয়াৰ পৰা ঘোষণা কৰিলো। মই বিধায়ক সকলৰ লগত মই কথা পতিছো আধা তালিকা বিধায়কসকলে দিব, আধা তালিকা BTR য়ে দিব আৰু সুন্দৰভাৱে আমি বড়োলেণ্ড নিৰ্মাণৰ কামত নিজক বৰ্তি কৰিম। একেধৰণে ডিমা হাছাওৰ কাৰণে ১০০ কোটি টকা, আৰু কাৰ্বি আংলঙৰ বাবে ২০০ কোটি টকা আজিৰ বিধান সভাৰ পৰা মই ঘোষণা কৰিলো। আশা কৰো এই ঘোষণাখিনিৰ কাৰণে আমাৰ বিধায়কসকলৰ কাৰোবাৰ পৰা অলপ অলপ পইচা কটা যাব। কিন্তু এখন নতুন অসম নিৰ্মাণৰ বাবে আমি এইখিনিৰ আদৰণি জনাম আৰু সকলোৰে লগত একেলগে আমি কাম কৰিম।

মাননীয় অধ্যক্ষ মহোদয়, আজিৰ দিনটোত আপুনি এক নতুন ইতিহাসৰ সাক্ষী হ'ল, আপোনাক ধন্যবাদ জনাইছো। আকৌ এবাৰ কৈছো, যিখন স্থানত অসমৰ মুখ্যমন্ত্ৰী আহিব পৰা নাছিল, সেইখন স্থানত আজি আপুনি অসম বিধান সভা অনুষ্ঠিত কৰিলে। আজি AIUDF ৰ নেতাসকল কোকৰাঝাৰত আহি বিধান সভাৰ অধিবেশনত বহিছে। সেই দিনটোলৈকে মণত পেলাওক, কোকৰাঝাৰ আৰু ওদালগুৰিৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰিবেশ। কোকৰাঝাৰত যে কেতিয়াবা আপোনালোকে এনেকৈ আহিব পাৰিব, সেই দিনটো হয়তো বহুতে কল্পনাও কৰা নাছিল। কিন্তু আজি অকল আমি অহাই নহয়, ইয়াতে বহি আমি আলোচনাত ভাগ লৈছো। এই নতুন অসমখন চিৰস্থায়ী হওঁক। এই নতুন অসমখন কিৰ্তীমান হওঁক। এই নতুন অসমৰ আশা আৰু শোভাই অসমক সমগ্ৰ বিশ্বত জিলিকাই তোলক। আজি এই দিনটোত পৰম পিতাৰ ওচৰত তাৰেই কামনা কৰিছো। প্ৰত্যেকজন মুখ্যমন্ত্ৰীৰ কাৰ্য্যকালত এটা high point থাকে। মুখ্যমন্ত্ৰীজনক সোধে, আপোনাৰ কাৰ্য্যকালৰ আটাইতকৈ সফল কি? কোনোবাই ক'ব মই AIIMS আনিছো, মই ব্ৰহ্মপুত্ৰৰ দলং আনিছো, কোনোবাই ক'ব মই complete কৰিছো। মোৰ কাৰ্য্যকালত আটাইতকৈ উল্লেখযোগ্য গৌৰৱৰ দিন হৈ থাকিব কোকৰাঝাৰত অসম বিধান সভাৰ কাৰ্য্যসূচী। অসম মাতৃক মই ইয়াতকৈ আৰু কি ডাঙৰ উপহাৰ দিব পাৰো, মই নাজানো। কিন্তু this is the best tribute যে অসমত দীৰ্ঘকালীন ধৰি ৰাজনীতি কৰিছিলো, অসমৰ মানুহৰ মাজত থাকি ৰাজনীতি কৰি মুখ্যমন্ত্ৰীৰ আসন মই শুৱনি কৰিবলৈ সক্ষম হৈছিলো। যেতিয়া মোৰ মৃত্যুৰ পিছত ভগৱানে সুধিব what you have returned back to Assam ? এখন একত্ৰিত, অখণ্ডিত অসমক আজি মই কোকৰাঝাৰত বিধান সভাৰ অধিবেশন পাতি নতুন প্ৰজন্মৰ বাবে উপহাৰ হিচাপে দিলো। ইয়াক সংৰক্ষণ কৰাৰ দায়িত্ব আমাৰ। ইয়াত আমি বড়ো, কাৰ্বি, ডিমাচা লোক সকলক মৰম চেনেহ সন্মানৰ দৃষ্টিৰে আৰু তাৰ লগত তিনিওখন পৰিষদত বাস কৰা অনাবড়ো, অনাকাৰ্বি, অনা ডিমাচা লোকৰ অধিকাৰক সুৰক্ষিত কৰি আমি এই তিনিও খন পৰিষদক আগুৱাই লৈ যাম । এখন নতুন অসম নিৰ্মাণ কৰিম, এখন বিশাল অসম নিৰ্মাণ কৰিম তাৰে সংকল্প লৈ পুনৰ এবাৰ বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মক শ্ৰদ্ধাঞ্জলী জনাই অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি

মাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ মুখ্যমন্ত্ৰী ডাঙৰীয়া। এতিয়া মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত সন্মানীয় সদস্য শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়াই ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰিব ।

**শ্ৰী ৰূপক শৰ্মা, (নগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ২০২৫ চনৰ ১৭ ফেব্ৰুৱাৰী তাৰিখে মাননীয় ৰাজ্যপাল মহোদয়ে প্ৰদান কৰা ভাষণৰ কাৰণে এই বিধান সভা অধিৱেশনত সমাবেত হোৱা অসম বিধান সভাৰ সদস্য সকলে তেখেতৰ প্ৰতি গভীৰ ভাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী টেৰছ গোৱালা ডাঙৰীয়াই প্ৰস্তাৱটো সমৰ্থন কৰিব।

**শ্ৰী টেৰছ গোৱালা, (ডুলীয়াজান) ঃ** মাননয়ী অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াই সদনত প্ৰদান কৰা ভাষণৰ ওপৰত মাননীয় সদস্য ৰূপক শৰ্মাই উত্থাপন কৰা প্ৰস্তাৱটো মই কৃতজ্ঞতাৰে মই সমৰ্থন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কৰ বাবে ১৯ আৰু ২০ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে ধাৰ্য্য কৰা হৈছে । ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত সংশোধনী প্ৰস্তাৱ সমূহ অসম বিধান সভা সচিবালয়ে ১৮ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে ৰাতিপুৱা ১১:০০ বজালৈ গ্ৰহণ কৰিব । মাননীয় সদস্য, সদস্যা সকলৰ ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত যদি কোনো সংশোধনী জাননীয় থাকে তেতিয়াহ'লে ওপৰত উল্লেখ কৰা সময় আৰু তাৰিখত অসম বিধান সভাৰ সচিবৰ কাৰ্য্যালয়ত দাখিল কৰিবলৈ অনুৰোধ জনালো ।

## অধ্যক্ষৰ সামৰণি মন্তব্য

অসম বিধান সভাৰ ইতিহাসত আজি এক সোণোৱালী অধ্যায় সংযোজিত হ'ল । মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ অভিভাষণেৰে কোকৰাঝাৰত আৰম্ভ হোৱা চলিত বৰ্ষৰ বাজেট অধিৱেশনৰ প্ৰথমদিনাৰ বৈঠকৰ কাৰ্য্যক্ৰমণিকাৰ সফল পৰিসমাপ্তি ঘটিল । সকলোৰে সহযোগত বিটিচি বিধান সভাৰ এই পৱিত্ৰ সভাকক্ষত অনুষ্ঠিত হোৱা এই বৈঠকে পূৰ্ণতা লাভ কৰিলে ।

এই অধিৱেশন অনুষ্ঠিত কৰিবলৈ সুবিধা প্ৰদান কৰি সৰ্বতোপ্ৰকাৰে সহায়-সহযোগ আগবঢ়োৱাৰ বাবে মই বিটিচিৰ মুখ্য কাৰ্য্যবাহী সদস্য শ্ৰী প্ৰমোদ বড়ো ডাঙৰীয়াৰ শলাগ ল'লো ।

সুনিৰ্দিষ্ট বিধায়িনী প্ৰক্ৰিয়াৰ গৰিমা অক্ষুণ্ণ ৰাখি অধিৱেশনৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাত প্ৰত্যক্ষভাৱে জড়িত হৈ সৰ্বতোপ্ৰকাৰে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে বিটিচি বিধান সভাৰ অধ্যক্ষ শ্ৰী কাতিৰাম বড়ো ডাঙৰীয়াকো পুনৰবাৰ অসম বিধান সভাৰ হৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

অধিৱেশনৰ লগত জড়িত সকলোলৈকে আগবঢ়োৱা অকৃত্ৰিম মৰম আৰু সেৱাৰ বাবে বড়োলেণ্ড প্ৰাদেশীয় পৰিষদীয় বিধান সভাৰ উপাধ্যক্ষৰ উপৰিও পৰিষদৰ সমূহ সদস্যলৈ আমাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

এই বৈঠকৰ কালছোৱাত সদনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী, মন্ত্ৰীসভাৰ সদস্যসকল, বিৰোধী দলৰ দলপতিকে আদি কৰি বিধান সভাৰ সমূহ সদস্যলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ ।

এই বৈঠক সাফল্যমণ্ডিত কৰাত আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে বিটিচি প্ৰশাসনৰ প্ৰধান সচিবকে আদি কৰি প্ৰশাসনৰ সমূহ বিষয়া-কৰ্মচাৰীলৈ অসম বিধান সভাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ । লগতে, অতি সেৱাৰ মনোভাৱেৰে বিটিচি বিধান সভাৰ সচিবকে ধৰি

বিষয়া-কৰ্মচাৰীসকলে যি সহযোগিতা আৰু আতিথ্য প্ৰদান কৰিলে তাৰ বাবে সকলোলৈকে আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

প্ৰচলিত পৰম্পৰাক ন-ৰূপ প্ৰদান কৰি প্ৰথমবাৰৰ বাবে মূল সদনৰ নিলগৰ এই স্থান কোকৰাঝাৰত অনুষ্ঠিত চলিত বৰ্ষৰ বাজেট অধিৱেশনৰ প্ৰথমখন বৈঠকত সাক্ষী হ'ব পৰাটো সমগ্ৰ বড়োলেণ্ড বাসীৰ বাবে নিতান্তই এক গৌৰৱৰ বিষয় । এনে এক বিৰল পৱিত্ৰ সন্ধিক্ষণৰ অংশীদাৰী হোৱাৰ বাবে অসম বিধান সভাৰ হৈ সমগ্ৰ বড়োলেণ্ড বাসী ৰাইজলৈ সম্ভাষণ ও অভিনন্দন জনালোঁ।

মই আশা ৰাখিছোঁ, এই অধিৱেশনে এক সুস্থ-সবল গণতান্ত্ৰিক বাতাবৰণ তৈয়াৰ কৰি আমাৰ গণতন্ত্ৰক সৰ্বদিশৰ পৰা শক্তিশালী হৈ উঠাত অৰিহণা যোগাব ।

**সকলো পক্ষলৈকে পুনৰবাৰ ধন্যবাদ জনাই অহা ইংৰাজী ১৯-০২-২০২৫ তাৰিখে ৰাতিপুৱা ৯ঃ ৩০ বজাত দিশপুৰত অনুষ্ঠিত হ'বলগীয়া পৰৱৰ্তী বৈঠকলৈকে সদন স্থগিত ৰখা হ'ল ।**